# সূচীপত্ৰ


| | | | পৃষ্ঠা |
|---|---|---|---|
| আগকথা | ঃ | | ক |
| উপক্ৰমণিকা | ঃ | | .০১ - .০২ |
| প্ৰথম অধ্যায় | ঃ | আধুনিক অসমীয়া কবিতাৰ ঐতিহাসিক পটভূমি | ১ - ১০ |
| দ্বিতীয় অধ্যায় | ঃ | আধুনিক বাংলা কবিতাৰ ঐতিহাসিক পটভূমি | ১১ - ১৭ |
| তৃতীয় অধ্যায় | ঃ | জীবনানন্দ দাশ আৰু আধুনিক বাংলা কবিতা | ১৮ - ২৯ |
| চতুৰ্থ অধ্যায় | ঃ | জীবনানন্দ দাশ আৰু আধুনিক অসমীয়া কবিতা | ৩০ - ৫১ |
| পঞ্চম অধ্যায় | ঃ | উপসংহাৰ | ৫২ - ৫৫ |
| গ্ৰন্থপঞ্জী | ঃ | | ৫৬ - ৫৮ |


SURER DAS COLLEGE LIBRARY
Date........
HAJO.

# আগকথা

কবিতাৰ প্ৰতি মোৰ এক গভীৰ আকৰ্ষণ আছে। এনে আকৰ্ষণৰ বাবেই দেশী-বিদেশী বিভিন্ন কবিতাৰ অধ্যয়ন কৰিছোঁ। ইয়াৰ ভিতৰত যথেষ্ট সংখ্যক বাংলা কবিৰ কবিতাও আছে। বাংলা কাব্য-সাহিত্য সমগ্ৰ ভাৰতীয় সাহিত্যৰ মধ্যমণি স্বৰূপ। বিশ্ববন্দিত কবি ৰবীন্দ্ৰনাথ ঠাকুৰ সমগ্ৰ বংগদেশৰে এক উজ্জ্বল নক্ষত্ৰ। এইগৰাকী বৰেণ্য কবিৰ পিছতে বাংলা কাব্য-জগতত জীবনানন্দৰ নাম অবিস্মৰণীয় হৈ আছে। এওঁৰ কবিতাই আধুনিক ভাৰতীয় কবিকুলক যে বিশেষভাৱে প্ৰভাৱিত কৰিছে, সেয়া অনস্বীকাৰ্য। জীবনানন্দ দাশৰ কবিতা অধ্যয়ন কৰোঁতে মই বাৰে বাৰে এটা কথা উপলব্ধি কৰিছোঁ যে জীবনানন্দৰ কাব্য-প্ৰীতিয়ে অসমীয়া কবিৰ কবিতাক এক সুকীয়া মৰ্যাদা দিছে। ভালেমান কবিয়ে অতি সচেতনভাৱে জীবনানন্দক অনুসৰণ কৰিছে। ইয়াৰে দুই চাৰিগৰাকীয়ে প্ৰকাশ্যে এইগৰাকী কবিৰ অনুপ্ৰেৰণাৰ কথা সততাৰে স্বীকাৰো কৰিছে। এনেবোৰ কাৰণতে **অসমীয়া আধুনিক কবিতাৰ ওপৰত জীবনানন্দ দাশৰ প্ৰভাৱ** শীৰ্ষক বিষয়টি প্ৰণালীবদ্ধভাৱে বিচাৰ-বিশ্লেষণ কৰি চোৱাৰ প্ৰয়াস কৰা হৈছে। বিভিন্ন গ্ৰন্থ, কাকত-আলোচনীত প্ৰকাশিত প্ৰবন্ধৰ পৰা সংগৃহীত তথ্যৰ লগতে অসমীয়া আৰু বাংলা কবিতাৰ অধ্যয়নলব্ধ জ্ঞানেই এই ক্ষুদ্ৰ গৱেষণা-প্ৰকল্পৰ প্ৰধান উপজীৱ্য।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ ক্ষুদ্ৰ গৱেষণা-প্ৰকল্পৰ অধীনত এই গৱেষণা-পত্ৰখনি সম্পূৰ্ণ কৰি উলিওৱাত বিশেষভাৱে সহায় কৰিছে মোৰ জীৱনসংগী, ভাষা-সাহিত্য-সংস্কৃতিৰ সাধক, অধ্যাপক ড° খগেশ সেন ডেকাই। তেওঁলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ কৰ্মস্থল হাজো সুৰেন দাস মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীসুবোধ চন্দ্ৰ চৌধুৰীৰ আন্তৰিক সহায় সহযোগিতা শলাগিবলগীয়া। ছপা-বন্ধাৰ কামখিনি নিয়াৰিকৈ সম্পূৰ্ণ কৰি দিয়াৰ বাবে মালিগাঁৱৰ 'ডিমিউৰ গ্ৰাফিকছ্'ৰ শ্ৰীমান নৱ আৰু শ্ৰীমতী দীপ্তিলৈকো আন্তৰিক স্নেহ যাচিছোঁ। পৰিশেষত প্ৰয়োজনীয় অৰ্থ সাহায্যেৰে এই প্ৰকল্পৰ সফল ৰূপায়ণ কৰাৰ সুযোগ দিয়া বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ উত্তৰ- পূব আঞ্চলিক কাৰ্যালয়লৈ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

দিনাংক ঃ ২২-১১-০৬

ড° লোপা বৰুৱা
মুৰব্বী অধ্যাপিকা
অসমীয়া বিভাগ
সুৰেন দাস মহাবিদ্যালয়
হাজো, অসম

# উপক্ৰমণিকা

অসমীয়া আধুনিক কবিতাৰ বিভিন্ন দিশ সম্পৰ্কে ইতিমধ্যে যথেষ্ট আলোচনা, সমালোচনা আৰু গৱেষণা-কৰ্ম সম্পূৰ্ণ হৈছে। ইবোৰৰ মাজত ভালেমান নতুন তথ্যৰ সন্ধান পোৱা গৈছে। সেয়ে হ'লেও, বহু বিতৰ্কিত তথা বহু চৰ্চিত অসমীয়া আধুনিক কবিতাৰ কিছুমান দিশৰ প্ৰণালীবদ্ধ বিচাৰ-বিশ্লেষণৰ কাম এতিয়াও বাকী আছে। তেনে বিষয়সমূহৰে এটা হ'ল— অসমীয়া আধুনিক কবিতাৰ ওপৰত বাংলা কবিৰ প্ৰভাৱ।

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ (১৮৬১-১৯৪১) পিছতে বাংলা কাব্যৰ ইতিহাসত উল্লেখযোগ্য স্থান দখল কৰি থকা কবিগৰাকী হ'ল— জীবনানন্দ দাশ (১৮৯১-১৯৫৪)। ৰবীন্দ্ৰ প্ৰতিভাই সমগ্ৰ ভাৰতীয় কবি-মানসক প্ৰভাৱিত কৰিছিল। যুগন্ধৰ প্ৰতিভাসম্পন্ন কবি হিচাপে জীবনানন্দ দাশো ইয়াৰ ব্যতিক্ৰম নহয়। আন আন ভাৰতীয় আধুনিক কবিৰ লেখীয়াকৈ অসমীয়া কবিসকলেও জীবনানন্দক অনুসৰণ কৰিলে। ইয়াৰ ফলত অসমীয়া কবিতাৰ সৌষ্ঠৱ আৰু মান দুয়োটাই বৃদ্ধি হ'ল। বাংলা কবিৰ প্ৰভাৱত অসমীয়া কবিৰ চিন্তাত আধুনিকতাই কেনেদৰে পোখা মেলিলে, ইবোৰত কিমানখিনি মৌলিকতা ৰক্ষিত হ'ল ইত্যাদি দিশ চালি-জাৰি চোৱাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। কবিতাৰ বিষয়বস্তু আৰু আংগিক উভয় দিশৰে সূক্ষ্ম বিচাৰ-বিশ্লেষণ অবিহনে এই বিষয়ৰ অধ্যয়ন একোপধ্যেই সম্পূৰ্ণ হ'ব নোৱাৰে।

১৯৯৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধীনত **আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প ঃ হেম বৰুৱা আৰু নৱকান্ত বৰুৱাৰ বিশেষ উল্লিখন সহ** শীৰ্ষক মোৰ গৱেষণা গ্ৰন্থখন সম্পূৰ্ণ কৰিছিলোঁ। গৱেষণীয় কৰ্মত অগ্ৰসৰ হওঁতে মই দেখিবলৈ পাইছিলোঁ যে ভালেমান অসমীয়া আধুনিক কবিৰ কবিতাত জীবনানন্দ দাশৰ প্ৰভাৱ অতি জীৱন্ত হৈ আছে। ইয়াৰে কিছুমান পোনপটীয়া আৰু কিছুমান আওপকীয়া। এই লেখীয়া প্ৰভাৱে অসমীয়া কবিতাক যে সমৃদ্ধ কৰিছে, তাত সন্দেহৰ অৱকাশ নাই। এনে চিন্তাৰ আধাৰতে **অসমীয়া আধুনিক কবিতাৰ ওপৰত জীবনানন্দ দাশৰ প্ৰভাৱ**— এই বিষয়টি প্ৰণালীবদ্ধভাৱে বিচাৰ-বিশ্লেষণ কৰিবলৈ লোৱা হৈছে। ৰবীন্দ্ৰোত্তৰ যুগত আধুনিক বাংলা কবিতাত নতুন চেতনা, নতুন ভাবাদৰ্শ আৰু নতুন কৌশলেৰে এক সুকীয়া গতি দান কৰা কবিগৰাকীৰ কাব্যকৃতি সম্পৰ্কীয় আলোচনা এই ক্ষেত্ৰত নিতান্তই প্ৰাসঙ্গিক আৰু প্ৰয়োজনীয় বুলিব পাৰি।

আধুনিক বাংলা কবিতাত যিদৰে পাশ্চাত্যৰ বোল লাগিছে, তেনেদৰে অসমীয়া কবিতাও সেই ৰঙেৰে ৰঙীন হৈছে। উভয় দেশৰে কবিসকলৰ ইংৰাজী ভাষা-সাহিত্যৰ অধ্যয়নেই যে ইয়াৰ মূল কাৰণ, তাত সন্দেহৰ অৱকাশ নাই। আধুনিক অসমীয়া কাব্য-আন্দোলনৰ অন্যতম বাটকটীয়া হেম বৰুৱা আৰু ইয়াক সাৰ্থক গতি দান কৰোঁতা কবি নৱকান্ত বৰুৱা — দুয়োগৰাকীয়েই পৰ্যাপ্ত পৰিমাণে ইংৰাজী সাহিত্য অধ্যয়ন কৰিছিল। তদুপৰি, দুয়োগৰাকী আছিল বৃত্তিত অধ্যাপক। তদনুৰূপ জীবনানন্দ দাশেও অধ্যাপনা কৰিছিল আৰু ইংৰাজী সাহিত্যৰ ছাত্ৰ হিচাপে ইংৰাজী সাহিত্যৰ সতে তেওঁৰ পৰিচয় ঘটিছিল। বিশেষকৈ কবিতাৰ ক্ষেত্ৰত জীবনানন্দক টি. এছ . এলিয়টে অধিক আকৰ্ষণ কৰিছিল। এনে সংগতি তথা মিলনে অসমীয়া আৰু বাংলা কবিতাৰ মাজলৈ এক সমতা আনিছে। অৱশ্যে, দুয়োখন দেশৰে কবিতাত

আধুনিক ধাৰণাৰ উন্মেষণৰ মাজত সময়ৰ ব্যৱধান আছে। সেয়েহে, দুয়ো দেশৰে কবিতাৰ ঐতিহাসিক পটভূমি বিচাৰ কৰি চোৱাটো একান্ত প্ৰয়োজনীয় কথা।

কাব্য-চৰ্চাৰ বিভিন্ন দিশত বাংলা কবিগৰাকীক অনুসৰণ কৰিলেও, প্ৰতিগৰাকী অসমীয়া কবিৰে প্ৰতিভাৰ ভিন্নতা নথকা নহয়। এনে ভিন্ন প্ৰতিভাৰ বাবেই অসমীয়া আধুনিক কবিতা আপোন দেশৰ মাটি-পানী-বায়ুৰ স্পৰ্শত জাতিষ্কাৰ হৈ উঠিছে, আপোনৰো আপোন হৈ পৰিছে। আধুনিক অসমীয়া কবিয়ে জীবনানন্দ দাশক কিমান দূৰ অনুসৰণ কৰিছে, ইবোৰত অসমীয়া কবিৰ মৌলিকত্ব কেনেদৰে ৰক্ষিত হৈছে, অসমৰ মাটি-পানীৰ লগত এইবোৰ কিমান দূৰ একাত্ম হৈ পৰিছে ইত্যাদি সমস্ত দিশ সামৰি প্ৰণালীবদ্ধ অধ্যয়নৰ প্ৰয়োজন আছে। তদুপৰি, বাংলা আৰু অসমীয়া জন-জীৱনৰ স্বৰূপ কবিতাই কেনেদৰে ধৰি ৰাখিছে, জীবনানন্দ দাশৰ কবিতাৰ পল্লী প্ৰকৃতি আৰু অসমীয়া কবিতাৰ পল্লী প্ৰকৃতিৰ ৰূপ কেনেকুৱা, তাৰ বিচাৰো অতিশয় আমোদজনক। এনেবোৰ কাৰণতে উক্ত বিষয়টিৰ অধ্যয়নত জীবনানন্দ দাশৰ কবিতাত প্ৰতিফলিত কবিৰ জীৱন-দৰ্শন, ঐতিহ্য-চেতনা, প্ৰকৃতিৰ ৰূপকল্প, বিশুদ্ধ চেতনাৰ কবিতা আৰু প্ৰতীকাত্মক কবিতাৰ দিশলৈ সচেতন দৃষ্টি নিক্ষেপ কৰা হৈছে আৰু ইয়াৰে আধাৰত অসমীয়া আধুনিক কবিৰ কবিতাৰ বিচাৰ-বিশ্লেষণৰ প্ৰয়াস কৰা হৈছে। শৃংখলাবদ্ধভাৱে অধ্যয়ন কৰিবলৈ লোৱা বিষয়টিক কেইটামান অধ্যায়ত এনেদৰে ভগোৱা হৈছে ঃ

**প্ৰথম অধ্যায়**-ত আধুনিক অসমীয়া কবিতাৰ ঐতিহাসিক পটভূমি সম্পৰ্কীয় তথ্যসমৃদ্ধ আলোচনা সামৰা হৈছে। **দ্বিতীয় অধ্যায়**-ত তেনেদৰে আধুনিক বাংলা কবিতাৰ ঐতিহাসিক পটভূমিৰ দিশলৈ দৃষ্টি দিয়া হৈছে। **তৃতীয় অধ্যায়**-ত আধুনিক বাংলা কবি হিচাপে জীবনানন্দ দাশৰ কবিতাৰ সামগ্ৰিক বিচাৰ কৰা হৈছে। বাংলা কাব্য-জগতত কল্লোলোত্তৰ যুগৰ এইগৰাকী কবিৰ কবিতাই কি কি দিশত আলোড়নৰ সৃষ্টি কৰিছিল, তাৰ বিচাৰেই অধ্যায়টিৰ মূল উদ্দেশ্য। **চতুৰ্থ অধ্যায়**-ত উক্ত তিনিওটা অধ্যায়ৰ আধাৰত আধুনিক অসমীয়া কবিয়ে কেনেদৰে জীবনানন্দ দাশৰ কবিতাৰ প্ৰভাৱত আপোন প্ৰতিভাৰ বিকাশ ঘটাইছে, সেই দিশলৈ সচেতন দৃষ্টি দিয়া হৈছে। ইয়াৰ বাবে কুৰি শতিকাৰ চল্লিশৰ পৰা সত্তৰৰ দশকৰ ভিতৰৰ সৰ্বমুঠ দহগৰাকী কবিক নিৰ্বাচন কৰা হৈছে। প্ৰতিগৰাকী কবিৰে কবিতাৰ একো একোটা বিশেষ বৈশিষ্ট্যৰ প্ৰতিহে তীক্ষ্ণ নজৰ দিয়া হৈছে। কবি কেইগৰাকী হ'ল— যথাক্ৰমে হেম বৰুৱা, নৱকান্ত বৰুৱা, বীৰেশ্বৰ বৰুৱা, হোমেন বৰগোহাঞি, বীৰেন বৰগোহাঞি, প্ৰফুল্ল ভূঞা, সুশীল শৰ্মা, মাণিক গগৈ, নীলমণি ফুকন আৰু হীৰেন ভট্টাচাৰ্য। **পঞ্চম অধ্যায়**-ত বিষয়টিৰ উদ্দেশ্য, গুৰুত্ব, ইয়াৰ প্ৰয়োজনীয়তা, পৰিসীমা আৰু পদ্ধতিৰ সতে সঙ্গতি ৰাখি চাৰিওটা অধ্যায়তে কি কি নতুন তথ্য পোৱা গ'ল সেয়া সন্নিৱিষ্ট কৰা হৈছে। বিষয়টিৰ বিচাৰ-বিশ্লেষণৰ অন্তত প্ৰতিপন্ন হোৱা যুক্তিসিদ্ধ আৰু তথ্য সমৃদ্ধ মন্তব্য এই অধ্যায়তে সামৰি লোৱা হৈছে।

বিষয়টিৰ অধ্যয়নৰ ক্ষেত্ৰত বৰ্ণনাত্মক পদ্ধতিকে অগ্ৰাধিকাৰ দিয়া হৈছে। গৱেষণা-পত্ৰখনিৰ পৰিসৰ চমু হোৱা বাবে উদ্ধৃতিৰ পৰিমাণ পাৰ্যমানে সীমিত কৰিবৰ যত্ন কৰা হৈছে। আখৰ-জোঁটনিৰ ক্ষেত্ৰত ঘাইকৈ *হেমকোষ* আৰু *চন্দ্ৰকান্ত অভিধান*-কে অনুসৰণ কৰা হৈছে। অৱশ্যে, ং আৰু ঙ + ব্যঞ্জন— দুয়োটা ৰূপকে বিকল্প হিচাপে ব্যৱহাৰ কৰা হৈছে। অধ্যয়নৰ সুবিধাৰ বাবে ইংৰাজী উদ্ধৃতিসমূহত ইংৰাজী আৰু বাংলাৰ ক্ষেত্ৰত অসমীয়া লিপি ব্যৱহাৰ কৰা হৈছে। গ্ৰন্থপঞ্জীখন অসমীয়া, বাংলা আৰু ইংৰাজী — এই তিনিটা ভাগত ভগোৱা হৈছে। গ্ৰন্থসমূহৰ প্ৰকাশৰ চনৰ ক্ষেত্ৰত কেৱল ব্যৱহৃত তাঙৰণৰ চনহে উল্লেখ কৰা হৈছে।

# প্ৰথম অধ্যায়

## আধুনিক অসমীয়া কবিতাৰ ঐতিহাসিক পটভূমি

সাহিত্যৰ বুকুত সমাজ তথা জাতি বিশেষৰ যুগ-সাপেক্ষ ধ্যান-ধাৰণাৰ প্ৰতিফলন লক্ষ্য কৰা যায়। সাহিত্যৰ অন্যতম অঙ্গ হিচাপে কবিতাও এই নিয়মৰ বশৱৰ্তী। সমাজৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাপনাৰ দ্বাৰা নিৰ্ণীত মূল ভেঁটিটোৰ পৰিৱৰ্তন তথা বিকাশৰ সৈতে সঙ্গতি ৰাখি কবিতাৰ মাজেৰেও প্ৰকাশিত হয়, একো একোটা যুগৰ ইতিহাস আৰু সেই যুগৰ চিন্তাৰ পৰিধি।

কবিতাক সময়ৰ প্ৰতিনিধি বুলি ক'লেও বঢ়াই কোৱা নহয়। সেয়ে হ'লেও, কবিৰ সামাজিক দায়গ্ৰস্ততাৰ কথাও উলাই কৰিব নোৱাৰি। এইটো কাৰণতে কবিসকলক স্বদেশ, স্বজাতিৰ ইতিহাস সম্বন্ধে, জীৱন সম্বন্ধে গভীৰ জ্ঞানৰ প্ৰয়োজন। কবি বা লেখকৰ প্ৰতিভাই কেৱল তেওঁৰ ব্যক্তিত্বৰে প্ৰতিফলন নঘটায়; বৰং ব্যক্তি হিচাপে সমসাময়িক সময়ৰ সৈতে, সমাজ-জীৱনৰ সৈতে তেওঁৰ এৰাব নোৱৰা সম্বন্ধৰ কথাও তুলি ধৰে।[১] কোনো কবি বা কোনো কলাকাৰেই স্বয়ংসম্পূৰ্ণ নহয়।[২] এই ফালৰ পৰা কবি আৰু কবিতাৰ বিচাৰ-বিশ্লেষণতো ঐতিহাসিক পটভূমিৰ পৰ্যালোচনাৰ দিশটো অনিবাৰ্যভাৱেই আহি পৰে। স্বাভাৱিক কাৰণতে আধুনিক অসমীয়া কবিতাৰ আলোচনা ইয়াৰ ব্যতিক্ৰম হ'ব নোৱাৰে। কাৰণ, ইয়াৰো এক নিৰ্দিষ্ট পৃষ্ঠভূমি আছে। সেই পৃষ্ঠভূমিৰ যথাযথ পৰ্যালোচনাৰ দ্বাৰাহে ইয়াৰ বিভিন্ন দিশৰ বিকাশৰ বৈচিত্ৰ্য চিনাক্তকৰণ কৰি উলিওৱা সম্ভৱ হয়।

পৃথিৱীৰ অন্যান্য দেশৰ কবিতাৰ দৰে অসমীয়া কবিতায়ো ইতিহাসৰ নানান পৰিঘটনা বুকুত বান্ধি পৰিৱৰ্তিত চেতনা আৰু দেশী-বিদেশী ভাব-বৈচিত্ৰ্যেৰে সমৃদ্ধ হৈ পুৰণিৰ পৰা আধুনিকতাৰ কোলাত আশ্ৰয় লৈছে। সেই হেতুকে, আধুনিক অসমীয়া কবিতাত প্ৰাচ্য-পাশ্চাত্য আৰু মহাদেশীয় ঐতিহ্য আৰু পৰিঘটনাৰ সমাহাৰ লক্ষ্য কৰা যায়।

অসমীয়া কবিতাৰ আৰম্ভ কেতিয়া হৈছিল, তাৰ কোনো সুস্পষ্ট তথ্য নাথাকিলেও, সাধাৰণভাৱে এই কথা স্বীকাৰ কৰি লোৱা হৈছে, যে শঙ্কৰদেৱৰ পূৰ্বৱৰ্তী মাধৱ কন্দলিকে (চতুৰ্দশ শতিকা) মুখ্য কৰি কেইগৰাকীমান প্ৰতিভাধৰ কবিৰ হাতত অসমীয়া কবিতাই প্ৰথমবাৰৰ বাবে স্পষ্ট আৰু নিটোল ৰূপ লাভ কৰিবলৈ সমৰ্থ হয়।[৩] ইয়াৰ পিছত খৃষ্টীয় পঞ্চদশ শতিকাত সৰ্বভাৰতীয় ভক্তি-আন্দোলনৰ দ্বাৰা অনুপ্ৰাণিত হৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ অনুগামী শিষ্য-প্ৰশিষ্যসকলে বিপুল পৰিমাণৰবৈষ্ণৱ সাহিত্যৰ সৃষ্টি কৰে । মহেশ্বৰ নেওগৰ মতে, প্ৰাকশঙ্কৰ যুগৰ গাৰি দিয়া ৰিহাতে এই আন্দোলনৰ নতুন আদৰ্শ আৰু অনুপ্ৰেৰণাই ভক্তিৰ আঁচুফুল বাচি দিয়ে।[৪]

---

1. Warren Austin and Rene Wellek, *Theory of Literature*, p.102
2. T.S. Eliot, *Essays : Ancient and Modern*, p.93
৩. মহেশ্বৰ নেওগ (সম্পা) *সঞ্চয়ন* (অসমীয়া কবিতাৰ কাহিনী), পৃঃ ১৯
৪. মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, পৃঃ ২১

সেই সময়ৰ অসমীয়া জন-জীৱন আছিল নিতান্তই সহজ-সৰল। জীৱিকা নিৰ্বাহো আছিল অনায়াসলব্ধ। দেশী কিংবা বিদেশী কোনো শক্তিয়ে ইয়াত অশান্তিৰ বীজ সিঁচা নাছিল। সমাজ-ব্যৱস্থা সামন্ততান্ত্রিক হোৱা হেতুকে কবি-সাহিত্যিকসকলে জমিদাৰ প্ৰদত্ত সিধা আৰু ৰাইজৰ দান-বৰঙণিৰ দ্বাৰা পেট প্ৰৱৰ্তাব পাৰিছিল। ফলত পেটৰ দাবীতকৈ আধ্যাত্মিক দাবীয়ে সাহিত্যৰ প্ৰয়োজন পূৰাইছিল। অসমত নৱবৈষ্ণৱ ধৰ্মই প্ৰাধান্য লাভ কৰাৰ আন এক কাৰণ হ'ল, চতুৰ্দশ-পঞ্চদশ শতিকাৰ সময়ছোৱাত ব্ৰহ্মপুত্ৰ উপত্যকাত দুখনকৈ শক্তিশালী সাম্ৰাজ্য গঠন হৈছিল ঃ পূবে আহোম ৰাজ্য আৰু পশ্চিমে কোচ ৰাজ্য। দুয়ো ৰাজ্যৰ ধৰ্মীয় ব্যৱস্থা আছিল সুকীয়া সুকীয়া। বিশেষকৈ কোচসকলে নৱবৈষ্ণৱ আন্দোলনৰ মাজেৰে বিভিন্ন সম্প্ৰদায়ৰ মাজত যোগসূত্ৰ স্থাপনৰ সম্ভাৱনা দেখা পাই এই ধৰ্মৰ পৃষ্ঠপোষকতাত বিশেষ গুৰুত্ব আৰোপ কৰে। সেই সময়ত ধৰ্মীয় মতভেদে সৃষ্টি কৰা সমাজৰ শিথিল বন্ধন সুদৃঢ় কৰি তুলিবৰ বাবে এজন সৰ্বমান্য সমাজ-সংস্কাৰকৰ আৱশ্যকো হৈছিল। মহাপুৰুষ শঙ্কৰদেৱে এনে এক ঐতিহাসিক দাবীকে পূৰণ কৰিছিল। অমিত প্ৰতিভা আৰু সহজাত মানৱীয় গুণসমূহে তেওঁক এই দিশত যথেষ্ট সহায় কৰিছিল। ফলত, বৈষ্ণৱ ধৰ্মৰ জনপ্ৰিয়তাই তজ্জনিত সাহিত্য সৃষ্টি,—বিশেষকৈ কবিতাৰ কৰ্ষণ সহজসাধ্য কৰি তুলিছিল। এই শ্ৰেণীৰ সাহিত্যৰ ভাব-বৈচিত্ৰ্যই সামন্তীয় শ্ৰেণী-বিন্যাস শিথিল কৰি অসমীয়া সমাজৰ বহিৰ্গাঁথনিত এক সাম্যভাবৰ আৱৰণ তৰি দিছিল। এনেদৰে, সময় আৰু সমাজৰ সামূহিক সংমিশ্ৰণে তৎকালীন কাব্য-সাহিত্যক সজীৱ কৰি তুলিছিল।

বৈষ্ণৱ কাব্যধাৰাত সমান্তৰালভাৱে এই সময়ছোৱাতে আন এটি ধাৰাও জনপ্ৰিয় হৈ উঠা দেখা যায়। অসমীয়া সাহিত্যৰ ইতিহাসত এই ধাৰাৰ কবিকুল পাচাঁলী কবিৰূপে জনাজাত । এইটো থূলৰ অন্যতম কবি পীতাম্বৰ দ্বিজৰ *ঊষা পৰিণয়* (১৫৩৩ শক) কাব্যত ঊষাৰ মানসিক অৱস্থাৰ বৰ্ণনাৰ লগত "বাৰমাহী গীত'-ৰ বিৰহ-বিধুৰা বণিক পত্নীৰ মানসিক অৱস্থাৰ মিল লক্ষ্য কৰিব পাৰি।

অসমীয়া কাব্য-জগতত মহাপুৰুষদ্বয়ৰ দ্বাৰা প্ৰতিষ্ঠিত বৈষ্ণৱ-ধাৰাটো তেওঁলোকৰ তিৰোধানৰ লগে লগে স্তিমিত হৈ অহা দেখা যায়। সমসাময়িকভাৱে শাক্ত, শৈৱ আদি ধাৰাৰ প্ৰৱেশ ঘটিলেও, এই যুগটো মূলতঃ বৈষ্ণৱ-ধাৰাৰ দ্বাৰা নিয়ন্ত্ৰিত। ইয়াৰ গভীৰতা আৰু প্ৰাচুৰ্যলৈ লক্ষ্য কৰি যথাৰ্থভাৱেই এই যুগটোক ৰেণেছাঁৰ যুগ আখ্যা দিয়া হৈছে।[৫]

খৃষ্টীয় সপ্তদশ শতিকাৰ পৰা আহোম ৰাজশক্তি ক্ৰমাৎ দুৰ্বল হৈ অহাত সমাজৰ সংহতি বিনষ্ট হয় আৰু কেতবোৰ আভ্যন্তৰীণ শক্তি ৰাজশক্তিৰ প্ৰত্যাহ্বান স্বৰূপে মূৰ তুলি উঠে। বিশেষকৈ মোৱামৰীয়া মহন্তসকলৰ নিগ্ৰহে যি বিদ্ৰোহৰ জন্ম দিছিল, তাক পৰাভূত কৰাত আহোম ৰাজশক্তি সম্পূৰ্ণ ব্যৰ্থ হৈছিল। আভ্যন্তৰীণ দ্বন্দ্ব আৰু মোৱামৰীয়া অভ্যুত্থানে আহোম শক্তিক ইমানেই দুৰ্বল কৰি পেলাইছিলযে ই পৰৱৰ্তী কালত তিনিবাৰকৈ হোৱা মানৰ আক্ৰমণ একোপধ্যেও চম্ভালিব পৰা নাছিল। এই দুই ঘটনাই ইতিমধ্যে সমগ্ৰ ভাৰত জুৰি ছানি ধৰা ইংৰাজ বণিকহঁতৰ অসম ভূমিত প্ৰৱেশৰ পথ সুগম কৰি তোলে।

---

৫. ডিম্বেশ্বৰ নেওগ, *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*, পৃঃ ২৩৯

সমাজ-জীৱনৃত ঘটা এনে আহুকলীয়া পৰিস্থিতিয়ে স্বাভাৱিকতে তাৰ উপৰিসৌধতো প্ৰভাৱ পেলায়। এইছোৱা সময়ত ৰচিত সীমিত সংখ্যক সাহিত্যই তাকেই প্ৰমাণ কৰে।

১৮২৬ চনত ঐতিহাসিক ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসাৰে অসমৰ শাসনভাৰ ইংৰাজৰ হাতলৈ যায়। যুদ্ধ কিংবা ছল-কৌশলেৰে ইতিমধ্যে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্য গ্ৰাস কৰা সাম্ৰাজ্যবাদী ইংৰাজহঁতে পৰ্যায় ক্ৰমে অসমৰো সম্পূৰ্ণ শাসনভাৰ হস্তগত কৰে। এই সময়ৰ দুৰ্দশাগ্ৰস্ত জীৱনৰ প্ৰতিচ্ছবি লোক-জীৱনত মৌখিক পৰম্পৰাৰে প্ৰৱাহিত "হৰদত্ত বীৰদত্তৰ গীত"-ৰ মাজত সুন্দৰকৈ সংৰক্ষিত হৈছে।

সি যি কি নহওক, ইংৰাজ-শাসনৰ পৰিণতি স্বৰূপে, অসমীয়া সাহিত্যলৈ পাশ্চাত্য-ভাবধাৰাৰ আমদানি অনিবাৰ্য হৈ উঠে। অস্থিৰ ৰাজনৈতিক অৱস্থাৰ পৰিত্ৰাণ বিচাৰি অসমীয়া জনগণে পোনতে বৃটিছৰ শাসনক পৰাধীনতাৰ গ্লানি বুলি ভবাতকৈ শান্তিৰ নিৰাপদ আশ্ৰয় বুলি গ্ৰহণ কৰিছিল। অসমীয়া কবিয়ে বিদেশী ইংৰাজ ৰাজত্বৰ প্ৰশস্তি গোৱাটোৱে তাৰেই প্ৰমাণ দাঙি ধৰে।[৬] ইতিমধ্যে থানবান হৈ পৰা অসমৰ আৰ্থ-সামাজিক তথা ৰাজনৈতিক জীৱনে বৃটিছ-ৰাজৰ ছত্ৰছাঁয়াত তাৎক্ষণিক স্বস্তি লাভ কৰিলে ঠিকেই, কিন্তু অন্যহাতে ই সাম্ৰাজ্যবাদৰ সৰ্বগ্ৰাসী হাতোৰাৰ কবলতো পৰিল।[৭]

বৃটিছহঁতে নিজৰ স্থিতি সুদৃঢ় কৰাৰ অৰ্থে স্থানীয় অভিজাত এচামক নিজৰ অনুগত কৰি লৈছিল। মণিৰাম দেৱান আছিল এনে অভিজাত শক্তিৰ প্ৰতিনিধি। কিন্তু নিজৰ শ্ৰেণী-স্বাৰ্থত আঘাত লগা হেতুকে পৰৱৰ্তী সময়ত দেৱানে বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰে। অৱশেষত বৃটিছ শাসকসকলে তেওঁক ফাঁচী দিয়ে। দেৱানৰ এই বিদ্ৰোহৰ মাজতে লুকাই আছিল, আধুনিক অসমীয়া সমাজৰ জন্ম-বেদনা। অৱশ্যে, ৰাজনীতি নুবুজা সাধাৰণ মানুহে দেৱানৰ এই বিদ্ৰোহ উচ্চাকাংক্ষাৰ পৰিণতি বুলিহে ভাবিছিল। "*মণিৰাম দেৱানৰ গীত*"-ত তাৰ নিদৰ্শন আজিও সংৰক্ষিত হৈ আছে।[৮]

---

৬. অসহন অত্যাচাৰ, চেপা খুন্দা কিল
নাক কাণ চকু কঢ়াৰ কোঁহাল উঠিল
ই হেন আপদত বৃটিছে উজাই
উদ্ধাৰিলে প্ৰজাক হিয়াত শান্তি বিলাই
কুম্পানীৰ দিন হ'ল চৌদিশে প্ৰচাৰ
ভক্তিত গদ্ গদ্ হিয়া অসম প্ৰজাৰ।
—চন্দ্ৰপ্ৰসাদ শইকীয়া (সম্পা), *গোহাঞিবৰুৱা ৰচনাৱলী*, (নীতি-শিক্ষা : আদি ছোৱা), পৃঃ ৭৯

৭. প্ৰকাশ গোস্বামী (সম্পা), *অসমীয়া প্ৰবন্ধ চয়ন* (নগেন শইকীয়া, অসমৰ সামাজিক ইতিহাস : পৰিৱৰ্তন আৰু পৰিবৰ্দ্ধন ), পৃঃ ১৬৫

৮. ৰূপৰ ধোঁৱাখোৱাত খালি ঐ মণিৰাম
সোণৰ ধোঁৱাখোৱাত খালি
ৰজা হ'বলৈ ওলালি মণিৰাম
ডিঙিত চিপেজৰী ল'লি।
— লীলা গগৈ (সম্পা), *মণিৰাম দেৱানৰ গীত*, পৃঃ ৩৪

বৃটিছসকলে প্ৰশাসন যন্ত্ৰ চলাবলৈ বঙ্গদেশৰ পৰা ভালেমান কেৰাণী-মহৰিৰ আমদানি কৰে। ইয়াৰ ফলত নতুনকৈ এক সাংস্কৃতিক সংকটৰ সৃষ্টি হয়। ১৮৩৬ চনত অসমীয়া জাতিৰ ঐতিহ্যৰ বুকুত প্ৰচণ্ড আঘাত কৰি বৃটিছসকলে অসমৰ পৰা অসমীয়া ভাষা আঁতৰাই তাৰ ঠাইত বাংলা ভাষাৰ প্ৰৱৰ্তন কৰে। ফলত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশ স্থবিৰ হৈ পৰে।

ইংৰাজসকলৰ সমসাময়িকভাৱে অসমত খৃষ্টান মিছনাৰীসকলৰো প্ৰৱেশ ঘটে। তেওঁলোকে বিভিন্ন প্ৰান্তৰ ভ্ৰমি অৱশেষত শিৱসাগৰত থলী পাতে। মিছনাৰীসকলে ধৰ্ম প্ৰচাৰৰ বাবে স্থানীয় অসমীয়া ভাষাটোকে মাধ্যম হিচাপে লোৱাত অসমীয়া ভাষা-সাহিত্যত এক নতুন যুগৰ সূচনা হয়। তেওঁলোকে দিখৌ নদীৰ পাৰত এটি ছপাযন্ত্ৰ বহুৱাই তাৰে পৰা *অৰুনোদই* (১৮৪৬) নামেৰে এখন মাহেকীয়া কাকত উলিয়ায়। এইখনক আধুনিক অসমীয়া সাহিত্যৰ আৱাহনী তোৰণ বুলিব পাৰি।[৯] এই কাকততে নিধি লিবাই ফাৰোৱেলৰ হাতত প্ৰথমে আধুনিক অসমীয়া কবিতাৰ উকমুকনি আৰম্ভ হয়।[১০] এনেদৰে, বিদেশী ধৰ্মযাজকসকলে চহাই-মৈয়াই দিয়া মাটিতে আধুনিকতাই গঁজালি মেলিবলৈ আৰম্ভ কৰে। তেওঁলোকে অসমৰ বুকু সম্পূৰ্ণৰূপে আলোকিত কৰিব নোৱাৰিলেও, ঠায়ে ঠায়ে জালি কাটিব পৰাকৈ মধ্যযুগীয় হাবি কিছু মুকলি কৰি দিয়ে।[১১] অসমৰ পঢ়াশালি আৰু আদালতৰ পৰা অপসাৰিত অসমীয়া ভাষাৰ পুনৰ্বাসনৰ বাবে মিছনাৰীসকলে কৰা অহোপুৰুষাৰ্থই আধুনিক অসমীয়া সাহিত্যৰ ভেটি নিৰ্মাণৰ শুভাৰম্ভ কৰিলে।[১২] প্ৰসঙ্গ ক্ৰমে, *অৰুনোদই* কালৰ অখৃষ্টীয়ান লেখক তথা অসমীয়া ভাষাৰ পুনৰ্বাসনৰ ৰণৰ আগশাৰীৰ যোদ্ধা আনন্দৰাম ঢেকিয়াল ফুকনৰ (১৮২৯-১৮৫৯) অৱদানো স্মৰণযোগ্য। অসমত বাংলা প্ৰচলনৰ বিৰুদ্ধে লিখিত প্ৰতিবাদ জনাওঁতা এৱেঁই হ'ল প্ৰথমগৰাকী অসমীয়া।

সি যি কি নহওক, উল্লিখিত ঘটনাসমূহৰ পৰিণতি স্বৰূপে অসমত প্ৰথমবাৰৰ বাবে ভাষাভিত্তিক জাতীয় চেতনাৰ জাগৰণ ঘটে। অসমীয়া মানুহৰ মন যুক্তিপ্ৰসূত, মানৱতাবাদী আৰু সংস্কাৰবাদী হোৱাটো, অৰ্থাৎ এক কথাত আধুনিক হোৱাটো, মিছনাৰীসকলৰে নেৰানেপেৰা চেষ্টাৰ ফল। তদুপৰি, প্ৰায় সমসামায়িকভাৱে ভাৰতবৰ্ষত হিন্দুধৰ্মৰ কঠোৰ বান্ধোন শিথিল কৰিবলৈ যি সংস্কাৰমুখী আন্দোলন হৈছিল, তাৰ পটভূমিত বঙ্গদেশত জন্ম হোৱা ব্ৰাহ্ম সমাজত দীক্ষিত হৈ অসমৰ হেমচন্দ্ৰ বৰুৱা (১৮৩৬-১৮৯৭), গুণাভিৰাম বৰুৱা (১৮৩৭-১৮৯৪) আদি লেখকে তেনে চেতনা সম্বলিত কিছু সাহিত্য ৰচনা কৰে।

*অৰুনোদই* কাকতৰ পাতত প্ৰকাশিত কবিতাসমূহৰ আধুনিক কাব্য-বিচাৰৰ পদ্ধতিৰে বিচাৰ কৰিলে কাব্যিক বা নান্দনিক গুৰুত্ব যে নাথাকিব, তাত সন্দেহৰ অৱকাশ নাই। কিন্তু, সিবোৰৰ

---

৯. নন্দ তালুকদাৰ, *সম্বাদপত্ৰৰ ৰদ কাঁচলিত অসমীয়া সাহিত্য*, পৃঃ ৪০

১০. মহেশ্বৰ নেওগ, পূৰ্বোক্ত গ্ৰন্থ , পৃঃ ২৩১

১১. চন্দ্ৰপ্ৰসাদ শইকীয়া (সম্পা), *গৰীয়সী*, ১ম বছৰ, ২য় সংখ্যা,(কবীন ফুকন, অৰুনোদই কাব্য জগতত আধুনিকতাৰ উন্মেষণ ), পৃঃ ৪৮

১২. শৈলেন ভৰালী, *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস*, পৃঃ ১

ঐতিহাসিক গুৰুত্ব অনস্বীকাৰ্য। মন কৰিব লগীয়া, যে এই যুগৰ কবিতাই ভাব-জগতৰ দিশত মধ্যযুগীয় কবিতাৰ সৈতে সম্পৰ্ক প্ৰায় ছেদ কৰিছিল। গতানুগতিক ধৰ্মীয় ধ্যান-ধাৰণাৰ পৰা আঁতৰি আহি সামাজিক সংস্কাৰমূলক বিষয়বস্তুক প্ৰাধান্য দিয়াটো এই যুগৰ কবিতাৰ প্ৰধান বিশেষত্ব। তদুপৰি, অৱয়বৰ দিশতো কিছু নতুন প্ৰকাশ-ভঙ্গীৰ উন্মেষ ঘটা লক্ষ্য কৰা যায়।[১৩]

*অৰুনোদই*-ৰ প্ৰথম সংখ্যাত প্ৰকাশিত "কানিৰ বিবৰন" শীৰ্ষক কবিতাটোত পৰম্পৰাগত ধৰ্মীয় বিষয়বস্তুৰ সলনি কুসংস্কাৰ, অন্যায়-অবিচাৰেৰে ভৰা ঐহিক জীৱনৰ নৱনিৰ্মাণৰ বাস্তৱ চিন্তা প্ৰথমবাৰৰ বাবে পোৱা যায়।[১৪] সেইদৰে, ধৰ্মকান্ত বুঢ়াগোহাঞিৰ পয়াৰ ছন্দত ৰচিত "গুৱাহাটীৰ বিবৰন" শীৰ্ষক কবিতাত অসমত কোম্পানী—ৰাজৰ বিৱৰণ আছে। ইয়াত ইংৰাজ চাহাবে দুৱাৰ খিৰিকিত আইনা লগাই পকীঘৰ সজাৰ মনোৰম ছবিও অংকিত হৈছে।[১৫] এনেদৰে, *অৰুনোদই*-ৰ কবিতাই মানুহৰ ঐহিক জীৱনৰ প্ৰতিফলন ঘটাই অসমীয়া কবিতাক আধুনিকতাৰ দুৱাৰদলিত থিয় কৰালে।

অসমত আহোম ৰাজত্বৰ সময়ত মাটিৰ ওপৰত কাৰো ব্যক্তিগত মালিকীস্বত্ব নাছিল। প্ৰজাই ৰজাঘৰত গা-খাটি দিয়া পাইক প্ৰথাৰ প্ৰচলন আছিল। সেই হেতুকে, কৃষি-ক্ষেত্ৰত কৃষক-সমাজে ভালেখিনি স্বাধীনতা ভোগ কৰিবলৈ পাইছিল। বৃটিছসকলে এই ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধি মাটিৰ ওপৰত খাজনা লগালে। মুদ্ৰা-অৰ্থনীতিৰ সৈতে পৰিচয় নথকা অসমীয়া প্ৰজা এই নতুন ব্যৱস্থাত গভীৰ সংকটত পৰিল। ইয়াৰ ফলস্বৰূপে, অসমৰ বিভিন্ন প্ৰান্তত 'ৰাইজ মেল' গঠিত হ'ল। নামনি অসমত, —বিশেষকৈ দৰং আৰু কামৰূপত ইয়াৰ জৰিয়তে সশস্ত্ৰ বিদ্ৰোহো সংঘটিত হয়। ফুলগুৰিৰ ধেৱা (১৮৬১), পথৰুঘাটৰ ৰণ (১৮৯৪) এনে বিদ্ৰোহৰে পৰিণতি। কিন্তু ৰাজনৈতিক চেতনাৰ অভাৱ, উপযুক্ত নেতৃত্বৰ অভাৱ, মধ্যবিত্ত শ্ৰেণীৰ সুবিধাবাদী মানসিকতা ইত্যাদিৰ বাবে এনে বিদ্ৰোহে বৃটিছৰ বিৰুদ্ধে কোনো স্থায়ী প্ৰতিৰোধ গঢ়ি তুলিব নোৱাৰিলে।[১৬] উদাহৰণ স্বৰূপে, তৎকালীনভাৱে ইউৰোপৰ বাতৰি কাকতসমূহত পথৰুঘাটৰ ৰণত বৃটিছে লোৱা স্থিতিৰ যথেষ্ট সমালোচনা হৈছিল যদিও, অসমীয়া ভাষা-সাহিত্যৰ হকে অহোপুৰুষাৰ্থ কৰা অসমীয়া ছাত্ৰসকলে কিন্তু এই বিষয়ে ক'তো প্ৰচাৰ কৰাৰ প্ৰমাণ পাবলৈ নাই।[১৭]

---

১৩. Nagen Saikia, *Background of Modern Assamese Literature*, p.181

১৪. অতি মন্দ বস্তু কানি
জি খাই বৰ অগিয়ানি
সঞ্চিত বস্তু তাৰ হই হানি,
মুখে কই কটু বানি।
—মহেশ্বৰ নেওগ (সম্পা), *অৰুনোদই*, পৃঃ ৬

১৫. বিৰিঞ্চি কুমাৰ বৰুৱা (সংক), *অৰুনোদইৰ ধলফাট*, পৃঃ ৭৯-৮৪

১৬. হীৰেন গোহাঁই, *সাহিত্য আৰু চেতনা*, পৃঃ ৩৪; শশী শৰ্মা, *সাহিত্যত বিৱৰ্তন*, পৃঃ ১৬৬

১৭. Nagen Saikia, Ibid, pp. 79-80

সেই সময়ত অসমীয়া মধ্যবিত্তৰ জীৱন-যাত্রা আৰু চিন্তাধাৰাৰ নিৰ্ণয়কাৰী আছিল মৌজাদাৰ আৰু চাকৰিজীৱী শ্ৰেণী দুটা। মৌজাদাৰসকলৰ গাত ৰাজ-ভক্তিৰ সোতৰ অনাই বিদ্যমান আছিল।[১৮] আনহাতে, যোগ্যতা থাকক বা নাথাকক, সেই সময়ত বৃত্তিসমূহ এক পুৰুষৰ পৰা আন এক পুৰুষলৈ হস্তান্তৰিত হৈছিল। এনেদৰে বৃটিছসকলে কোম্পানীৰ দাস শ্ৰেণী এটাৰ সৃষ্টি কৰি লৈছিল আৰু ই শাসনৰ বাঘজৰী কটকটীয়া হোৱাত সহায় কৰিছিল।[১৯]

বৃটিছ সাম্রাজ্যবাদৰ শাসন-নীতি যিয়েই নহওক, এই কথা অনস্বীকাৰ্য যে নিজৰ বাণিজ্যিক স্বাৰ্থৰ খাতিৰত পৰোক্ষভাৱে তেওঁলোকে অসমৰ কেতবোৰ দিশৰ উন্নতি সাধন কৰিলে। আটাইতকৈ ডাঙৰ কথা, এই শাসনৰ ফলত অসমীয়া মানুহৰ মাজত ইউৰোপীয় বৈজ্ঞানিক মানসিকতাৰ বীজ ৰোপিত হ'ল। অৱশ্যে, অসমৰ অপুদ্‌ঘাটিত বিপুল সম্পদৰাজিৰ লুণ্ঠনো একে সময়তে ই সহজ কৰি তুলিলে।

ঊনবিংশ শতাব্দীৰ শেষৰ ফালে সমগ্ৰ এচিয়া মহাদেশ জুৰি পৰিব্যাপ্ত হৈ পৰা ইউৰোপীয় নৱজাগৰণৰ ঢৌৱে অসমীয়া সাহিত্য-জগতকো আলোড়িত কৰে। ঘাইকৈ কবিতাৰ মাধ্যমেৰে পৰিপুষ্টি লাভ কৰা এই আন্দোলনৰ ধ্যান-ধাৰণা অষ্টাদশ শতিকাত ইংলণ্ডত হোৱা ৰোমান্টিক নৱজাগৰণৰ প্ৰতিধ্বনি। ইয়াৰ মাজেৰে ধ্বনিত হ'ল— ৰাজনৈতিক নিৰ্ভৰশীলতা; সামাজিক অন্যায়, ধৰ্মীয় বিভেদৰ বিপৰীতে ব্যক্তি স্বাতন্ত্ৰ্যৰ মৰ্যাদা আৰু জাতীয় ঐক্য-সংহতি স্থাপনৰ বলিষ্ঠ সুৰ।[২০] মুঠতে, এই কথা স্বীকাৰ্য, যে আধুনিক অসমীয়া কবিতা সৃষ্টিৰ ঘাই কাৰক হ'ল, — ইউৰোপীয় নৱজাগৰণৰ পৰা উদ্ভূত সাহিত্যিক ভাবাদৰ্শ। অসমৰ মাটিত প্ৰোথিত হৈছিল বাবে ইয়াৰ মাজেৰে মাথোঁ স্থানীয় বৈশিষ্ট্যৰ প্ৰতিফলন ঘটিছে।[২১]

অসমীয়া সাহিত্যত ৰোমান্টিক ভাবধাৰাৰ প্ৰকাশ সম্ভৱ হৈ উঠে কলিকতাত পঢ়ি থকা ছাত্ৰ-সমাজৰ সংগঠন 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা'-ৰ (১৮৮৮) মুখপত্ৰ *জোনাকী* (১৮৮৯) কাকতৰ মাধ্যমেদি। অসমীয়া ভাষা-সাহিত্যৰ সৰ্বাঙ্গীন উন্নতিৰ উদ্দেশ্যে প্ৰকাশিত এই কাকতখনক আধুনিক অসমীয়া সাহিত্যৰ জন্মদাতৃ আখ্যা দিব পাৰি। ইয়াৰ প্ৰথম সংখ্যাতে অসমীয়া ৰোমান্টিক কাব্যধাৰাৰ প্ৰথমটো কবিতা প্ৰকাশিত হয়।

*জোনাকী*-য়ে পাশ্চাত্য চিন্তাৰ ভেঁটা ভাঙি দিয়াৰ লগে লগে অসমীয়া কাব্য-জগত পাশ্চাত্য প্ৰভাৱৰ উন্মুক্ত ক্ষেত্ৰ হৈ পৰে। কবিতাৰ ভাব আৰু ভঙ্গিমা উভয় দিশতে এই কথা লক্ষ্য কৰা যায়। এইবোৰত গভীৰ মানৱ-প্ৰেম, দেশপ্ৰেম আৰু প্ৰকৃতি-প্ৰেমৰ চিত্ৰণৰ লগে লগে সমান্তৰালভাৱে মননশীলতাৰো

---

১৮. অতুলচন্দ্ৰ হাজৰিকা আৰু অন্যান্য (সম্পা), *বেজবৰুৱা গ্ৰন্থাৱলী*, ২য় খণ্ড( ভেমপুৰীয়া মৌজাদাৰ), পৃঃ ৬৫৪

১৯. চন্দ্ৰপ্ৰসাদ শইকীয়া (সম্পা), *কৃষ্ণ শৰ্মাৰ ডায়েৰী*, পৃঃ ৬৭

২০. Birinchi Kumar Barua, *History of Assamese Literature*, p.110

২১. সত্যেন্দ্ৰনাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃঃ ২৮১

কছৰৎ চলিল। এনেদৰে, অসমীয়া কবিতাৰ ভাব-ভঙ্গী নৱবৈষ্ণৱ পৰম্পৰাৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰিল।

এই সময়ৰ অসমীয়া কবিকুল ঘাইকৈ জাতীয় চেতনাৰ দ্বাৰা উদ্বুদ্ধ। তেওঁলোকে সমাজৰ বুকুৰ পৰা পঙ্কিলতা আঁতৰাই তাক নতুন ৰূপ দিয়াৰ সম্ভাৱনা দেখিলে। পুনৰ শুনা গ'ল,— লোকগীতৰ হেৰোৱা সুৰৰ মূৰ্চ্ছনা।[২২] অসম মাতৃৰ মনোৰম ৰূপৰ বৰ্ণনাৰ মাজেৰে প্ৰতিফলিত হ'ল গভীৰ স্বদেশানুৰাগ।[২৩] সৰ্বভাৰতীয় পটভূমিত ভৱিষ্যত অসমত ফৰাচী বিপ্লৱৰ (১৭৮৯) সাম্য-মৈত্ৰী-স্বাধীনতাৰ বাণীৰ প্ৰতিফলনৰ স্বপ্ন দেখিলে; মেটচিনি, গেৰিবল্ডি-ৰ আদৰ্শেৰে গঢ় দিয়া নতুন অসমৰ ৰূপ কল্পনা কৰিলে।[২৪]

*জোনাকী*-ৰ মাজেদি যি জাতীয়তাবাদ প্ৰকাশিত হৈছিল, সি একান্তভাৱে অসমীয়া; কিন্তু, তাৰ অন্তৰ্নিহিত মানৱতাবোধ বিশ্বজনীন। অসমীয়া জাতিয়ে নিজৰ মাত কথা, নিজৰ গৌৰৱময় ঐতিহ্যৰ প্ৰতি আওকণীয়া মনোভাব দেখুওৱা হেতুকে বুৰঞ্জীয়ে ঢুকি পোৱালৈকে পূৰ্বসুৰীসকলৰ আদৰ্শ আৰু সৎকৰ্মৰ উল্লেখেৰে জনসাধাৰণৰ চেতনা জাগ্ৰত কৰিবলৈ সংশ্লিষ্টসকলে আপ্ৰাণ চেষ্টা চলাইছিল।[২৫]

ৰোমান্টিক ভাবাদৰ্শৰ দ্বাৰা প্ৰভাৱপুষ্ট এই যুগটো আছিল ঘাইকৈ গীতি-কবিতাৰ যুগ। ইংৰাজী আৰু বাংলা সাহিত্যৰ মাজেৰে অসমলৈ অহা এই আন্দোলনটোৰ প্ৰধান হোতা আছিল চন্দ্ৰকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৮)। তেওঁৰ সৈতে নেতৃস্থানত আছিল আন দুজন ব্যক্তি — লক্ষ্মীনাথ বেজবৰুৱা (১৮৬৪-১৯৩৮) আৰু হেমচন্দ্ৰ গোস্বামী (১৮৭২-১৯২৮)। মুঠতে প্ৰকৃতি-প্ৰেম, স্বদেশ-প্ৰেম, জাতীয় মুক্তিৰ বাবে দিয়া আহ্বান, প্ৰগতিশীল মূল্যবোধ আদিয়েই আছিল এই যুগৰ কাব্য-কলাৰ ঘাই বৈশিষ্ট্য।

১৯০১ চনৰ ১৭ মে তাৰিখে প্ৰথমখন মহাবিদ্যালয়ৰ (কটন কলেজ) স্থাপনে অসমৰ বৌদ্ধিক আৰু সাংস্কৃতিক জগতলৈ বিশেষ পৰিৱৰ্তন কঢ়িয়াই আনে। সেইটো বছৰতে *জোনাকী*-ৰ কাম-কাজ কলিকতাৰ পৰা গুৱাহাটীলৈ স্থানান্তৰিত হয়। ফলত, ঘৰুৱা পৰিৱেশত সাহিত্য-চৰ্চাৰ নতুন পথ মুকলি হয়।

অসমৰ আৰ্থ-সামাজিক উন্নতিৰ লক্ষ্যেৰে সমসাময়িকভাৱে আন কিছুমান অৰাজনৈতিক সংগঠনৰো জন্ম হৈছিল। এইবোৰৰ ভিতৰত জগন্নাথ বৰুৱাৰ উদ্যোগত হোৱা 'যোৰহাট সাৰ্বজনিক সভা' (১৮৭১-১৯৪৬), মাণিক চন্দ্ৰ বৰুৱাৰ নেতৃত্বত প্ৰতিষ্ঠিত 'আসাম এছোছিয়েশ্যন' (১৯০৩-১৯১৯), দেশপ্ৰাণ ছাত্ৰ-সমাজৰ প্ৰেৰণাৰ উৎস 'অসম ছাত্ৰ সন্মিলন' (১৯১৭) আদিৰ নাম উল্লেখযোগ্য। সাহিত্যৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত নহ'লেও এইবোৰ সংগঠনৰ ভাব আৰু আদৰ্শই তৎকালীন সাহিত্যক বিভিন্ন প্ৰকাৰে প্ৰভাৱিত কৰিছিল।

সি যি কি নহওক, *জোনাকী*-য়ে কঢ়িয়াই অনা ৰোমান্টিক ভাবাদৰ্শৰ অনুপ্ৰেৰণাৰে কবিতা ৰচনাত হাত দিয়া কবিকুলৰ ভিতৰত নলিনীবালা দেৱীৰ (১৮৯৮-১৯৭৭) কবিতাত ৰবীন্দ্ৰনাথৰ প্ৰতিধ্বনি

---

২২. অতুলচন্দ্ৰ হাজৰিকা আৰু অন্যান্য (সম্পা), পূৰ্বোক্ত গ্ৰন্থ (ধনবৰ আৰু ৰতনী), পৃঃ ৯৭৯-৯৮০

২৩. প্ৰাগুক্ত গ্ৰন্থ (বীণ ব'ৰাগী), পৃঃ ৯৭৭-৯৮৯

২৪. প্ৰফুল্লদত্ত গোস্বামী (সম্পা), *কমলাকান্ত ভট্টাচাৰ্য ৰচনাৱলী* (পাহৰণি), পৃঃ ৩১৬-৩১৯

২৫. প্ৰাগুক্ত গ্ৰন্থ (পাগলৰ বৃত্তান্ত), পৃঃ ১৬৫-১৭১

শুনিবলৈ পোৱা যায়। ৰহস্যবাদ এওঁৰ কবিতাৰ ঘাই উপজীৱ্য। ৰবীন্দ্ৰ-প্ৰভাৱেৰে কাব্য-জগতত নিগাজী আসন দখল কৰা আন এগৰাকী কবি হ'ল—ৰত্নকান্ত বৰকাকতি (১৮৯৭-১৯৭৩)। ৰঘুনাথ চৌধাৰীয়ে (১৮৭৯-১৯৬৮) বাচি লয় প্ৰকৃতিৰ মনোৰম জগতখন। তাৰ লগে লগে মানৱতাবাদেও তেওঁৰ কবিতাক প্ৰভাৱিত কৰে। যতীন্দ্ৰনাথ দুৱৰাৰ (১৮৯২-১৯৬৪) কবিতাৰ মূল সুৰ হ'ল—প্ৰেমানুভূতি। এই আটাইবোৰকে বিদেশী সংস্কৃতি, ঔপনিৱেশিকতা আৰু সমকালীন অসমৰ পটভূমিৰ পৰিণতি বুলিব পাৰি। এই পটভূমিয়ে অসমীয়া কবিৰ হৃদয়ত মহত্ত্ববোধৰ প্ৰেৰণা অথবা সংকট,— কোনোটোৰে সৃষ্টিত সহায় কৰা নাছিল। বৰং ইয়াৰ বিপৰীতে সৃষ্টি হৈছিল, গভীৰ নিৰাশা আৰু বিষাদবোধৰ। তাৰ মাজেদিয়ে জাগ্ৰত হৈছিল স্বদেশ স্বজাতিৰ মঙ্গলৰ চিন্তা। বহু সময়ত এই চিন্তা ক্ষোভ নাইবা প্ৰতিবাদৰূপেও নিনাদিত হোৱা দেখা যায়। জ্যোতিপ্ৰসাদ আগৰৱালা (১৯০৩-১৯৫১) আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ কবিতাত এনে ক্ষোভ তথা প্ৰতিবাদৰ সুৰ অতি স্পষ্ট। এইসকল কবিৰ উপৰি পাৰ্বতীপ্ৰসাদ বৰুৱাৰ (১৯০৪-১৯৬৪) অপাৰ্থিৱ সৌন্দৰ্যৰ আকুতি, ডিম্বেশ্বৰ নেওগৰ (১৯০০-১৯৬৬) গভীৰ অসম-প্ৰীতি, বিনন্দ চন্দ্ৰ বৰুৱাৰ (১৯০৫-১৯৯৪) স্বদেশপ্ৰেম— এই সকলোবোৰ ৰোমাণ্টিক কাব্যাদৰ্শৰে লহপহীয়া ফচল।

বিদেশী ভাবধাৰাৰে পৰিপুষ্ট হ'লেও, এই সময়ৰ কবিকুলৰ স্বদেশ আৰু স্বজাতিৰ সৈতে, মানুহৰ অন্তৰাত্মাৰ সৈতে নিবিড় সংযোগ লক্ষ্য কৰা যায়। ব্যক্তিসত্তাৰ মুক্তিৰ বাণী, মানৱীয় মৰ্যাদাৰ প্ৰতিষ্ঠা ইত্যাদি মহৎ আদৰ্শৰে এওঁলোকৰ সৃষ্টি অতিশয় উজ্জীৱিত। চন্দ্ৰকুমাৰ আগৰৱালাই শাৰীৰিকভাৱে নোৱাৰিলেও মানসিকভাৱে সামাজিক বৈষম্য আঁতৰ কৰি সাত সমুদ্ৰৰ জলেৰে পাপ-পংকিলতা বিধৌত কৰাৰ আকাংক্ষা প্ৰকাশ কৰা দেখা যায়।

ৰোমাণ্টিক আদৰ্শৰ ইন্দ্ৰিয়াতীত জগতখনৰ সৈতে এটা সময়ত অসমীয়া কবিমনৰ বিচ্ছেদ ঘটিল আৰু তাৰ ঠাইত ঐহিক জগতৰ সৈতে তেওঁলোকৰ সম্পৰ্ক স্থাপিত হ'বলৈ আৰম্ভ কৰিলে। ইন্দ্ৰিয়াতীত প্ৰেমৰ ঠাইত ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমানুভূতিৰ পৰশেৰে অসমীয়া কাব্য-জগতত এই নতুন ধাৰাৰ সূচনা কৰে কবি দেৱকান্ত বৰুৱাই (১৯১৪-১৯৯৬)।[২৬]

বিশ্ব-ইতিহাসত সমাজতান্ত্ৰিক চোভিয়েট ৰুচিয়াৰ উথ্থান এটি লেখত ল'বলগীয়া পৰিঘটনা। ইয়াৰ আদৰ্শই মানুহক জীৱন আৰু জগত সম্বন্ধে নতুন দৃষ্টিভঙ্গী ল'বলৈ শিক্ষা দিলে। সৰ্বভাৰতীয় জাতীয় চেতনাৰ মাজেদি এনে আদৰ্শই অসমীয়া কবিকুলৰ চিন্তা-ধাৰাতো প্ৰবল জোকাৰণি তোলে। ১৯২০ চনত প্ৰতিষ্ঠিত ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ মতাদৰ্শই অসমীয়া কবিকুলক প্ৰগতিশীল ধ্যান-ধাৰণাৰ প্ৰতি আকৃষ্ট কৰিলে। আৰম্ভ হ'ল—বুধুৱা কাইৰ হাড়ৰ' সাৰেৰে লহপহীয়া হোৱা চাহ গছৰ মাজত লুকাই থকা 'গিৰমিটিয়া বনুৱাৰ ৰঙা তেজৰ সন্ধান'।[২৭] স্বাধীনতাৰ স্বপ্নেৰে উদ্বেলিত ৰাষ্ট্ৰীয় চেতনাৰ লগে লগে প্ৰথম মহাযুদ্ধৰ বুকুৰে বগুৱাবাই এই সময়ৰ কাব্যিক চিন্তাই এক আন্তৰ্জাতিক আয়তনো লাভ কৰিলে।

---

২৬. মহেন্দ্ৰ বৰা (সম্পা), *নতুন কবিতা* (অৱতৰণিকা), পৃঃ ১১

২৭. প্ৰাগুক্ত গ্ৰন্থ (অমলেন্দু গুহ, বাগিচাত দেওবাৰ), পৃঃ ৭০-৭২

আধুনিক অসমীয়া কবিতাৰ শেহতীয়া ধাৰাটোৰ সূচনা হৈছিল যুদ্ধজনিত তিক্ততা আৰু বিয়াল্লিশৰ গণ-বিপ্লৱৰ বিফলতাৰ পটভূমিত। ইংৰাজ চৰকাৰৰ দমন-নীতিৰ কঠোৰতাই জনসাধাৰণৰ নৈতিক বল বহুলাংশে লাঘৱ কৰাত পূৰ্বৰ বৈপ্লৱিক প্ৰতিশ্ৰুতি স্তিমিত হৈ আহিল।[২৮] ইয়াৰ ফলত কবিসকলে বিষাদ আৰু হতাশাৰ কোলাত আশ্ৰয় গ্ৰহণ কৰিলে।[২৯]

*অৰুনোদই*-ৰ সময়ৰে পৰা অসমীয়া কবিতাই আলোচনীৰ পাতৰ মাধ্যমেৰেই আধুনিকতাৰ সংবাদ দিছিল। চল্লিশৰ দশকত পুনৰ আলোচনীৰ পাততে ৰোমান্টিক ধ্যান-ধাৰণা আঁতৰাই অসমীয়া কবিতাই বাস্তৱ-সাজ পৰিধান কৰিলে। এইবাৰ মুখ্য ভূমিকাত অৱতীৰ্ণ হ'ল *জয়ন্তী* (১৯৩৬)। এই কাকতখনে তত্ত্বগত চেতনাৰ পৰা উদ্ভূত প্ৰত্যয়েৰে ৰোমান্টিক ধ্যান-ধাৰণাৰ প্ৰত্যাহ্বান জনাইছিল।

এনেদৰে, অসমীয়া কাব্য-জগতত প্ৰগতিশীল চিন্তাধাৰাৰ আমদানি ঘটে। অৱশ্যে এই কথা স্বীকাৰ্য যে সমাজ পৰিৱৰ্তনৰ বলিষ্ঠ চিন্তাৰে এই যুগৰ কবিসকলে ৰূঢ় বাস্তৱৰ পৰা বিষয়বস্তু আহৰণ কৰিলেও, তাৰ নান্দনিক ৰূপ প্ৰদানত তেওঁলোকে সম্পূৰ্ণ সফলতা লাভ কৰিব নোৱাৰিলে। এই ভাবধাৰাৰ প্ৰধান হোতা কবি অমূল্য বৰুৱাৰ "কুকুৰ" "আন্ধাৰৰ হাঁহাকাৰ" ভবানন্দ দত্তৰ "ৰাজপথ" আদি কবিতাত বক্তব্যৰ বলিষ্ঠতা লক্ষ্যণীয়। এইবোৰৰ মাজত ইতিহাস - চেতনাৰ স্বাক্ষৰো ষোল অনাই বিদ্যমান। কিন্তু গাঁথনিক দিশৰ দুৰ্বলতাই এইবোৰৰ নান্দনিক মূল্য অনিশ্চিত কৰি তুলিছে।

বিয়াল্লিশৰ গণ - আন্দোলনে অসমত ঠায়ে ঠায়ে সহিংস ৰূপ লোৱাত বৃটিছ শাসকৱৰ্গই ইয়াৰ দমনৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰে। এনে সময়তে সুভাষ চন্দ্ৰ বসুৰ আজাদ হিন্দ ফৌজে অসমৰ পূব সীমান্তই দি বৃটিছ বাহিনীৰ সৈতে যুদ্ধত লিপ্ত হয়। ১৯৪৩ চনত বঙ্গদেশত হোৱা দুৰ্ভিক্ষই অসমৰ বজাৰতো অনিবাৰ্য প্ৰভাৱ পেলায়। সৰ্বোপৰি ছাদুল্লাৰ নতুন ভূমি-ব্যৱস্থা আৰু প্ৰব্ৰজন-নীতিয়ে অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত যথেষ্ট জটিলতাৰ সৃষ্টি কৰে।[৩০] অসমীয়া কবিতাত তৎকালীন সমাজ-জীৱনৰ এনে সংকটকালৰ বাস্তৱ ছবি প্ৰতিফলিত হোৱা দেখা যায়।

জাপানৰ নৌ বিদ্ৰোহ, হিৰোছিমা নাগাচাকিৰ হাঁহাকাৰ, দেশৰ বুকুত সাম্প্ৰদায়িক সংঘৰ্ষ, গোড়া সৈনিকৰ টিঘিলঘিলনি আৰু অৱশেষত সাতচল্লিশৰ স্বাধীনতাই অনা আশাৰ ৰেঙণি— এই ঐতিহাসিক পৰিঘটনাসমূহে অসমীয়া কাব্য-জগতত এক বিৰাট পৰিৱৰ্তনৰ সূচনা কৰে। মহেশ্বৰ নেওগৰ ভাষাত, যুদ্ধোত্তৰ অসমীয়া কবিতা আৰু এটা কেঁকুৰি ঘূৰি আহিল।পাশ্চাত্য কবিৰ দৃষ্টিৰ বাতায়নেদি প্ৰাচীন ভাৰতীয়, চৈনিক, জাপানী, আৰবী আদি কাব্যৰ সৌৰভ আহৰণৰ মাজেদি অসমীয়া কবিতাৰ মুকুৰত বিশ্বৰূপ দৰ্শন সম্ভৱ হৈছে।[৩১] অৱশ্যে, এই পৰিৱৰ্তনৰ অংকুৰণ এদিনতে হোৱা নাছিল, পূৰ্বৱৰ্তী

---

২৮. মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, পৃঃ. ৩২০

২৯. ভবানন্দ দত্ত, *অসমীয়া কবিতাৰ কাহিনী*, পৃঃ ৭৯

৩০. হোমেন বৰগোহাঞি (সম্পা), *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, ষষ্ঠ খণ্ড (কবীন ফুকন, চল্লিছৰ দশকৰ অসমীয়া সাহিত্য ঃ সামাজিক আৰু বৌদ্ধিক পটভূমি ), পৃঃ ২৩-২৪

৩১. মহেশ্বৰ নেওগ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩২৩

ৰোমান্টিক কবিতাৰ বুকুতে ইয়াৰ বীজ ৰোপিত হৈছিল। ক্রমাৎ অচল হৈ অহা পুৰণি সমাজ-ব্যৱস্থা আৰু আধুনিক অব্যৱস্থা,—দুয়োটাৰে বিৰোধিতা কৰিবলৈ গৈ সেই সময়ৰ কবিকুলে যি নতুন মূল্যবোধৰ পোষকতা কৰিছিল, সি পূৰামাত্রাই সফল নহ'লেও, তেওঁলোকৰ সৃষ্টিয়ে উত্তৰসূৰীসকলক এখন সাৰুৱা ক্ষেত্র দি থৈ গ'ল। আদৰ্শৰ দিশত এই নতুন কবি সকল দুটা দলত বিভক্ত ঃ এটা দলত থাকিল সামাজিক দায়িত্ববোধৰ সংকেত আৰু আনটো দলত পোৱা গ'ল বিস্ফোৰণৰ ধুমুহা। মুঠতে যুদ্ধোত্তৰ যুগৰ কবিতা প্রকৃতিগতভাৱে কিছু সুকীয়া ধৰণৰ হ'ল।[৩২] এই নতুন মূল্যবোধৰ সৃষ্টি আৰু দৃষ্টিভঙ্গী তথা ৰুচিৰ পৰিৱৰ্তন যে সমাজ বিৱৰ্তনৰে পৰিণতি, তাক কোৱা বাহুল্য মাথোন। আধুনিক অসমীয়া কবিতাৰ সামগ্রিক ৰূপটোলৈ লক্ষ্য কৰিলে দেখা যায়, প্রতিজন কবিয়ে আন্তৰিক সততাৰে সচেতনভাৱে চৌপাশৰ অধঃপতিত জীৱনৰ গুণগত বিকাশৰ বাবে আপ্রাণ চেষ্টা কৰিছে। সময়ৰ জটিল আৱৰ্তনত কবিকুলৰ জীৱনবোধৰ ওপৰতে নিৰ্ভৰ কৰিছে কবিতাৰ ভৱিষ্যত। স্বদেশী আন্দোলন আৰু স্বাধীনতাৰ স্পৃহাকে আধুনিক অসমীয়া কবিতাৰ একমাত্র ঐতিহাসিক পেক্ষাপট বুলিবও নোৱাৰি; বৰং ই সমগ্র বিশ্ব-মানৱৰ অৰ্থনৈতিক মুক্তিৰ পটভূমিতহে থিয় হৈ আছে। গণ-মানসৰ সচেতন প্রতিফলন ঘটাব পাৰিলে নতুন ধাৰাই অধিক সাৰ্থকতা লাভ কৰিব বুলি নিশ্চয় পতিয়ন যাব পাৰি। জাতি বিশেষৰ সাংস্কৃতিক সৌধ যিমান দূৰলৈ বিস্তৃত হয়, সামাজিক সংগঠনসমূহো সিমান দূৰলৈহে আগবাঢ়িব পাৰে।[৩৩] অসমীয়া কবিতাৰ ক্ষেত্রতো এই কথা প্রযোজ্য। ঐতিহাসিক প্রেক্ষাপট অনুসাৰে যে ইয়াৰো বিস্তৃতি ঘটিছে, সেয়া অনস্বীকাৰ্য।

---

৩২. প্রাগুক্ত গ্রন্থ, পৃঃ ৩১৯

৩৩. Christopher caudwell, *Further Studies in a Dying Culture* (Men and Nature), p. 97

6328

# দ্বিতীয় অধ্যায়

## আধুনিক বাংলা কবিতাৰ পটভূমি

কবিতা কবিৰ গভীৰ অনুভৱৰ শিল্পীত প্ৰকাশ। দেশ কালৰ পটভূমি কবিৰ ভাব-মণ্ডলৰ ধাৰক আৰু বাহক। একো একোগৰাকী কবিৰ পিছফালে লুকাই থকা সমাজ-বুনিয়াদৰ পৰিৱৰ্তনে তেওঁৰ চিন্তা-জগতৰো বৈপ্লৱিক পৰিৱৰ্তন ঘটায়। গতিকে ক'বলৈ অসুবিধা নহয়, যে একোখন দেশ তথা একোটাহঁত জাতিৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ব্যৱস্থাপনাৰ পটভূমিত গঢ় লৈ উঠা চিন্তা-জগতৰ পৰিৱৰ্তনৰ ইতিকথাই কবিতাৰ ইতিহাস। বাংলা কাব্য-পৰিক্ৰমা স্বাভাৱিক কাৰণতে ইয়াৰ ব্যতিক্ৰম নহয়।

অন্যান্য ভাষাৰ কবিতাৰ ইতিহাসৰ দৰে বাংলা কবিতাৰ ইতিহাস প্ৰণয়নতো কিছু মতবিৰোধ লক্ষ্য কৰা যায়। সেয়ে হ'লেও, বাংলা ভাষা-সাহিত্যৰ ইতিহাস প্ৰণেতাসকলৰ অধিকাংশ এটা বিষয়ত একমত, যে ইয়াৰ ইতিহাস আৰম্ভ হৈছে খৃষ্টীয় দশম শতিকাৰ পৰা।[১] তেতিয়াৰে পৰা বৰ্তমান পৰ্যন্ত ইয়াৰ বিভিন্ন অঙ্গ-প্ৰত্যঙ্গত যুগ-সাপেক্ষ ৰং তুলিকাৰ পৰশ লাগিছে।

বাংলা কবিতাৰ প্ৰাচীন ভাগটো আছিল ৰাজকীয় পৃষ্ঠপোষকতাৰে ধন্য। তদুপৰি, ইয়াৰ বিষয়বস্তু আছিল ধৰ্মীয় অনুভূতিৰে সিক্ত। গতিকে, সেই সময়ৰ কবিতাত ব্যক্তিগত অনুভূতিৰ দিশটো প্ৰায়ে উপেক্ষিত হৈছিল।

অন্যান্য ভাৰতীয় সাহিত্যৰ দৰে বাংলা সাহিত্যৰ আধুনিক যুগটোৰ সূচনা হৈছিল—ঊনবিংশ শতাব্দীত। ইউৰোপ মহাদেশত শিল্প-বিপ্লৱৰ মাধ্যমেৰে সুপ্ৰতিষ্ঠিত হৈ পৰা ৰেণেছাঁ বা নৱজাগৰণৰ ঢৌৱে বিশ্বৰ অন্যান্য সাহিত্যৰ দৰে বাংলা সাহিত্যকো প্ৰভাৱিত কৰিছিল। গতিকে, বাংলা কবিতাৰো আধুনিক যুগটোৰ সূচনা মূলতঃ ইউৰোপীয় অনুপ্ৰেৰণাৰ সোণালী ফচল বুলিব পাৰি। ৰেণেছাঁৰ মাজত আছিল মানুহৰ মুক্তিৰ সম্বাদ। বাংলা সাহিত্যৰ প্ৰসিদ্ধ আলোচক অন্নদাশংকৰ ৰায়ৰ নিম্নোল্লিখিত মন্তব্যটি এই প্ৰসঙ্গত প্ৰণিধানযোগ্য ঃ

> ৰেনেসাঁস এসেছিল মানুষকে সৰ্বদেশে, সৰ্বপ্ৰকাৰে মুক্ত কৰতে— শাস্ত্ৰেৰ হাত থেকে, দেবতাৰ হাত থেকে, গুৰুৰ হাত থেকে, পুৰোহিতেৰ হাত থেকে, ৰাজাৰ হাত থেকে, সামন্তেৰ হাত থেকে, কুসংস্কাৰেৰ হাত থেকে, কুপ্ৰথাৰ হাত থেকে, অসাম্যেৰ হাত থেকে। এক দিনে বা এক শতাব্দীতে নয়। ধাপে ধাপে। সা বিদ্যা যা বিমুক্তয়ে। সেই হচ্ছে বিদ্যা যা মুক্তি দেয়।[২]

---

১. "...তবে মাগধী অপভ্ৰংশ থেকেই বাংলা ভাষাৰ জন্ম হ'ল খৃষ্টীয় দশম শতাব্দীতে, বা তাৰও কিছু আগে"। — অসিত কুমাৰ চট্টোপাধ্যায়, *বাংলা সাহিত্যেৰ সম্পূৰ্ণ ইতিবৃত্ত*, পৃ. ১৫; "ড° মহম্মদ শহীদুল্লাহ প্ৰভৃতি পণ্ডিতেৰা মনে কৰেন, এৰ ৰচনাকাল দশম-দ্বাদশ শতাব্দীৰ মধ্যেই হওৱা সম্ভৱ"।- —প্ৰাগুক্ত, পৃঃ ২২

২. অন্নদাশংকৰ ৰায়, *বাংলাৰ ৰেনেসাঁস*, পৃঃ ৪৯

এনে মুক্তিৰ-বাণীয়ে বাংলাৰ কবিমনক নতুন সঞ্জীৱনী দান কৰিলে। নতুন দৃষ্টিভঙ্গীসমৃদ্ধ ইউৰোপীয় ধ্যান-ধাৰণাই বাংলা কবিতাৰ আটাইবোৰ দিশৰ পৰিৱৰ্তন সাধন কৰিলে। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰেও আধুনিক বাংলা কবিতাৰ উদ্ভৱ ইউৰোপীয় সাহিত্যৰ অনুপ্ৰেৰণাতে হোৱা বুলি মন্তব্য কৰাটো এই প্ৰসঙ্গত মন কৰিবলগীয়া। তেওঁ লিখিছে ঃ

> যাৰা বাংলা কাব্য-সাহিত্যেৰ ইতিহাস অনুসৰণ কৰছেন তাৰা নিঃসন্দেহ একটী কথা লক্ষ্য কৰে থাকবেন যে, এই সাহিত্য দুই ভাগে সম্পূৰ্ণ বিচ্ছিন্ন। এৰ দুই ধাৰা দুই উৎস থেকে নিঃসৃত। আধুনিক বাংলা কবিতাৰ উৎপত্তি য়ুৰোপীয় সাহিত্যেৰ অনুপ্ৰেৰণায় তাতে সন্দেহ নেই।[৩]

যুগ-চিন্তাৰ এনে পৰিৱৰ্তনৰ ফলত যুগৰ ভাষাই কাব্যৰ ভাষা হৈ পৰিল। এনেদৰে, প্ৰথম বিশ্বযুদ্ধ পৰ্যন্ত আধুনিক বাংলা কবিতাৰ মাজেৰে নিনাদিত হ'ল— পৰাধীনতাৰ বেদনা। দাসত্বৰ শৃঙ্খল ছিঙাৰ প্ৰত্যাশাৰে মাইকেল মধুসূদন দত্তৰ কাপেৰে নিগৰিত হ'ল— অমিত্ৰাক্ষৰ ছন্দেৰে আবদ্ধ , মহাকাব্য ৰামায়ণৰ বিষয়াশ্ৰিত *মেঘনাদ বধ* কাব্য (১৮৬১)। ভাৰতীয় পুৰাণ-উপপুৰাণক নতুন দৃষ্টিভঙ্গীৰে চোৱাৰ এই নতুন প্ৰচেষ্টাক সমসাময়িক বাংলা কবিকুলে স্বাগতম জনালে। ফল স্বৰূপে, দেৱ-বন্দনাৰ পৰিৱৰ্তে কবিতাৰ বুকুত ধ্বনিত হ'ল— নতুন যুগৰ বাণী-বন্দনা। এই প্ৰসঙ্গত এটা কথা অৱশ্য স্বীকাৰ্য, যে সেই সময়ৰ বাংলা কবিসকলে কোনো বিশেষ সাহিত্য-ৰীতিৰ বিৰুদ্ধে বিদ্ৰোহ আচৰণ কৰিবলৈ পাশ্চাত্য চিন্তাধাৰাক আদৰণি জনোৱা নাছিল; বৰং ইয়াৰ সহায়ত তেওঁলোকে নিজ মাতৃভাষাৰ সৃষ্টিৰাজিক নতুন ধ্যান-ধাৰণাৰে উন্নত কৰাৰ সৎ আৰু আন্তৰিক প্ৰচেষ্টাহে চলাইছিল।

ঊনবিংশ শতাব্দীৰ প্ৰথম ভাগত শিক্ষিত বাঙালী সমাজত সাম্ৰাজ্যবাদী বৃটিছ চৰকাৰৰ শোষণৰ স্বৰূপ স্পষ্ট হৈ পৰে । ইয়াৰ ফলত, বঙ্গদেশত জাতীয়তাবাদী চিন্তাৰ উন্মেষ ঘটে। ১৯০৪ চনৰ ১৮ মাৰ্চত বিদেশী শাসকৰ নীচক চক্ৰান্তৰ বিৰুদ্ধে এক তীব্ৰ বিৰোধ সংঘটিত হয়। কিন্তু, বৃটিছ চৰকাৰে তাঁলৈ কেৰেপ নকৰি, বাংলা জাতীয়তাবাদৰ প্ৰতি সামান্যতম সহানুভূতিও নেদেখুৱাই ১৯০৫ চনৰ ৫ জুলাই তাৰিখে বঙ্গদেশক দ্বিখণ্ডিত কৰাৰ প্ৰস্তাৱ লয়। এই অপ্ৰত্যাশিত পৰিঘটনাই এক অতিশয় জটিল আৰু ৰক্তাক্ত পৰিস্থিতিৰ সৃষ্টিত অৰিহণা যোগায়। দেশপ্ৰেমিক বাংলা কবিকুলে এনে পৰিস্থিতিত জন্মভূমিক জননী জ্ঞান কৰি দেশমাতৃকাৰ বন্দনা আৰম্ভ কৰিলে। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাত ইয়াৰ অনেক উদাহৰণ প্ৰত্যক্ষ কৰিব পাৰি। "ভাৰত তীৰ্থ" তাৰেই এক উজ্জ্বল নিদৰ্শন। অৱশেষত, ১৯১১ চনত বৃটিছ চৰকাৰে বঙ্গ বিভাজনৰ আদেশ উঠাই ল'বলৈ বাধ্য হয়।

বঙ্গদেশৰ জাতীয়তাবাদী আন্দোলনৰ কালছোৱাত প্ৰকাশিত কবিতাসমূহত এহাতে যুগ-সচেতনতা আৰু আনহাতে সমকালীন সমাজৰ প্ৰতিচ্ছবি অঙ্কিত হোৱা দেখা যায়। বিশেষকৈ মনোমোহন বসু, হেমচন্দ্ৰ বন্দোপাধ্যায়, দ্বিজেন্দ্ৰলাল ৰায়, দেবেন্দ্ৰনাথ সেন, প্ৰিয়ম্বদা দেবী আদি তৎকালীন কবিৰ কবিতাত এনে চেতনাৰ নিদৰ্শন অতি স্পষ্ট।

---

৩. ৰবীন্দ্ৰনাথ ঠাকুৰ, *বাংলা কাব্য পৰিচয়* (ভূমিকা)

১৯১৪-ৰ পৰা ১৯৪৭ চনৰ মাজৰ সময়ছোৱা সমগ্ৰ বিশ্বৰ বাবে তাৎপৰ্যপূৰ্ণ। এইছোৱা কালতে সমগ্ৰ পৃথিৱী জুৰি ৰাষ্ট্ৰ, সমাজ আৰু তাৰ বুনিয়াদ স্বৰূপ অৰ্থনৈতিক ব্যৱস্থাপনাৰ দ্ৰুত পৰিৱৰ্তন সংঘটিত হয়। ইয়াৰ ফলত ব্যক্তিৰ জীৱন-দৰ্শন আৰু প্ৰচলিত মূল্যবোধৰ প্ৰতি থকা পুৰণি বিশ্বাসৰ ভেঁটিত ঘূণে ধৰে। বিভিন্ন মানৱ-বিদ্যাৰ ঃ যথা,—পদাৰ্থ-বিজ্ঞান, জীৱ-বিজ্ঞান, মনোবিজ্ঞান, নৃতত্ব ইত্যাদিৰ বৈপ্লৱিক পৰিৱৰ্তন ঘটে। ইউৰোপ মহাদেশত আৰম্ভ হোৱা এই পৰিৱৰ্তনৰ ঢৌৱে এটামান দশকৰ অন্তত বাংলা কবি-সাহিত্যিককো স্পৰ্শ কৰে। বাংলা কবিতাৰ উল্লেখযোগ্য আলোচক দীপ্তি ত্ৰিপাঠীৰ মতে, আধুনিক বাংলা কবিতা বিশ্ব-সংস্কৃতিৰ উপাসক। পূব আৰু পশ্চিমৰ সংমিশ্ৰণতে ই গঢ় লৈ উঠিছে। সেয়েহে, ইয়াৰ পটভূমি দুই মহাদেশ জুৰি পৰিব্যাপ্ত।[৪] ইতিহাসৰ গতি-প্ৰৱাহত পৰিৱৰ্তনৰ ভাঁজটোক ১৯১৪ চন বুলি চিহ্নিত কৰা হৈছে যদিও, প্ৰকৃতপক্ষে ইয়াৰ সূচনা তাৰো কিছু আগতেই হৈছিল। প্ৰথম বিশ্বযুদ্ধই এই পৰিৱৰ্তনৰ গতি দ্ৰুততৰ কৰি তোলাৰ বাবেই বাংলা সাহিত্যৰ ইতিহাসত ১৯১৪ চনটোক আধুনিক যুগৰ সীমাৰেখা হিচাপে চিহ্নিত কৰা হৈছে। প্ৰথম বিশ্বযুদ্ধই মানুহৰ গণতান্ত্ৰিক অধিকাৰ সুৰক্ষিত কৰি ৰখাৰ আশ্বাস দিছিল। তদুপৰি, এই যুদ্ধই ভাৰতবৰ্ষৰ বুকুলৈ স্বৰাজ আনিব বুলিও বিশ্বাস জন্মোৱা হৈছিল। গান্ধীজীয়ে ইংৰাজ চৰকাৰৰ বাবে সেই বাবেই সৈন্য সংগ্ৰহৰ তৎপৰতা দেখুৱাইছিল। কিন্তু, অতি সোনকালেই এই আশ্বাস তথা বিশ্বাসৰ মোহভঙ্গ ঘটিল। যুদ্ধৰ ভয়াবহ পৰিণতিয়ে মানৱতাৰ ঠাইত অমানৱীয়তাৰ নগ্ন ৰূপ উদঙাই দেখুৱালে। ৰাজনৈতিক নেতাসকলৰ সুবিধাবাদী চৰিত্ৰ স্পষ্ট হৈ পৰিল। মন্টেগু-চেমচ্‌ফোৰ্ডৰ কৃপণ-সংস্কাৰ পৰিকল্পনা, জালিয়ানৱালাবাগৰ নিৰ্মম নৰমেধ যজ্ঞ, ৰাওলাট আইনৰ প্ৰৱৰ্তন আদি পৰিঘটনাই মানৱতাৰ অপমান স্পষ্টভাৱে তুলি ধৰিলে। এনে অপমানৰ বিৰুদ্ধে গান্ধীজীয়ে দিয়া অসহযোগ আন্দোলনৰ আহ্বানে জাতি-ধৰ্ম, স্ত্ৰী-পুৰুষ নিৰ্বিশেষে সকলোৰে ব্যাপক সমৰ্থন লাভ কৰিলে। ইয়াৰ ফলত সমাজ-জীৱনত ঐক্য-সংহতি ৰক্ষাৰ এক নতুন প্ৰচেষ্টা আৰম্ভ হ'ল। এনে প্ৰচেষ্টাই প্ৰথাগত সামাজিক দৃষ্টিভঙ্গীৰো ভালেখিনি পৰিৱৰ্তন ঘটালে। ভাৰতীয় জীৱনৰ অন্যতম অংশীদাৰ হিচাপে বঙ্গৰ জনসাধাৰণো এই ক্ষেত্ৰত পিছ পৰি নাথাকিল। তেওঁলোকৰ মনতো পৰম্পৰাগতভাৱে চলি অহা সামাজিক দৃষ্টিভঙ্গীৰ এক বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা হ'ল। গান্ধী আহ্বায়িত অহিংস আন্দোলনৰ সমান্তৰালভাৱে এই সময়ত বৃটিছৰ বিৰুদ্ধে সহিংস কাৰ্যকলাপো সংঘটিত হৈ থাকিল। ইতিমধ্যে গান্ধীবাদৰ বিৰুদ্ধে মাৰ্ক্সপন্থী সাম্যবাদীসকলেও প্ৰবল প্ৰতিবাদ কৰিবলৈ আৰম্ভ কৰে। ১৯২৭-২৮ চনৰ দোমোজাত ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ প্ৰতিষ্ঠাই ভাৰতীয় ৰাজনীতিত এক নতুন চিন্তাৰ উন্মেষ ঘটায়। ১৯২৯ চনত মীৰাট ষড়যন্ত্ৰৰ মাজেদি এওঁলোকৰ কাৰ্যকলাপে জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰে। এওঁলোকৰ মতে গান্ধীজীৰ আন্দোলন এক বুৰ্জোৱা আন্দোলন। ইয়াৰ দ্বাৰা সাম্ৰাজ্যবাদ ধ্বংসতো নহয়েই, বৰং ই তাৰ প্ৰতিষ্ঠা অধিক শক্তিশালী কৰিহে তুলিব। স্বাধীনতা অৰ্জনৰ প্ৰকৃত পথ পৰিহাৰ কৰি গ্ৰামোন্নয়ন, কুটিৰ শিল্পৰ বিকাশ তথা চৰখা আন্দোলনৰ প্ৰতি অহেতুক গুৰুত্ব প্ৰদান কৰাটো এওঁলোকৰ মানত বুৰ্জোৱা চাতুৰীৰ বাহিৰে আন একো নহয়।

---

৪. দীপ্তি ত্ৰিপাঠী, *আধুনিক বাংলা কাব্য পৰিচয়*, পৃঃ ১

মাৰ্ক্সপন্থীসকলৰ এই চিন্তা সমসাময়িক বাংলা কবিতাৰ মাজেৰে প্ৰকাশিত হোৱা লক্ষ্য কৰিব পাৰি। সাম্যবাদী চেতনাৰ দ্বাৰা উদ্বুদ্ধ নজৰুল ইছলামৰ কবিতাত এফালে মানৱতাৰ জয়গান আৰু আনফালে শোষণৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদৰ ধ্বনি শুনা যায়। উল্লেখনীয় যে এইগৰাকী বাংলা কবি অত্যন্ত জেদী মনোভাবৰ আছিল। পৰাধীনতা আছিল তেওঁৰ মানত এক অসহনীয় বন্ধন। এই পৰাধীনতাক তেওঁ কেৱল ৰাজনৈতিক পৰাধীনতা বুলি বিশ্বাস কৰা নাছিল। ধৰ্মীয় ভণ্ডামি, জাতিগত বিভেদ, আৰু সকলো প্ৰকাৰৰ সামাজিক অন্যায়ৰ বিৰুদ্ধে সেই বাবেই তেওঁৰ কলম অতিশয় সৰৱ হৈ উঠিছিল। বস্তুতঃ যুগৰ প্ৰয়োজনতে তেওঁ হৈ পৰিছিল 'বৰ্তমানৰ কবি'। ডেৰশ বছৰীয়া সাম্ৰাজ্যবাদী শক্তিৰ শোষণৰ বিৰুদ্ধে তেওঁৰ প্ৰতিবাদ কিমান তীব্ৰ আছি, তাক নিম্নোক্ত কবিতা ফাঁকিয়ে প্ৰমাণ দিয়ে ঃ

কাৰাৰ ঐ লৌহ কপাট
ভেঙে ফেল কৰ ৰে লোপাট
ৰক্তজমাট শিকল-পূজাৰ পাষাণ বেদী
ooo ooo ooo
বন্দী আত্মা কাঁদে কাৰাগাৰে, দ্বাৰ খোল খোল দ্বাৰ!
পৰাধীনতাৰ এই শৃঙ্খল খুলে দাও, খুলে দাও।( নবাগত উৎপাত )

ইয়াৰ উপৰি, নিজৰ অধিকাৰ প্ৰতিষ্ঠাৰ বাবে সৰ্বশক্তিমান ঈশ্বৰৰ বিৰুদ্ধে মানুহৰ প্ৰতিবাদ তেওঁৰ কবিতাৰ আন এক সমল। নজৰুলৰ "বিদ্ৰোহী" কবিতাই সমকালীন বঙ্গবাসীক সচেতন কৰাই নহয়, উদ্বুদ্ধ কৰিও তুলিছিল। ইয়াক অহংবোধৰ জাগৰণ গীতি আখ্যা দিব পাৰি ঃ

আমি দুৰ্বা
আমি ভেঙে কৰি সব চুৰমাৰ!
আমি অনিয়ম উচ্ছৃঙ্খল,
আমি দলে যাই যত বন্ধন যত নিয়ম কানুন শৃঙ্খল!
আমি মানি নাকো কোনো আইন।
ooo ooo ooo
আমি চিৰ বিদ্ৰোহী বীৰ
আমি বিশ্ব ছাড়ায়ে উঠিয়াসি একা চিৰ-উন্নত শিৰ!

এই সময়ছোৱাৰ অন্যান্য কেইগৰাকীমান কবি ঃ যথা— বিষ্ণু দে, সুভাষ মুখোপাধ্যায়, সমৰ সেন, সুকান্ত ভট্টাচাৰ্য আদিৰ কবিতাত বস্তুবাদী আদৰ্শৰ প্ৰতিফলন আৰু তাৰ আধাৰত জনগণৰ শোষণ-বঞ্চনাৰ বিৰুদ্ধে প্ৰবল প্ৰতিবাদ ধ্বনিত হোৱা দেখিবলৈ পোৱা যায়। বিষ্ণু দে-ৰ "ঘোড় চওয়াৰ" কবিতাৰ আৰম্ভণিতে জনজাগৰণৰ স্পষ্ট চিত্ৰ অঙ্কিত হৈছে ঃ

চোৰাবালি ডাকি দূৰ দিগন্তে
কোথায় পুৰুষকাৰ?
হে প্ৰিয় আমাৰ, প্ৰিয়তম মোৰ !

আয়োজন কাঁপে কামনাৰ ঘোৰ
অঙ্গে আমাৰ দেবে না অঙ্গীকাৰ ?
০০০ ০০০ ০০০
দীপ্ত বিশ্ববিজয়ী! বর্শা তোলো।
কেন ভয়? কেন বীৰেৰ ভৰসা ভোলো ?

তদনুৰূপ দৃষ্টিভঙ্গীৰে সমৰ সেন-ৰ কবিতাতো অঙ্কিত হৈছে যন্ত্র-সভ্যতাৰ চাপত ক্লান্ত সাধাৰণ মানুহৰ জীৱনৰ ৰেখাচিত্র ঃ

মহুয়া বনেৰ ধাৰে কয়লাৰ খনিৰ
গভীৰ, বিশাল শব্দ,
আৰ শিশিৰ-ভেজা সবুজ সকালে
অবসন্ন মানুষেৰ শৰীৰে দেখি ধুলোৰ কলংক,
ঘুমহীন তাদেৰ চোখে হানা দেয়
কিসেৰ ক্লান্ত দুঃস্বপ্ন। (মহুয়াৰ দেশ)

একেদৰে সুভাষ মুখোপাধ্যায়ৰ কবিতাত নিনাদিত হৈছে শোষণক্লিষ্ট মানুহৰ প্ৰতি সমবেদনা আৰু লোভী শোষকৰ প্ৰতি শ্লেষ ভৰা বিদ্রূপ ঃ

পাষাণ-কায়া, হায় ৰে, ৰাজধানী !
মাশুল বিনা স্বদেশে দাও ছেড়ে;
তেজাৰতিৰ মতন কিছু পুঁজি
সংগে দাও, পাবে দুগুণ ফিৰে। (সকলেৰ গান)

সুকান্ত ভট্টাচাৰ্যৰ "ৰাণাৰ"- ৰ পিঠিত ওলমি নিতৌ পৰিবাহিত হৈছে অলেখ মানুহৰ হৃদয়ৰ খবৰ ঃ

কত চিঠি লেখে লোকে
কত সুখে, প্রেমে, আবেগে, স্মৃতিতে, কত দুঃখে ও শোকে
০০০ ০০০ ০০০
ৰাণাৰ! ৰাণাৰ! ভোৰতো হয়েছে—আকাশ হয়েছে লাল
আলোৰ স্পর্শে কবে কেটে যাবে এই দুঃখেৰ কাল ?

আধুনিক বাংলা কবিতাৰ শৈশৱ আৰু কৈশোৰ কাল এনে ভিন্ন চিন্তাধাৰা আৰু ঘাত-প্রতিঘাতে আন্দোলিত কৰি ৰাখিছিল। ১৯২৯-৩০ চনৰ অৰ্থনৈতিক বিপৰ্যয়ে এই বিভ্রান্তি অধিক সবল কৰি তুলিলে। আমেৰিকাৰ শ্বেয়াৰ বজাৰৰ পতনৰ ফলত বাণিজ্যৰ যি সংকট আৰম্ভ হ'ল, সি ইংলণ্ডৰ অৰ্থনীতিকো স্পর্শ কৰিলে। ইয়াৰ ফলত ইঙ্গ-ভাৰতীয় বাণিজ্য আৰু মূলধনৰ আদান-প্রদান বাধাগ্রস্ত হ'ল। এনে ঘটনাৰ অৱশ্যম্ভাৱী পৰিণতি হিচাপে ভাৰতীয় অৰ্থনীতি বিপৰ্যস্ত হৈ পৰিল। অৰ্থনীতিৰ এনে অভাৱনীয় বিপৰ্যয়ে নিবনুৱা সমস্যাৰ সৃষ্টি কৰাৰ উপৰি, ধনতন্ত্ৰৰ নাগপাশত আবদ্ধ সমগ্ৰ পৃথিৱীৰ

মানুহক দুৰ্ভিক্ষ আৰু মৃত্যুৰ হাতোৰাই মেৰিয়াই ধৰিলে। এনে এক সংকটাকীৰ্ণ পৃষ্ঠভূমিতে আধুনিক বাংলা কবিতা গঢ় লৈ উঠিল।

ঊনবিংশ শতাব্দীৰ মূল্যবোধৰ বিৰুদ্ধে বিংশ শতাব্দীত বাংলা সাহিত্য-জগতত যি প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল, তাৰ পটভূমিত প্ৰাচ্য আৰু পাশ্চাত্যৰ সংমিশ্ৰিত চিন্তাধাৰাৰ আধাৰত আধুনিক বাংলা কবিয়ে যুগৰ জটিলতাক কবিতাৰে প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিলে। সমগ্ৰ পৃথিৱীৰ পৰিব্যাপ্তিৰ বুকুৰ পৰা বীজ সংগ্ৰহ নকৰিলে কাব্যৰ ক্ষেত্ৰ সংকীৰ্ণ হয়। তদুপৰি, এনে মাটিত গজা কাব্যৰ কল্পতৰু জীয়াই ৰাখিবলৈকো কঠিন হয়। সেয়েহে, আধুনিক বাংলা কবিয়ে শুচিবায়ুগ্ৰস্ততা পৰিহাৰ কৰি নগৰীয়া পৰিৱেশলৈ দৃষ্টি দিলে। ইংৰাজী সাহিত্যত কাব্য-মুক্তি-আন্দোলনৰ প্ৰধান পুৰোধা আছিল টি. এছ. এলিয়ট আৰু এজৰা পাউণ্ড। বাংলা কবিয়ে অতি সচেতনভাৱে এই দুজনা পাশ্চাত্য কবিলৈ দৃষ্টি নিক্ষেপ কৰিলে। তেওঁলোকৰ মাজত প্ৰত্যক্ষ কৰিলে আত্মসচেতনতা আৰু নৈৰ্ব্যক্তিকতাৰ আদৰ্শ। অৱশ্যে, এই আত্মসচেতনতা বাংলা কবিৰ মাজত আগতে যে নাছিল, তেনে নহয়। কিন্তু, সি আছিল কিছু পৰিমাণে বিচ্ছিন্ন তথা অসংহত; অৰ্থাৎ, বিচ্ছিন্নভাৱেহে এনে আত্মসচেতনতাই বাংলা কবিকুলক স্পৰ্শ কৰিছিল। এলিয়টৰ অনুপ্ৰেৰণাই পিছত ইয়াক অধিক তীব্ৰ হোৱাত সহায় কৰে। বাংলা কবিতাত ৰোমান্টিকতা বিৰোধী ভাবৰ উন্মেষ এনেদৰেই ঘটে। মূল্যবোধৰ পৰিৱৰ্তন আৰু সেই পৰিৱৰ্তনে আনি দিয়া নতুন ভাৱ-মণ্ডলৰ প্ৰকাশৰ বাবে নতুন নতুন আঙ্গিকৰ পৰীক্ষা-নিৰীক্ষা আৰম্ভ হ'ল। ফলত আধুনিক বাংলা কবিসকলৰ হাতত কাব্য-চৰ্চাৰ এক নতুন দিগন্তৰ সূচনা হ'ল।[৫] সেয়ে হ'লেও, এই কথা স্বীকাৰ্য, যে বাংলা কবিকুলে হৃদয়ৰ সাহচৰ্য আৰু কিছু অভিনৱত্ব সৃষ্টিৰ বাবেহে বিদেশী কবিৰ কবিতাক আদৰণি জনাইছিল।

কোৱা বাহুল্য যে আত্মপ্ৰকাশৰ দুঃসহ বেদনাই বাংলা কবিসকলক নতুন পথৰ সন্ধান কৰিবলৈ সদাব্যস্ত কৰি তুলিছিল। এই নতুন পথেৰে বাট বুলিবলৈ তেওঁলোকক অনুপ্ৰেৰণা যোগাইছিল সত্যেন্দ্ৰনাথৰ ছন্দৰ যাদুই, প্ৰমথ চৌধুৰীৰ বস্তুনিষ্ঠ চিন্তাই, মোহিতলালৰ দেহাত্মবাদী ধ্যান-ধাৰণাই, যতীন্দ্ৰনাথ সেনগুপ্তৰ সংশয়পূৰ্ণ জীৱন-চেতনাই।[৬] ইতিমধ্যে বাংলা কবিতা ছুইনবাৰ্ণ, জন ডান, ৰছেটি আদি পশ্চিমীয়া কবিৰ কবিতাৰ দ্বাৰা পৰিপুষ্ট হৈ উঠিছিল। আধুনিক কবিসকলে তাতোকৈও এঢাপ আগুৱাই যোৱাৰ চেষ্টা কৰিলে।[৭] এওঁলোকে আনকি ৰবীন্দ্ৰনাথৰ প্ৰতি সশ্ৰদ্ধ দৃষ্টি মাত্ৰ নিক্ষেপ কৰি মালাৰ্মে, পল ভেলেঁৰী, ৰ্ঁছাৰ, ইয়েটছ্ আৰু এলিয়টৰ মননশীলতাক হে কাব্য-চৰ্চাৰ মূল অনুপ্ৰেৰণাৰূপে গ্ৰহণ কৰিলে।[৮]

ইউৰোপীয় চিন্তা-ধাৰাই বাংলা কবিতাক যে নতুন ৰূপ দিলে, সেই বিষয়ে সন্দেহৰ অৱকাশ নাই। সেয়ে হ'লেও, এই চিন্তা-ধাৰাৰ প্ৰৱেশ কিছু পলমকৈ ঘটা বুলি ক'ব পাৰি। সম্ভৱতঃ কলিকতাত বহা ছাত্ৰ সভাৰ এক বৈঠকত এই বিষয়ে প্ৰথম আলোচনা হৈছিল। এই বৈঠকত সুধীন্দ্ৰনাথ দত্তই "কাব্যেৰ

---

৫. বিষ্ণু দে, *সাহিত্যেৰ ভৱিষ্যত* (ভূমিকা), পৃঃ ১১
৬. অশোক কুমাৰ মিশ্ৰ, *আধুনিক বাংলা কবিতাৰ ৰূপৰেখা*, পৃঃ ৬৩
৭. প্ৰাগুক্ত
৮. জীবনানন্দ দাশ, *কবিতাৰ কথা*, পৃঃ ২৪

মুক্তি” নামৰ-এটি প্ৰবন্ধ পাঠ কৰিছিল। পৰৱৰ্তী সময়ত *পৰিচয়* নামৰ পত্ৰিকাৰ প্ৰথম সংখ্যাত (শ্ৰাবণ, ১৩৩৮) ই প্ৰকাশ পায়। ১৯২৫ চনত “দ্য হেক্‌ৰেড উড” শীৰ্ষক কবিতাৰে বাংলা কাব্য-জগতত টি. এছ এলিয়টৰ প্ৰৱেশ ঘটে। ১৯৩০ চন মানত বাংলা কবি সমাজত এলিয়ট অতি জনপ্ৰিয় হৈ উঠে। বিষ্ণু দেৰ ভাষাত ঃ

> এলিঅটেৰ স্বকীয় প্ৰতিভাৰ ৰসায়নে আমাদেৰ সমাজেৰ এই বিচ্ছিন্নতা কাব্যৰূপ পেয়েছে। তাই একালেৰ কবিদেৰ তাৰ কাছে ঋণ স্বীকাৰ কৰতে হয় বাৰবাৰ। খণ্ড চৈতন্যেৰ এমন একাগ্ৰ উপলব্ধি ও এমন কাব্যসমৃদ্ধ ৰূপ এবং তাৰ থেকে বৰ্ধমান নৈৰ্ব্যক্তিক দৃষ্টি কাব্যজগতে এলিঅটেৰ দান। এ-দান ভুললে এলিঅটোত্তৰ কাব্যেৰ মুক্তিৰ উৎসও ভুলতে হয়।[৯]

অৱশ্যে, এলিয়টীয় প্ৰভাৱৰ পূৰ্বেও দুই এক বাংলা কবিয়ে নতুন দৃষ্টিভঙ্গীৰে কবিতা ৰচনা কৰাৰ উমান পোৱা যায়। এলিয়টৰ প্ৰভাৱে এনে দৃষ্টিভঙ্গীক পৰিপক্ক ৰূপ দিয়ে।

এইখিনিতে এটা কথা উল্লেখ কৰা প্ৰয়োজন, যে আধুনিক বাংলা কবিতাৰ উন্মেষৰ প্ৰাক্‌কালছোৱাত ৰবীন্দ্ৰনাথৰ যুগন্ধৰ প্ৰতিভাৰ প্ৰভাৰ এৰাই চলাটো একোপধ্যেও সম্ভৱ নাছিল। ৰবীন্দ্ৰ-প্ৰতিভা সম্পৰ্কে বুদ্ধদেৱ বসুৱে সঠিক মন্তব্যকে কৰিছে, যে ৰবীন্দ্ৰ-কাব্যৰ মোহিনী মায়াৰ প্ৰকৃতি অনুধাৱন নকৰি কেৱল তাৰ বাহ্যিক সুৰৰ আকৰ্ষণত ডুব দিলে শেষত কেৱল শুকান মৰুভূহে দৃষ্টিগোচৰ হবগৈ।[১০] কোৱা বাহুল্য যে ১৯০৫-ৰ পৰা ১৯১৮ চনলৈকে, অৰ্থাৎ প্ৰথম মহাযুদ্ধৰ পৰিসমাপ্তি পৰ্যন্ত এই সময়ছোৱা বাংলা কাব্য-জগত ৰবীন্দ্ৰনাথৰ সাগৰ সংকাশ প্ৰতিভাই আগুৰি আছিল। সেই সময়ৰ কবিসকলৰ ভিতৰত সত্যেন্দ্ৰনাথ দত্ত, যতীন্দ্ৰমোহন বাগচী, কুমুদৰঞ্জন মল্লিক, কৰুণানিধান বন্দোপাধ্যায়, কিৰণ চট্টোপাধ্যায়, কালিদাস ৰায় প্ৰভৃতি কবিয়ে বাংলা কবিতাক গতি দান কৰিছিল। এই সকলৰ ভিতৰত সত্যেন্দ্ৰনাথ দত্তৰ চিন্তা-চৰ্চা কিছু সুকীয়া প্ৰকৃতিৰ আছিল।

অন্যান্য আধুনিক ভাৰতীয় সাহিত্যৰ দৰে আধুনিক বাংলা কবিতাও মূলতঃ পাশ্চাত্য চিন্তাৰ দান। মাথোঁ দেশ, কাল, সমাজ তথা পৰিৱেশ ভেদে সি কিছু ভিন্ন ৰূপ পৰিগ্ৰহ কৰিছে। আধুনিক বাংলা কবিতাৰ স্বকীয়ত্বও তাতেই লুকাই আছে। ঊনবিংশ শতাব্দীৰ কাব্য-মূল্যৰ বিপৰীতে বিংশ শতাব্দীত সৃষ্টি হোৱা নতুন মূল্যবোধৰ আধাৰত যুগৰ জটিলতাৰ প্ৰকাশ এই সময়ৰ কবিতাৰ এক অন্যতম প্ৰধান লক্ষণ।

---

৯. বিষ্ণু দে, পূৰ্বোক্ত গ্ৰন্থ (এলিঅট), পৃঃ ১১৫-১১৬

১০. বুদ্ধদেৱ বসু, *সাহিত্য চৰ্চা*, পৃঃ ১৩৭

# তৃতীয় অধ্যায়

## জীবনানন্দ দাশ আৰু আধুনিক বাংলা কবিতা

জীবনানন্দ দাশ আধুনিক বাংলা কাব্য-জগতৰ এক অন্যতম বৰেণ্য কবি। বাংলা কবিতাৰ ইতিহাসত ৰবীন্দ্ৰনাথক যদি সমগ্ৰ বিংশ শতাব্দীৰ কাব্য-প্ৰতিনিধি বুলি ধৰি লোৱা হয়, তেন্তে জীবনানন্দ দাশ হ'ব সেইটো শতিকাৰ শেষাৰ্ধৰ নায়ক।[১] এইগৰাকী স্বনামধন্য কবিৰ কাব্য-জীৱন আৰম্ভ হয় প্ৰথম বিশ্বযুদ্ধৰ (১৯১৯) অন্তিম পৰ্যায়ত। ১৯২৫ চনত *কল্লোল* নামৰ পত্ৰিকাত তেওঁৰ প্ৰথম আত্মপ্ৰকাশ ঘটে।[২] তেওঁৰ প্ৰথম প্ৰকাশিত কাব্য-পুথিখন হ'ল *ঝৰা পালক* (১৯২৭)। ইয়াৰ পাছত ক্ৰমে *ধূসৰ পাণ্ডুলিপি* (১৯৩৬), *বনলতা সেন* (১৯৪২), *মহাপৃথিবী* (১৯৪৪) আৰু *সাতটি তাৰাৰ তিমিৰ* (১৯৪৮)। এই কাব্য-পুথিকেইখনৰ উপৰি, মৰণোত্তৰভাৱে প্ৰকাশিত তেওঁৰ আন দুখন কাব্য পুথি হ'ল- যথাক্ৰমে *ৰূপসী বাংলা* (১৯৫৭) আৰু *বেলা অবেলা কালবেলা* (১৯৬১)।

বাংলা সাহিত্যৰ একাধিক সমালোচকে জীবনানন্দক নিৰ্জনতাৰ কবি আখ্যা দিছে। ইয়াৰ ঘাই কাৰণ হ'ল—সমকালীন বাংলা কবিতাৰ মাজেৰে বিদ্ৰোহ, অতৃপ্তি, ব্যক্তি-অহমিকা ইত্যাদি আধুনিক কাব্য-বৈশিষ্ট্যৰ যি সুৰ ধ্বনিত হৈছিল, জীবনানন্দ আপাততঃ তাৰ পৰা বিচ্ছিন্ন হৈ স্বকীয় ৰীতিৰে কাব্য-চৰ্চা কৰিছিল। *ধূসৰ পাণ্ডুলিপি*-ৰ স্ৰষ্টা জীবনানন্দ একান্তভাৱে বাংলা কবি। ইয়াৰ ভাব, ভাষা অথবা চিত্ৰৰূপ কোনোটোতে বিদেশী-গোন্ধ পাবলৈ নাই। এই কাব্য-পুথিখনৰ জৰিয়তেই আধুনিক বাংলা কবিতাই স্বকীয় শৈলীৰে সাবালক অৱস্থা লাভ কৰে বুলি ক'লে, বোধহয় অত্যুক্তি কৰা নহ'ব। পুথিখনৰ প্ৰথম কবিতা "নিৰ্জন স্বাক্ষৰ"-ৰ মাজেৰে আধুনিক বাংলা কবিতাত এক নতুন দিগন্তৰ সূচনা হয়। এই কবিতাটিক জীবনানন্দৰ ৰোমাণ্টিকতাৰ পৰা আধুনিকতাৰ বাস্তৱ পৃথিৱীলৈ এক উত্তৰণ বুলিব পৰা যায়। পৰিৱৰ্তিত মূল্যবোধৰ বাকৰিত থিয় দি ৰোমাণ্টিকতা পৰিহাৰ কৰি কবিয়ে ইয়াত আধুনিক যুগৰ স্বৰূপ উদঙাই দিয়াৰ সচেতন প্ৰয়াস কৰিছে আৰু তাৰ লগে লগে নিজৰ স্বতন্ত্ৰতাও ঘোষণা কৰিছে।[৩] উল্লিখিত কবিতাটিৰ নিম্নোক্ত পংক্তিটোৱে তাৰেই স্বাক্ষৰ বহন কৰি আছে ঃ

তুমি তা জাননা কিছু, না জানিলে—
আমাৰ সকল গান তবুও তোমাৰে লক্ষ্য ক'ৰে !

---

১. অশোক কুমাৰ মিশ্ৰ, *আধুনিক বাংলা কবিতাৰ ৰূপৰেখা*, পৃঃ ১৩৫

২. ১৩৩২ বঙ্গাব্দত *কল্লোল* পত্ৰিকাত (ফাগুন সংখ্যা) জীবনানন্দ দাশৰ "নীলিমা" নামৰ কবিতাটি প্ৰকাশিত হয়।

৩. দীপ্তি ত্ৰিপাঠী, *আধুনিক বাংলা কাব্য পৰিচয়*, পৃঃ ১২

যখন ঝৰিয়া যাব হেমন্তেৰ ঝড়ে,
পথেৰ পাতাৰ মতো তুমিও তখন
আমাৰ বুকেৰ পৰে শুয়ে ৰবে ?
অনেক ঘুমেৰ ঘোৰে ভৰিব কি মন
সেদিন তোমাৰ ![৪]

বাংলা সমালোচকৰ ভাষাত, “এই আশ্চর্য উচ্চাৰণ দিয়ে জ্যা-মুক্ত হল বাংলা কবিতাৰ নতুন সাইকোলজিকেল অ্যাৰো অব টাইম”।[৫] এনেদৰে, আধুনিক নাগৰিক সভ্যতা তথা যুগসন্ধিৰ সংকট, স্ববিৰোধ, নৈৰাশ্য, উন্মাদনা, অৱচেতন আৰু বিপন্ন মনীষাৰ অতি জটিল অথচ বাস্তৱ সত্য জীৱনানন্দৰ কবিতাত স্পষ্ট হৈ উঠে।

তৎকালীন বাংলা কাব্য-জগতৰ প্ৰাচীন পন্থীসকলৰ ঠাট্টা-বিদ্ৰূপ উপেক্ষা কৰি, মাৰ্ক্সপন্থী সমালোচক-সকলৰ সমালোচনা নিৰ্বিবাদে হজম কৰি, সকলোৰে সৈতে বুজাপৰাৰ মাজেৰে জীৱনানন্দই এক বিস্ময়কৰ কাব্য-সম্ভাৰ সৃষ্টি কৰিছিল। নক'লেও চলে, সেই সময়ৰ তৰুণ প্ৰজন্মই এইগৰাকী কবিৰ সৃষ্টিৰাজিক তেওঁলোকৰ কাব্য-কৰ্মৰ বাবে এক শ্ৰেষ্ঠ উত্তৰাধিকাৰ স্বৰূপে গ্ৰহণ কৰিছিল। চিন্তাৰ উত্তৰণৰ লগে লগে নিজৰ সৃষ্টিৰ উত্তৰণ ঘটাব পৰাটো মহৎ সাহিত্যিকৰ এক বিশিষ্ট লক্ষণ। কবি হিচাপে জীৱনানন্দ এনে সজ গুণৰ অধিকাৰী আছিল বাবেই সময়ৰ বিৱৰ্তনত তেওঁৰ কাব্য-কলাৰ চৰিত্ৰৰ কিছু সাল-সলনি ঘটে। জীৱনানন্দ এনে এগৰাকী স্ৰষ্টা, যাৰ কাব্যকৃতিৰ মাজত অন্তঃসলিলা ফল্গুৰ দৰে লীয়মান হৈছে সমকালৰ চেতনা। আধুনিকতাৰ আটাইবোৰ দিশেই তেওঁৰ কবিতাত স্পষ্ট। বিশেষকৈ তেওঁৰ জীৱন দৰ্শনত, বিশুদ্ধ চেতনাৰ কবিতাত, প্ৰকৃতিৰ ৰূপায়ণত, ইতিহাস আৰু ঐতিহ্য-চেতনাত আৰু প্ৰতীকী কবিতাসমূহত আধুনিকতাৰ স্পষ্ট প্ৰভাৱ প্ৰত্যক্ষ কৰা যায়।

জীৱনানন্দৰ ব্যক্তিগত জীৱনৰ চৌপাশ আগুৰি আছিল এক বৈৰাগ্যই। সেই বৈৰাগ্যৰ মূল ভাৰতীয় বেদান্ত দৰ্শন কিংবা কোনো তান্ত্ৰিক মতবাদ নহয়। এলিয়টৰ দৰে তেওঁ ধৰ্মৰ দুৰ্গম দুৰ্গৰ ভিতৰতো আশ্ৰয় বিচৰা নাই; বৰং ইয়াৰ বিপৰীতে তেওঁৰ চেতনাত ইন্দ্ৰিয়ৰ সজাগতাহে লক্ষ্য কৰা যায়। কবিতাৰ মাজত তেওঁ দিন-ৰাতি সকলোকে এক বিচিত্ৰ বৰ্ণ-গন্ধ-স্বাদেৰে সামৰি ৰাখিবলৈ সমৰ্থ হৈছে। মহাকালৰ সেই পুষ্প-ভোগৰ বাসৰত পোৱা যায়—প্ৰচণ্ড আৱেগ আৰু গতিশীলতা। এই গতিৰ প্ৰকাশো আৱেগময়। ইয়াৰ মাজত কোনো উচ্চলতা নাই; বৰং এক পৰিমিত পৱিত্ৰতাহে ইয়াৰ সংগী। কবি হিচাপে তেওঁৰ আদৰ্শ বিশ্ব-মানৱৰ অসীম প্ৰেমৰ মাজত আবদ্ধ। তেওঁৰ সমস্ত সৌন্দৰ্য সাধনাত এই

---

৪. দেবীপ্ৰসাদ বন্দোপাধ্যায় (সম্পা), *জীবনানন্দ দাশেৰ কাব্য সংগ্ৰহ* (নিৰ্জন স্বাক্ষৰ), পৃঃ ৭৩

৫. সুব্ৰত ৰুদ্ৰ (সম্পা), *জীৱনানন্দ ঃ জীৱন আৰু সৃষ্টি* (ৰণজিৎ দাস, “অটুট নিৰাভিসন্ধি, স্নায়ুৰ আধাৰে ঃ জীবনানন্দেৰ কবিতা”), পৃঃ ৩২০

আদর্শৰ চৰম-বিকাশ লক্ষ্যণীয়। কোনো সুকীয়া মতবাদৰ আশ্ৰয় অবিহনেই তেওঁৰ কবিতাত ধ্বনিত হৈছে ৰোমান্টিক ৰঞ্জিত মানৱিক প্ৰাৰ্থনাৰ তীব্ৰ সুৰ। বুদ্ধদেব বসুৱে সেই বাবেই জীবনানন্দৰ কবিতা ভাল পাবলৈ পাঠকৰ চকু আৰু কাণ সমানে সজাগ থাকিব লাগিব বুলি মন্তব্য কৰিছে। তেওঁৰ মতে জীবনানন্দৰ কবিতা বৰ্ণবহুল, বৰ্ণনা চিত্ৰবহুল আৰু চিত্ৰ বৰ্ণনাবহুল।[৬]

বাংলা কাব্য-জগতত যেতিয়া ৰবীন্দ্ৰনাথৰ জয় জয়কাৰ, সেই সময়তে ৰবীন্দ্ৰ-চিন্তাৰ ব্যতিৰেকে জীবনানন্দই আৰম্ভ কৰিছিল এক নতুন সুৰ, নতুন কাব্য-চেতনা। সমকালীন অন্যান্য বাংলা কবিৰ দৰে তেওঁৰ বাবেও ৰবীন্দ্ৰনাথৰ অপ্ৰতিদ্বন্দ্বী অধিনায়কত্ব তথা তাৰ প্ৰভাৱ অতিক্ৰম কৰাটো এক দুষ্কৰ সমস্যা হৈ পৰিছিল। ৰবীন্দ্ৰনাথৰ উজ্জ্বল বিশ্বাস আৰু শ্ৰান্তিহাৰক আশাবাদ জীবনানন্দৰ ক্ষেত্ৰত কম পৰিমাণে লক্ষ্য কৰা যায়। ইয়াৰ পৰিৱৰ্তে তেওঁৰ আছিল যুগ-সচেতনতাৰ তিক্ত অভিজ্ঞতা, বিশ্ব-পৰিস্থিতিৰ বিশৃঙ্খল প্ৰেক্ষাপটত মানৱিক বোধসমূহৰ লাঞ্ছনাৰ পৰা উদ্ভূত তীব্ৰ হতাশা। এনে বোধ আৰু তাৰ লগে লগে বিদেশী শিক্ষাৰ পৰিমাৰ্জনাই ৰবীন্দ্ৰ প্ৰভাৱেৰে পৰিপুষ্ট হোৱা সত্ত্বেও সমকালীন বাংলা কবিতাৰ মাজত স্বতন্ত্ৰ সত্তাৰে এক নতুন জগত সৃষ্টি কৰিবলৈ সক্ষম হয়। ইয়াৰ ফলত তেওঁ কাব্য-জগতত নিঃসঙ্গ হৈ পৰে আৰু নাম পায় 'নিৰ্জনতাৰ কবি"। এনেদৰে, লোকচক্ষুৰ আঁৰত থাকিবলগীয়া হোৱা বাবেই বহু দিনলৈকে বাংলা সাহিত্য-জগতত কবি হিচাপে তেওঁৰ খ্যাতিয়ে বিশেষ ব্যাপ্তি লাভ কৰিব পৰা নাছিল। তেওঁৰ *বনলতা সেন* প্ৰকাশ হোৱাৰ পাছত বুদ্ধদেব বসুৱে স্ব-সম্পাদিত *কবিতা* পত্ৰিকাত জীবনানন্দৰ কাব্যকলাৰ বিশিষ্টতা ফঁহিয়াই দেখুৱাই এক সমালোচনামূলক সুদীৰ্ঘ প্ৰবন্ধ ৰচনা কৰে । তাৰ পাছৰ পৰাই জীবনানন্দই কাব্য-জগতত দৃঢ়তাৰে খোপনি পুতিবলৈ সমৰ্থ হয় আৰু তেওঁৰ বিস্ময়কৰ প্ৰতিভাৰ খ্যাতি ক্ৰমাগতভাৱে বিয়পি পৰে।

উক্তি আৰু উপলব্ধিৰ একাত্মতা ৰসোত্তীৰ্ণ কবিতা সৃষ্টিৰ মূল সম্পদ। এই ক্ষেত্ৰত আধুনিক বাংলা কবিতাৰ জগতত জীবনানন্দৰ কাব্যকৃতিক অনন্য বুলিব পাৰি। তেওঁৰ প্ৰতিটো কবিতা যেন একোটাহঁত

শৰীৰে মাটিৰ গন্ধ মেখে,
শৰীৰে জলেৰ গন্ধ মেখে,
উৎসাহে আলোৰ দিকে চেয়ে
চাষাৰ মতন প্ৰাণ পেয়ে
কে আৰু ৰহিবে জেগে পৃথিবীৰ পৰে ?
স্বপ্ন নয়, শান্তি নয়, কোনো এক বোধ কাজ কৰে
মাথাৰ ভিতৰে।[৮]

ৰবীন্দ্ৰনাথে প্ৰাচীন বাংলা কাব্য,—বিশেষকৈ মঙ্গলকাব্যৰ গাঁথা, বৈষ্ণৱ পদাৱলীৰ গীতিধৰ্মিতা, ঈশ্বৰ গুপ্তৰ তীব্ৰ ব্যংগোক্তি, মাইকেল মধুসূদন দত্তৰ মহাকাব্যিক বিস্তাৰ ইত্যাদিৰ পৰা আৱশ্যকীয় উপাদান গ্ৰহণ কৰি তেওঁৰ কবিতাত সৌন্দৰ্যৰ যি এক বিস্ময়কৰ দিগন্তৰ সৃষ্টি কৰিছিল, জীবনানন্দ সেই দিগন্তৰ অভ্যন্তৰত প্ৰৱেশ কৰিবলৈ সমৰ্থ হৈছিল। চল্লিশৰ দশকৰ বিপুল ঘটনাৱলীৰ অন্তঃস্ৰোতৰ গভীৰ উপলব্ধি থাকিলেও, জীবনানন্দ আছিল আত্মমুখী। জীবনানন্দৰ সময় আছিল এক সন্ধিক্ষণৰ সময়। তৎকালীনভাৱে যুদ্ধৰ অনিবাৰ্য প্ৰভাৱে সমাজ-জীৱনত মানৱতাৰ ভেঁটি প্ৰায় থৰক-বৰক কৰি তুলিছিল। এহাতে ফেচিবাদৰ সৰ্বগ্ৰাসী হুঁতোঁৰাই সমগ্ৰ মানৱ-সভ্যতাৰ প্ৰতি প্ৰচণ্ড ভাবুকিৰ সৃষ্টি কৰিছিল, আৰু অন্যহাতে চোভিয়েট বাহিনীৰ অসীম সাহসিকতাই সেই ভাবুকিলৈ প্ৰত্যাহ্বান জনাই জনসাধাৰণৰ মনত আত্মপ্ৰত্যয়ৰ সৃষ্টি কৰি ইতিহাসৰ গতি নিয়ন্ত্ৰিত কৰি ৰাখিছিল। জাপানৰ নাগাচাকি আৰু হিৰোচিমাত আণৱিক বোমাৰ বিস্ফোৰণে সৃষ্টি কৰা চৰম ট্ৰেজেদী আছিল এই সময়ৰ এক উল্লেখযোগ্য পৰিঘটনা। মানৱীয় মূল্যবোধৰ এনে অৱক্ষয়ে জীবনানন্দৰ চিন্তাক আলোড়িত কৰিছিল যদিও, তেওঁ উল্লিখিত সমস্ত অভিঘাতৰ পৰা আঁতৰি থাকিবলৈ অন্য এক আশ্ৰয়ৰ সন্ধান কৰিছিল। তেওঁৰ মানস-পটত উদ্ভাসিত হৈছিল এক মহত্তম মানৱ-সমাজ। তেওঁৰ সমসাময়িক কবিসকলে আৰু আনকি বৰেণ্য অগ্ৰজ কবি ৰবীন্দ্ৰনাথ ঠাকুৰেও এনে চিন্তাক এক বিশেষ দৃষ্টিভঙ্গীৰে গ্ৰহণ কৰিছিল। কিন্তু, সেয়ে হ'লেও, জীবনানন্দ আছিল পৰম একাকী। তেওঁ আছিল নিজৰ মাজতে পথৰ সন্ধান উলিওৱাৰ পক্ষপাতী। সেই বাবে তেওঁ কোনো শিবিৰ, দলীয় মঞ্চ অথবা কোনো মিছিলত আগভাগ লোৱা নাছিল। স্বাধীনতা সংগ্ৰামৰ অগ্নিগৰ্ভা বিষম পৰিস্থিতিয়ে যেতিয়া ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তৰ লগতে বঙ্গদেশকো জুমুৰি দি ধৰিছিল, স্বাভাৱিক কাৰণতে ৰাজনীতি আৰু সৃষ্টিশীলতাও সেই ভয়ানক পৰিস্থিতিৰ চক্ৰবেহুত সোমাই পৰিবলৈ বাধ্য হৈছিল। অগ্নি পৰীক্ষাৰ সন্মুখীন হৈছিল সাহিত্য-কৰ্মও। কৃষক মজদুৰৰ সংগ্ৰাম; চৰকাৰী নিপীড়ন—ফাঁচী, কালাপানী, কাৰাবন্দী; কংগ্ৰেছ-কমিউনিষ্টৰ বিৰোধ; মুছলিম লীগ, গান্ধী-নেহৰু-নেতাজীৰ আহ্বান; দুৰ্ভিক্ষ;সাম্প্ৰদায়িক দাংগা-হাংগামা; দেশ বিভাজন আৰু পৰিশেষত খণ্ডিত স্বাধীনতা লাভ ইত্যাদি স্বদেশ, স্বজাতি তথা সমগ্ৰ বিশ্বৰ ভঙা-গঢ়াৰ ধামখুমীয়াৰ মাজত জীবনানন্দৰ চিন্তা বহিৰ্মুখী তথা

---

৮. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ৯৯

সমাজমুখী হোৱাটো স্বাভাৱিক আছিল। কিন্তু বিস্ময়কৰভাৱে তেওঁৰ চিন্তা হ'লগৈ অন্তৰ্মুখী। সমাজ তথা প্ৰাত্যহিক জীৱনৰ জটিলতাৰ পৰা আঁতৰি তেওঁ নিজস্ব চিন্তাৰ পৰিক্ৰমাত বিচৰণ কৰাহে প্ৰত্যক্ষ কৰা যায়। ক্ষণস্থায়ী সাময়িকতা অতিক্ৰম কৰি ভৱিষ্যত ৰহস্যৰ সন্ধানত ব্ৰতী হৈ কোনোকালেও মানুহৰ পদচিহ্ন নপৰা এক 'শ্বাশ্বত মীমাংসা'-ৰ পথ উলিওৱাৰ উৎকট চেষ্টা তেওঁৰ কাব্যবস্তুৰ মূল উপজীৱ্য ।

জীবনানন্দৰ আবিৰ্ভাৱৰ পূৰ্বেই সমগ্ৰ বঙ্গদেশৰ শ্বাস-প্ৰশ্বাস জুৰি বিয়পি পৰিছিল পাশ্চাত্য সাহিত্য আৰু দৰ্শনৰ মৰ্মবস্তু। ৰাজা ৰামমোহন ৰায়, বংকিমচন্দ্ৰ চট্টোপাধ্যায় আদি বিশিষ্ট বাঙালী বুদ্ধিজীৱীৰ সৃষ্টিৰাজিৰ যোগেদি পাশ্চাত্য দৰ্শন, সাহিত্য, কাব্যতত্ব—এই আটাইবোৰে বঙ্গদেশৰ মননৰ জগতক ইতিমধ্যেই প্ৰভাৱিত কৰিছিল। নক'লেও চলে, উল্লিখিত মানৱ-বিদ্যাসমূহ আছিল পাশ্চাত্য দেশত সংঘটিত নৱজাগৰণৰ সোণালী ফচল। ফলত, এইবোৰৰ মাধ্যমেৰে বাঙালী বুদ্ধিজীৱীৰ চিন্তাধাৰাই আন্তৰ্জাতিক বিস্তৃতি লাভ কৰিবলৈ সমৰ্থ হৈছিল। বংকিমচন্দ্ৰৰ উপন্যাসত ওৱাল্টাৰ স্কটৰ; মধুসূদনৰ কাব্যত মিল্টনৰ; ৰবীন্দ্ৰনাথৰ কাব্যত ওৱৰ্ডছৱৰ্থ, শ্যেলী, কীটছ, জন ডান, ব্ৰাউনিঙৰ আৰ্হি স্পষ্ট হৈ থকাটোৱেই তাৰ প্ৰমাণ। বিশ্বযুদ্ধৰ পৰৱৰ্তী স্তৰত প্ৰাচীন চিন্তাৰ প্ৰাচীৰ ভাঙি মাৰ্ক্স, ফ্ৰয়ড, আইনষ্টাইন আদি মনীষীৰ চিন্তাধাৰাই বাংলা সাহিত্য-জগতক নতুনকৈ পল্লৱিত কৰি তোলে।

আধুনিক বাংলা কবিতাৰ প্ৰথম পৰ্বত যেতিয়া জ্ঞান আৰু বুদ্ধিৰ চৰ্চা প্ৰবল হৈ উঠিছিল, তেতিয়া জীবনানন্দৰ কবিতাত জীৱন্ত হৈ পৰিছিল, ইন্দ্ৰিয়জ অনুভূতিৰে বাচি থকাৰ তীব্ৰ আকাংক্ষা। তেওঁৰ কবিতাত নতুনত্ব আছে; আৰু আছে আধুনিক যুগৰ দ্বিধা, সংশয় আৰু মানুহৰ ৰক্তাক্ত হৃদয়ৰ স্পন্দন। কিন্তু, তাত কোনো বিদ্ৰোহৰ স্পষ্ট প্ৰতিচ্ছবি পাবলৈ নাই। দৰাচলতে, তেওঁৰ সৃষ্টিৰ উৎস নিৰৱধি কাল আৰু ধূসৰ প্ৰকৃতিৰ চেতনাৰ অভ্যন্তৰতহে নিহিত হৈ আছে। অৱশ্যে, পৰম্পৰাগতভাৱে চিত্ৰায়িত হৈ অহা বাংলা কাব্যৰ প্ৰকৃতিৰ ধাৰাটোত তেওঁ নিজকে উটুৱাই দিয়া নাই। তাৰ পৰিৱৰ্তে তেওঁ এনে এক পথ বাচি লৈছে, য'ত আছে তেওঁৰ আপোন সত্তা। এই প্ৰসঙ্গত তেওঁৰ সমসাময়িক বাংলা কবি বুদ্ধদেৱ বসুৱে দিয়া নিম্নোক্ত মন্তব্যটো প্ৰণিধানযোগ্য ঃ

> প্ৰকৃতিকে নিবিড়ভাৱে অনুভৱ কৰেন না এমন কোনো কবি নেই, কিন্তু সমগ্ৰ জীৱনকে প্ৰকৃতিৰ ভিতৰ দিয়েই গ্ৰহণ ও প্ৰকাশ কৰেন এমন কবিৰ সংখ্যা অল্প। তাৰাই বিশেষভাৱে প্ৰকৃতিৰ কবি। আমাৰ মনে হয়, আমাদেৰ আধুনিক কবিদেৰ একজনকে এই বিশেষ অৰ্থে প্ৰকৃতিৰ কবি বলা যায়; তিনি জীবনানন্দ দাশ।[৯]

মুঠ কথাত প্ৰকৃতিৰ নিৰ্জন আৰু প্ৰচ্ছন্ন ৰূপৰ মাজেৰেই যে জীবনানন্দই তেওঁৰ কবিতাৰ ৰূপকথা সৃষ্টি কৰিছে সেই কথা অনস্বীকাৰ্য। তেওঁৰ "মাঠেৰ গল্প" কবিতাটিৰ নিম্নোক্ত পংক্তিটো তাৰেই এক নমুনা মাত্ৰ ঃ

---

৯. বুদ্ধদেৱ বসু, *কালেৰ পুতুল*, পৃঃ ৪৭

আবাৰ হলদে তৃণ
ভৰে আছে মাঠে —
পাতায়, শুকনো ডাঁটে
ভাসিছে কুয়াশা
দিকে, দিকে, চড়ুয়েৰ ভাঙা বাসা
শিশিৰে গিয়েছে ভিজে—পথেৰ উপৰ
পাখিৰ ডিমেৰ-খোলা, ঠাণ্ডা—কড়্‌কড় ।[১০]

অন্যান্য আধুনিক বাংলা কবিয়ে ৰবীন্দ্ৰনাথৰ কবিতাৰ দ্বাৰা প্ৰত্যক্ষ কিংবা পৰোক্ষভাৱে প্ৰভাৱিত হৈও সেই ঋণ স্বীকাৰ কৰাৰ পৰা সমূলি বিৰত থাকি নিজৰ স্বাতন্ত্ৰ্য ঘোষণা কৰাৰ চেষ্টা কৰিছে। এই ক্ষেত্ৰত জীৱনানন্দ কিন্তু এক উল্লেখযোগ্য ব্যতিক্ৰম। তেওঁ তেনে চেষ্টা নকৰাকৈয়ে আপোন প্ৰতিভাৰ দ্বাৰা বাংলা কবিতাৰ চৰিত্ৰ সলনি কৰিছে। পৰিৱৰ্তিত মূল্যবোধৰ নতুন ক্ষেত্ৰখনত থিয় দি তেওঁ পূৰ্বৱৰ্তী কবিকুলৰ ৰোমান্টিক দৃষ্টিভঙ্গী পৰিহাৰ কৰি নতুন দৃষ্টিভঙ্গী লৈছে আৰু তেনেকৈয়ে আধুনিক যুগৰ স্বৰূপ উদঙাই দিবলৈ সমৰ্থ হৈছে। তেওঁৰ কবিতাৰ স্বতন্ত্ৰতাও সেইখিনিতে। *ধূসৰ পাণ্ডুলিপি*-ৰ পূৰ্বোক্ত "মাঠেৰ গল্প" কবিতাৰ তলত উল্লেখ কৰা পংক্তিটোৱে তাৰ সাক্ষ্য দিব ঃ

আমি তাৰে বলি ঃ
ফসল গিয়েছে ঢেৰ ফলি,
শস্য গিয়েছে ঝৰে কত—
বুড়ো হয়ে গেছ তুমি এই বুড়ি পৃথিবীৰ মতো![১১]

আধুনিক বাংলা কাব্যৰ ভঙা-গঢ়াত অংশ গ্ৰহণ নকৰাকৈয়ে জীৱনানন্দ তৎকালীন সময়ৰ শ্ৰেষ্ঠ লিৰিক কবি হিচাপে স্বীকৃত হোৱাৰ এয়ে ঘাই কাৰণ। জীৱনানন্দৰ কবিতাৰ এনে স্বকীয় শৈলীলৈ লক্ষ্য কৰিয়েই দীপ্তি ত্ৰিপাঠীয়ে মন্তব্য কৰিছে, যে আধুনিক বাংলা কবিসকলৰ মাজত একমাত্ৰ জীৱনানন্দৰ কবিতাতে আধুনিক যুগৰ সংশয়াকুল মানৱাত্মাৰ ক্ষত-বিক্ষত ৰক্তাক্ত পৰিচয় জীৱন্ত হৈ ধৰা দিছে।[১২] বাংলা সাহিত্যৰ অন্যতম কবি-সমালোচক বুদ্ধদেব বসুৱেও এনে কাৰণতে জীৱনানন্দক প্ৰকৃত কবি আৰু আচল অৰ্থত নতুন কবি বুলি অভিহিত কৰিছে।[১৩] বিশিষ্ট বাংলা সাহিত্যিক নাৰায়ণ গঙ্গোপাধ্যায়ে আকৌ আৰু এঢাপ আগুৱাই গৈ তেওঁক এটা 'ইনষ্টিটিউশ্যন' হিচাপে স্বীকৃতি দিছে।[১৪] তেওঁৰ মতে ঃ

---

১০. দেবীপ্ৰসাদ বন্দোপাধ্যায় (সম্পা), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৭৮

১১. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ৭৬

১২. দীপ্তি ত্ৰিপাঠী, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১৭

১৩. বুদ্ধদেব বসু, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫২

১৪. নাৰায়ণ গঙ্গোপাধ্যায় (সম্পা), *জীবনানন্দ দাসেৰ কাব্য গ্ৰন্থ* (ভুমিকা), পৃঃ ৫

বাংলাদেশের অন্যান্য অগ্রণী কবিরা স্বমহিমায় অবশ্যই অধিষ্ঠিত থাকবেন, কিন্তু জীবনানন্দ যে আশ্চর্য লোকপ্রিয়তায় উত্তীর্ণ হয়েছেন তা যে কোনো কবিরেই দুর্লভ সৌভাগ্য।[১৫]

সময় প্ৰসূতিৰ পটভূমিত জীৱনৰ সম্ভাৱনাৰ বিচাৰ কৰি মানুহৰ ভৱিষ্যত সম্পৰ্কে আস্থা অৰ্জনৰ অহৰহ চেষ্টাৰে কাব্য-চৰ্চাত ব্ৰতী হোৱা জীবনানন্দ দাশৰ কবিতাই যে আধুনিক বাংলা কাব্য-জগতৰ সিংহভাগ আগুৰি আছে, তাক নক'লেও চলে। তেওঁৰ কবিতাত কোনো বিশেষ তত্ত্ব পাবলৈ নাই; নাইবা কোনো ধৰা-বন্ধা চিন্তাৰ পৰিধিতো সি পাকঘূৰণি খাই থকা নাই। ইয়াৰ পৰিৱৰ্তে স্বতঃস্ফূৰ্ততা, বিশুদ্ধতা আৰু সাহজিক আনন্দৰ স্ফূৰণ তেওঁৰ কবিতাৰ ঘাই বিশেষত্ব। ইন্দ্ৰিয়ৰ প্ৰত্যক্ষ তথা জীৱন্ত অভিজ্ঞতাই সিবোৰক প্ৰাণৱন্ত কৰি তুলিছে।

*ৰূপসী বাংলা*-ক জীবনানন্দৰ কাব্যকৰ্মৰ সৰ্বোত্তম কীৰ্তিস্তম্ভ বুলিব পাৰি। এই কাব্য-সংকলনটিৰ ধ্যানমগ্ন ঐশ্বৰ্যৰ বুকুত লুকাই আছে বাংলাৰ অবয়ব; তাৰ ভিতৰত বিৰাজ কৰিছে ৰূপ-ৰস-গন্ধ-বৰ্ণ, হাঁহি-অশ্ৰুৰ সুৰ সম্বলিত সমগ্ৰ বাংলাৰ অন্তৰাত্মা। তদুপৰি, তেওঁৰ কবিতাৰ মাজেৰে বাৰে বাৰে উন্মোচিত হৈছে যান্ত্ৰিক সভ্যতাৰ অন্তঃসাৰশূন্যতা। তেওঁ সমাজ-জীৱনৰ ক্লেদাক্ত পৰিৱেশৰ পৰা আঁতৰি আহিছে যদিও, মানৱাত্মাৰ মুক্তিৰ প্ৰতি তেওঁ গভীৰভাৱে আস্থাশীল। এনে আস্থা তথা বিশ্বাসৰ বাবেই তেওঁৰ সৃষ্টিৰ মাজেৰে উপলব্ধ হয় জীৱনৰ, মানুহৰ অশ্ৰুৰ লুণীয়া স্বাদ। কোনো নিৰ্দিষ্ট মতবাদৰ আশ্ৰয় নোলোৱাকৈও তেওঁৰ কবিতাৰ বুকুত ধ্বনিত হৈছে ৰোমান্টিক লক্ষণ-ৰঞ্জিত মানৱিক প্ৰাৰ্থনাৰ তীব্ৰ সুৰ। গধূলিলগ্নত আৰম্ভ কৰা কবিৰ যাত্ৰাৰ প্ৰধান লক্ষ্য, এক সুস্থ মানৱিকতাৰ প্ৰাতঃকাল। সেই লক্ষ্যৰ অংশীদাৰ হ'বলৈ তেওঁ সকলোকে আন্তৰিকতাৰে আমন্ত্ৰণ জনাইছে ঃ

তোমৰা চলিয়া আস—
তোমৰা চলিয়া আস সব!
ভূলে যাও পৃথিবীৰ ঐ ব্যথা-ব্যাঘাত-বাস্তৱ !...[১৬] (স্বপ্নেৰ হাতে)

প্ৰসঙ্গ ক্ৰমে উল্লেখযোগ্য যে এইগৰাকী কবিৰ কাব্যালোচনা বিষয়ক গ্ৰন্থ *কবিতাৰ কথা* বাংলা সাহিত্য-জগতৰ এক সুকীয়া সম্পদৰূপে পৰিগণিত হৈছে। ইয়াৰ মাজেৰে কবিগৰাকীৰ কবিতা সম্পৰ্কীয় স্বকীয় ধ্যান-ধাৰণাৰ স্পষ্ট প্ৰকাশ লক্ষ্য কৰা যায়।

বহিৰ্জাগতিক বিষয়ক কেন্দ্ৰ কৰি আত্মগত অনুভৱৰ স্বতঃস্ফূৰ্ত প্ৰকাশেই জীবনানন্দৰ কবিতাৰ ঘাই সুৰ। তেওঁৰ কাব্য-জগত অৱচেতনৰ লীলাভূমি,—য'ত স্বপ্ন, প্ৰশান্তি আৰু ভালপোৱাৰ লগে লগে এক নতুন বোধৰো উদ্গম ঘটে। এই বোধ পাঠকৰ বাবে এক অবাক বিস্ময়, যিয়ে তেওঁক সহজেই ক্লান্ত কৰি তোলে ঃ

চাঁদ ডুবে চলে গেলে অদ্ভুত আঁধাৰে
যেন তাৰ জানালাৰ ধাৰে

---

১৫. প্ৰাঃ উঃ গ্ৰঃ

১৬. দেবীপ্ৰসাদ বন্দোপাধ্যায় (সম্পা), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৩৯

উটেৰ গ্ৰীবাৰ মতো কোনো এক নিস্তব্ধতা এসে।
তবুও তো পেঁচা জাগে;
গলিত স্থবিৰ ব্যাঙ আৰো দুই মুহূৰ্তেৰ ভিক্ষা মাগে
আৰেকটি প্ৰভাতেৰ ইশাৰায়—অনুমেয় উষ্ণ অনুৰাগে।[১৭]

(আট বছৰ আগেৰ একদিন)

এনেদৰে, কবিগৰাকীৰ সমস্ত কাব্য-চেতনাত পৰিব্যাপ্ত বিষণ্ণতা, গাম্ভীৰ্য আৰু মৃত্যু-চেতনাৰ মাজত জীৱনৰ প্ৰতি এক দুৰ্নিবাৰ অনুৰাগ লক্ষ্য কৰা যায়।

প্ৰকৃতপক্ষে, জীবনানন্দৰ কবিকল্পনাক নৰৰূপ দান কৰিছিল মহানাগৰিক জীৱন আৰু মননে। এই ফালৰ পৰা তেওঁৰ কাব্য-চিন্তাক দুটা ভাগত ভাগ কৰিব পাৰি ঃ প্ৰথমটো ভাগ বৰিশালৰ প্ৰকৃতিৰ দ্বাৰা প্ৰভাৱিত; আনহাতে, দ্বিতীয়টো ভাগত পোৱা যায়, কলিকতা মহানগৰৰ প্ৰভাৱ। *ঝৰা পালক*, *ধূসৰ পাণ্ডুলিপি*, *ৰূপসী বাংলা*, *বনলতা সেন* আৰু *মহাপৃথিবী*-য়ে প্ৰথম স্তৰৰ প্ৰতিনিধিত্ব কৰে আৰু *সাতটি তাৰাৰ তিমিৰ*, *বেলা অবেলা কালবেলা* তথা তৎপৰৱৰ্তী কবিতাসমূহ দ্বিতীয়টো ভাগৰ অন্তৰ্ভুক্ত। কলিকতা মহানগৰত বসবাস কৰা সময়ছোৱাত কবিগৰাকী প্ৰকৃতিনিষ্ঠ কাব্য-সাধনাৰ পৰা কিছু আঁতৰি অহা লক্ষ্য কৰা যায়। এই সময়ত তেওঁ সমকালীন যুগ-জীৱনৰ স্খলন-পতন-ত্ৰুটি সম্পৰ্কে অধিক সচেতন হৈ পৰিছিল।

*সাতটি তাৰাৰ তিমিৰ* আৰু তাৰ পৰৱৰ্তী কবিতাত আছে এক অন্ধকাৰময় নাগৰিক জগত ঃ য'ত মানুহৰ সংকটময় জীৱন 'অফুৰন্ত ৰৌদ্ৰেৰ অনন্ত তিমিৰে' আবৰি ৰাখিছে; য'ত 'লিবিয়াৰ জঙ্গলেৰ মতো' মানুহৰ দিক্‌শূন্য সভ্যতাৰ স্মৰণীয় উত্তৰাধিকাৰ প্ৰত্যক্ষ কৰিছে ; 'সেইসব ৰীতি আজ মৃতেৰ চোখেৰ মত তবু' য'ত 'হৰিণ খেয়েছে তাৰ আমিষাশী চিকাৰীৰ হৃদয়কে ছিঁড়ে'। এই কাব্য-সংকলনটিৰ প্ৰায়বোৰ কবিতাত সভ্যতাৰ অৱনতি আৰু মূল্যবোধৰ বিপৰ্যয়ৰ ইঙ্গিত লক্ষ্য কৰা যায়। অৱশ্যে, মূল্যবোধৰ এনে অৱক্ষয় দেখা গ'লেও, কবিয়ে কিন্তু সকলো শেষ হৈ যোৱা বুলি ভবা নাই। তাৰ ইঙ্গিত বহন কৰিছে 'সাতটি তাৰাৰ তিমিৰ'—এই অৰ্থবহ অপূৰ্ব চিত্ৰকল্পটিয়ে। 'সাতটি তাৰা'-ই মনলৈ আনে সপ্তৰ্ষিমণ্ডলৰ অনুষংগ, যি এন্ধাৰত বাট হেৰুওৱা পথিকক, সমুদ্ৰত দিকহাৰা মানুহক সঠিক দিশ দেখুৱায়। অৱশ্যে, সম্প্ৰতি কবিৰ দৃষ্টিত এই তাৰকামণ্ডল তিমিৰাচ্ছন্ন। সেয়ে হ'লেও, তাৰ মাজতে তেওঁ দেখিছে আলোকৰ স্পষ্ট আভাস।

কবিৰ চেতনাত আধুনিক মানুহৰ অন্তঃসাৰশূন্য প্ৰেম আৰু বিশ্বাসহীনতাৰ ছবি সুস্পষ্ট হৈ পৰিছে। কিন্তু, তাৰ মাজতো তেওঁ লক্ষ্য কৰিছে, মানুহৰ মনৰ গভীৰত নিহিত হৈ থকা এক ব্যাখ্যাতীত প্ৰেমবোধ। সেই বাবেই তেওঁ ক'ব পাৰিছে ঃ

১৭. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ১৯০-১৯১

তোমাকে দেখাৰ মতো চোখ নেই–তবু,
গভীৰ বিস্ময়ে আমি টেৰ পাই–তুমি
আজও এই পৃথিবীতে ৰয়ে গেছ।
০০০ ০০০ ০০০
চোখ না এড়ায়ে তবু অকস্মাৎ কখনও ভোৰেৰ জনান্তিকে
চোখে থেকে যায়
আৰো এক আভা।
আমাদেৰ এই পৃথিবীৰ এই ধৃষ্ট শতাব্দীৰ
হৃদয়েৰ নয়–তবু হৃদয়েৰ নিজেৰ জিনিস
হয়ে তুমি ৰয়ে গেছ। [১৮] (জনান্তিকে)

আধুনিক মানুহৰ অভিজ্ঞতাৰ পদূলিত থিয় দি কবিয়ে অনুভৱ কৰিছে, যান্ত্রিক সভ্যতাৰ অমিত শক্তিৰে মানুহে নিজক স্বাধীন আৰু সৰ্বশক্তিমান বুলি ভাবিলেও, দৰাচলতে মানৱ-সমাজ আজিও বিশৃঙ্খল। বিধ্বস্ত পৃথিৱীৰ বুকুত শান্তি এতিয়া ক'তো নাই। এই উদ্‌ভ্রান্ত অৱস্থাৰ মূলতে আছে সাম্রাজ্য আৰু ক্ষমতা পিপাসু ৰাজনৈতিক ব্যক্তিৰ বিবেকবৰ্জিত উচ্চাকাঙ্ক্ষাতকৈও অধিক বিপজ্জনক মানুহৰ হৃদয়হীন যান্ত্রিকতা। গতিকে, সুস্থ সমাজ ৰচনা কৰিবলৈ হ'লে, প্ৰথমেই জগাব লাগিব মানুহৰ হৃদয়ৰ সুকোমল অনুভূতিৰ স্পন্দন। কবিৰ ভাষাত ঃ

মানুষেৰ হৃদয়কে না জাগালে তাকে
ভোৰ, পাখি, অথবা বসন্তকাল ব'লে
আজ তাৰ মানবকে কী কৰে চেনাতে পাৰে কেউ।
চাৰি দিকে অগণন মেশিন ও মেশিনেৰ দেবতাৰ কাছে
নিজেকে স্বাধীন বলে মনে কৰে নিতে গিয়ে তবু
মানুষ এখনও বিশৃঙ্খল। [১৯] (জনান্তিকে)

কবিৰ *বনলতা সেন*-ৰ মাজত যি সুদৰ্শনা নাৰীৰ শান্ত সমাহিত নিৰ্জন প্ৰকৃতিৰ সৌন্দৰ্যসমৃদ্ধ প্ৰেমৰ মহীয়সী ৰূপ প্ৰত্যক্ষ কৰা যায়, তাৰ বিপৰীতে *সাতটি তাৰাৰ তিমিৰ*-ৰ প্ৰথম কবিতা "আকাশ নীলা "-ৰ নায়িকা যথেষ্ট উশৃঙ্খল–যুৱকৰ 'বাহুলগ্না দূৰাপসৃয়মানা'। ইয়াত যুৱক স্পষ্ট অৰ্থত দৈহিক বাসনাৰ জৈৱ প্ৰয়োজনৰ প্ৰতিভূ। *'বনলতা সেন'*-ৰ 'সুদৰ্শনা-'ই 'যুগেৰ সঞ্চিত পণ্য' নহে প্ৰেমিকৰ চেতনাক অমৃতসূৰ্যমুখী কৰি তুলিছিল। কিন্তু, বিপন্ন যুগ-চেতনাত সেই নাৰী হৈ পৰিল শ্ৰীহীন, জৈৱ

১৮. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ২৬১-২৬২
১৯. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ২৬১

জীৱনৰ এক উপাচাৰ মাথোন। *বনলতা সেন*-ৰ চিৰ শ্ৰীময়ী ‘সুৰঞ্জনা’-ৰ হৃদয় এতিয়া হ’ল–ইতৰ প্ৰাণীৰ খাদ্য–‘ঘাস’। যুগ-যন্ত্ৰণাত পিষ্ট মানুহৰ প্ৰেমৰ অৱক্ষয়ৰ করুণ অভিব্যক্তি অঙ্কিত হৈছে এনেদৰেঃ

পৃথিবীৰ বালি ৰক্ত কালিমাৰ কাছে তাৰপৰ
আমৰা খাৰিজ হয়ে দোটানাৰ
অন্ধকাৰে তবুও তো
চক্ষুস্থিৰ ৰেখ
গণিকাকে দেখায়েছি ফাঁদ;
প্ৰেমিককে শেখায়েছি ফাঁকিৰ কৌশল।
শেখাই নি ?[২০] (সূৰ্যপ্ৰতিম)

*সাতটি তাৰাৰ তিমিৰ*-ৰ পৰা *বেলা অবেলা কালবেলা* পৰ্যন্ত জীবনানন্দৰ কবিতাত বিষয়বস্তু, বাগ্‌ভঙ্গী আৰু চৰিত্ৰৰ আমূল পৰিৱৰ্তন লক্ষ্যণীয়। পূৰ্বৰ নৈসৰ্গিক সৌন্দৰ্য আৰু শান্তিৰ সমাহিত ৰূপ পৰৱৰ্তী কবিতাত এক প্ৰকাৰ দুৰ্লভ বুলিব পাৰি। প্ৰথম বিশ্বযুদ্ধৰ অভিঘাতে বিপৰ্যস্ত কৰি তোলা মানুহৰ বিপন্ন অস্তিত্বহে ইবোৰত প্ৰত্যক্ষ কৰা যায়। এনে বিপন্ন জীৱনৰ উপলব্ধি *মহাপৃথিবী*-ৰ নাগৰিক জীৱনৰ বাস্তৱতাৰ মাজত অধিক স্পষ্ট হৈ পৰিছে। অৱশ্যে, *মহাপৃথিবী* সংকলনটিৰ কবি-চেতনা ‘যুগেৰ সঞ্চিত পণ্য’-ই জুৰি থাকিলেও, ইয়াৰ মৰ্মস্থলত নিসৰ্গ পৃথিৱীৰ প্ৰশান্তি আৰু কল্যানকৰ প্ৰত্যয়ৰ আকাংক্ষাও ঘনীভূত হৈ আছে ঃ

তোমাৰ মুখেৰ ৰূপ যেন ৰক্ত নয়, মাংস নয়, কামনা নয়,
নিশীথ দেবদাৰু দ্বীপ;
কোনো দূৰ নিৰ্জন নিলাভ দ্বীপ
০০০ ০০০ ০০০
অবাক হয়ে ভাবি, আজ ৰাতে কোথায় তুমি ?
ৰূপ কেন নিৰ্জন দেবদাৰু দ্বীপেৰ নক্ষত্ৰেৰ ছায়া চেনে না—
পৃথিবীৰ সেই মানুষীৰ ৰূপ।[২১] ( আদিম দেবতাৰা)

মানৱ-হৃদয়ৰ পৰা, সমাজ-সভ্যতাৰ বুকুৰ পৰা সুস্থ বোধ, চেতনা তথা সামগ্ৰিকভাৱে মানৱতাৰেই অৱলুপ্তি ঘটা পৰিলক্ষিত হৈছে। সৌন্দৰ্য আৰু মানুহৰ সাৰ্বিক কল্যানৰ অন্বেষণত ব্ৰতী জীবনানন্দৰ কবি মন আধুনিক মানুহৰ এনে যান্ত্ৰিক জীৱনৰ অনুপ্ৰেৰণাহীন উপলব্ধি আৰু অভিজ্ঞতাৰ দোমোজাত চটফটাই উঠিছে ঃ

সুচেতনা, তুমি এক দূৰতৰ দ্বীপ
বিকেলেৰ নক্ষত্ৰেৰ কাছে ;

---

২০. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ২৬৯
২১. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ১৯৪

সেইখানে দাৰুচিনি-বনানীৰ ফাঁকে
নির্জনতা আছে।
এই পৃথিবীৰ ৰণ ৰক্ত সফলতা
সত্য ; তবু শেষ সত্য নয় ।
কলকাতা একদিন কল্লোলিনী তিলোত্তমা হবে;
তবুও তোমাৰ কাছে আমাৰ হৃদয়।[২২] (সুচেতনা)

মুঠতে, জীবনানন্দৰ সামগ্রিক কাব্য-সাধনাক প্ৰেম আৰু জ্ঞানৰ সুসমন্বয় বুলিব পাৰি। প্ৰেম, ইতিহাস কিংবা নাৰী, স্মৃতি অথবা আশা– এই আটাইবোৰ তেওঁৰ কবিতাত একাত্ম হৈ আছে। ইয়াৰ বাবে ব্যৱহৃত শব্দবোৰো হৈছে সমাৰ্থবাচক। তেওঁৰ দৃষ্টিত প্ৰেমেই সকলো প্ৰকাৰৰ মনুষ্য-কৰ্মৰ উদ্দীপক, জীৱনৰ সৰ্বশ্ৰেষ্ঠ পাৰমিতা । এনে জীৱনৰ স্বাদ নাপালে কোনো মহৎ সমাজ তথা সভ্যতাৰ সৃষ্টি হ'ব নোৱাৰে। যুদ্ধ নহয়, আস্ফালন নহয়, আশা আৰু প্ৰেমৰ প্ৰগাঢ়তাৰ আধাৰতহে সুস্থ জীৱন সম্ভৱ।

সময় তথা সমকাল-চেতনা জীবনানন্দৰ কবিতাৰ অন্যতম বিশেষত্ব। *ধূসৰ পাণ্ডুলিপি*-ৰ পৰা *বেলা অবেলা কালবেলা*-লৈ তেওঁৰ প্ৰেম সম্বন্ধীয় কবিতাৱলীত নতুনত্ব সহ এক অভিনৱ পৰিৱেশ সৃষ্টিৰ প্ৰয়াস লক্ষ্য কৰা যায়। সেয়ে, জীবনানন্দ অকল ধূসৰতাৰ কবি নহয়, বৰং আলোক আৰু উজ্জ্বলতাৰ এক 'বৰ্ণমাতাল' কবি।

সমাজৰ চৌপাশৰ পৰিস্থিতি আজিও তিক্ততাৰে পৰিপূৰ্ণ, ৰক্তাক্ত। তথাপি স্বাধীনতা অভিমুখে, মুক্তি অভিমুখে মানুহৰ দুৰ্গম যাত্ৰা আজিও অবিৰত। এই যাত্ৰাত বৰং আৰু কিছু নতুন মাত্ৰাৰ সংযোগহে ঘটিছে। আপোন অস্তিত্বৰ অন্ধকাৰ অংশৰ মানচিত্ৰ সম্পৰ্কে স্পষ্ট ধাৰণা থকাটো মানুহৰ বাবে নিতান্ত প্ৰয়োজনীয় কথা। আপোন অস্তিত্বৰ পথৰ অনুসন্ধানৰ মাজেৰেই জীবনানন্দৰ কাব্যিক যাত্ৰা আৰম্ভ হৈছিল। অস্তিত্বৰ অন্ধকাৰ ফালটোক তেওঁ বোধৰ আলোকেৰে উজ্জ্বল কৰাৰ চেষ্টা কৰিছিল। ইয়াত ঘাই ভূমিকা লৈছিল–জ্ঞান আৰু অভিজ্ঞতাই। কোনো বিশেষ ধৰ্ম, ৰাজনৈতিক মতবাদ অথবা দৰ্শনৰ বিশ্বাসেৰে তেওঁ মানৱ-মনৰ গুহাকন্দৰত প্ৰৱেশ কৰা নাছিল। সেয়ে আজিও, একবিংশ শতিকাৰ দুৱাৰ-দলিত মানুহৰ ইতিহাসৰ দ্ৰুত উত্থান-পতনৰ দিনতো তেওঁৰ কবিতাৰ আবেদন ম্লান পৰা নাই। চেতনাৰ সুউজ্জ্বল আলোকেৰে মানৱতাবোধ জগাই তোলাটোৱেই তেওঁৰ কাব্য-কৰ্মৰ ঘাই লক্ষ্য। আধুনিক বাংলা কবিতাৰ উৎস-ভূমি জীবনানন্দৰ চেতনা-জগত বুলিলেও, বোধহয় অত্যুক্তি কৰা নহয়।

সময়ৰ দ্ৰুত পৰিৱৰ্তনে মানুহৰ চেতনা আৰু চিন্তাৰো পৰিৱৰ্তন ঘটায়। এই অনিবাৰ্য সত্যৰ বাবেই কবিতাৰো চৰিত্ৰ সলনি হয়। জীবনানন্দৰ কবিতাত সময়ৰ আচোঁৰ আছে । বৰ্তমান সংকটময় সময়ত

---

২২. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ১৬৬

কবি-হৃদয়ৰ ৰোমান্টিক ভাবালুতা অৰান্তৰ হৈ পৰাটো স্বাভাৱিক কথা। এনে প্ৰতিকূল পৰিস্থিতিতো কিন্তু জীবনানন্দৰ কবিতা বাংলা পাঠকৰ বাবেই নহয়, সমগ্ৰ ভাৰতীয় পাঠকৰ বাবে আজিও প্ৰেৰণাৰ অমল উৎস হৈ আছে। বাংলা কাব্য-জগতত এইগৰাকী কবি আজিও মধ্যমণি স্বৰূপ। তেওঁৰ সৃষ্টিৰ ৰূপ-ৰহস্য অনুধাৱন কৰাৰ আৱশ্যকতা শেষ হৈ যোৱা নাই। নিসৰ্গৰ বুকুত নিহিত হৈ থকা অনন্ত সৌন্দৰ্যৰ সন্ধানত ৰত প্ৰতিটো যুগৰ সহৃদয় পাঠকক তেওঁৰ কবিতাই আজিও আলোড়িত কৰে ঃ

কী গল্প শুনিতে চাও তোমৰা আমাৰ কাছে—কোন গান, বলো
আমাৰ সোনাৰ্ খাঁচা খুলে দাও, আমি যে বনেৰ হীৰামন,[২৩] (ৰূপসী বাংলা )

২৩. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ৩২৫

# চতুৰ্থ অধ্যায়

## জীবনানন্দ দাশ আৰু আধুনিক অসমীয়া কবিতা

আধুনিকতা ইউৰোপীয় চিন্তাধাৰাৰ দান। অন্যান্য দেশৰ সাহিত্যৰ দৰে ভাৰতীয় সাহিত্যতো আধুনিকতাৰ আমদানি ঘটিছে–পাশ্চাত্যৰ পৰা। অসমীয়া সাহিত্যও তাৰ ব্যতিক্ৰম নহয়। আধুনিক অসমীয়া কবিতাক পাশ্চাত্য চিন্তাৰ প্ৰভাৱে দুই ধৰণে পৰিপুষ্ট কৰা দেখা যায় ঃ প্ৰত্যক্ষ প্ৰভাৱ আৰু পৰোক্ষ প্ৰভাৱ। পাশ্চাত্যৰ পৰা পোনপটীয়াকৈ ঘটা প্ৰভাৱক প্ৰত্যক্ষ প্ৰভাৱ আৰু বাংলা কবিতাৰ মাধ্যমেৰে অসমীয়া কবিতাত সোমাই পৰা প্ৰভাৱক পৰোক্ষ প্ৰভাৱ বুলিব পাৰি। অসমীয়া ৰমন্যাসিক কবিকুল যিদৰে ৰবীন্দ্ৰনাথৰ দ্বাৰা প্ৰভাৱিত, তেনেদৰে সাম্প্ৰতিক কবিকুলৰ প্ৰায়ভাগ কবিতাত জীবনানন্দৰ সৃষ্টিৰ প্ৰভাৱ লক্ষ্য কৰা যায়। প্ৰতিভাৰ দিশত ৰবীন্দ্ৰনাথ আৰু জীবনানন্দ সমপৰ্যায়ৰ আছিল যদিও, যিটো সময়ত জীবনানন্দৰ কাব্য-প্ৰতিভাই পূৰ্ণ বিকাশ লাভ কৰিছিল, সেই সময়ত বাংলা কাব্য-জগত আছিল ৰবীন্দ্ৰনাথৰ একছত্ৰী সাম্ৰাজ্য। অৱশ্যে, দুয়োগৰাকী কবি চিন্তা আৰু ৰীতিৰ ক্ষেত্ৰত আছিল সম্পূৰ্ণ ভিন্ন। সেই হেতুকে, এটা পৰ্যায়ত জীবনানন্দৰ স্বকীয় ৰীতি সম্বলিত সৃষ্টি আলোক-উজ্জ্বল হৈ উঠিল আৰু বংগদেশৰ সীমা অতিক্ৰম কৰি তেওঁৰ বৰ্ণাঢ্য প্ৰতিভা বিভিন্ন প্ৰান্তলৈ প্ৰসাৰিত হ'ল। আধুনিক অসমীয়া কবিকুলেও এইগৰাকী কবিৰ অমৰ সৃষ্টিসমূহ আদৰি ল'লে আৰু আপোন প্ৰতিভাৰে নিজৰ জাতীয় জীৱনৰ সতে অপূৰ্ব সমাহৰণ ঘটাই নতুন নতুন কাব্য-সম্ভাৰ সৃষ্টি কৰিলে। নক'লেও চলে, প্ৰায়ভাগ আধুনিক অসমীয়া কবিৰ কবিতাত জীবনানন্দৰ জীৱন-দৰ্শন, ঐতিহ্য-প্ৰীতি, প্ৰকৃতিৰ ৰূপায়ণ আৰু ইতিহাস-চেতনাৰ প্ৰভাৱ লক্ষ্যণীয়ভাৱে বিদ্যমান। এনে অসমীয়া কবিৰ ভিতৰত বিশেষভাৱে উল্লেখনীয় কেইগৰাকীমান কবি হ'ল–হোমেন বৰগোহাঞি, নৱকান্ত বৰুৱা, বীৰেন বৰগোহাঞি, প্ৰফুল্ল ভূঞা, সুশীল শৰ্মা, হীৰেন ভট্টাচাৰ্য, নীলমণি ফুকন আদি। অৱশ্যে, এই কথা স্বীকাৰ্য যে উল্লিখিত কোনো এগৰাকী কবিকে জীবনানন্দৰ বিপুল প্ৰতিভাই সম্পূৰ্ণ গ্ৰাস কৰিব পৰা নাই। জীবনানন্দৰ কবিতাৰ একোটাহঁত বিশেষ দিশ বা বৈশিষ্ট্যহে তেওঁলোকৰ সৃষ্টিৰ মাজেৰে উজলি উঠিছে ; তাতো আকৌ আপোন মাটিৰ গোন্ধ স্পষ্ট। তদুপৰি, সময়ৰ ব্যৱধানেও অসমীয়া কবিসকলক কিছু স্বকীয়ত্ব দিছে।

আধুনিক অসমীয়া কবিতাই বিষয়বস্তু আৰু আঙ্গিক উভয় দিশত নতুন মাত্ৰা পায়–অগ্ৰজ কবি হেম বৰুৱাৰ হাতত। সেই হেতুকে হেম বৰুৱাক আধুনিক অসমীয়া কাব্যান্দোলনৰ বাটকটীয়া বোলা হয়। দ্বিতীয় মহাযুদ্ধৰ সময়ত *জয়ন্তী* কাকতৰ যোগেদি যি নতুন কাব্য-চিন্তাৰ উন্মেষ ঘটিছিল, সেই চিন্তাই পৰিপুষ্টি লাভ কৰে–হেম বৰুৱাৰ হাতত। প্ৰচুৰ অধ্যয়ন আৰু তীব্ৰ অনুসন্ধিৎসা হেম বৰুৱাৰ কাব্যকৃতিৰ দুটি প্ৰধান সমল। সমসাময়িক ইংৰাজী কবিতাৰ লগে লগে বাংলা কবিতাৰ অধ্যয়নে হেম বৰুৱাৰ কাব্য-চিন্তাক নতুন ৰূপ দিছিল। সেয়ে, ক'ব নোৱাৰাকৈয়ে তেওঁৰ কবিতাত মাজে মাজে জীবনানন্দই চকু পিৰিকিয়াই গৈছেহি। মন কৰিবলগীয়া যে জীৱন-দৰ্শনৰ ক্ষেত্ৰত জীবনানন্দ আৰু

হেম বৰুৱা দুয়ো বিপৰীত মেৰুৰ বাসিন্দা। কিন্তু, সেয়ে হ'লেও, প্ৰকৃতিৰ ৰূপায়ণ, নাৰী-ভাবনা ইত্যাদিৰ দিশত দুয়োগৰাকী কবিৰ চিন্তাৰ ঐক্যসূত্ৰ লক্ষ্য কৰা যায়।হেম বৰুৱাৰ এটা"ৰোমান্টিক কবিতা"-ৰ সৈতে জীবনানন্দৰ "মিতভাষণ"-ৰ তলত উল্লেখ কৰা তুলনাটিয়ে কথাষাৰ স্পষ্ট হোৱাত সহায় কৰিবঃ

মোৰ বন্ধ কোঠাত এডাল মমৰ পোহৰ,
অলপ পোহৰ আৰু বহুত এন্ধাৰ
০০০ ০০০ ০০০
সোণপাহী, বহাঁ। মোৰ কাষৰতে বহাঁ।
চুলিৰ তোমাৰ আঁউসী এন্ধাৰে মোৰ
জীৱন জ্বলাওক। কামনাৰ জুইকুৰা
ছাই হৈ যাওক। মোৰ বন্ধ কোঠাৰ তুমি
জ্বলি থকা মম। বাহিৰত জোনাকীৰ
টিমিকঢামাক।
অস্পষ্ট এন্ধাৰ আৰু এবুকু মৰম।[১]

হেম বৰুৱাৰ এনে চিন্তাৰ বিপৰীতে জীবনানন্দই লিখিছে :

অনেক সমুদ্র ঘুৰে ক্ষয়ে অন্ধকাৰে
দেখেছি মণিকা-আলো হাতে নিয়ে তুমি
০০০ ০০০ ০০০
মানুষেৰ সভ্যতাৰ মর্মে ক্লান্তি আসে ;
বড়ো বড়ো নগৰীৰ বুকভৰা ব্যথা ;
ক্রমেই হাৰিয়ে ফেলে তাৰ সব সঙ্কল্প স্বপ্নেৰ
উদ্যমেৰ অমূল্য স্পষ্টতা
তবুও নদীৰ মানে স্নিগ্ধ শুশ্রূষাৰ জল, সূর্য মানে আলো ;
এখনো নাৰীৰ মানে তুমি, কত ৰাধিকা ফুৰালো।[২]

সেইদৰে, হেম বৰুৱাৰ "এখন ছবি" কবিতাত জীবনানন্দৰ দৰে নাৰীৰ দৈহিক প্ৰেমৰ অনুৰাগ লক্ষ্য কৰা যায় :

স্বপ্নলোক নিটাল জ্যোতিৰে
কৰা নাই মন্দাক্রান্ত শ্লোকৰ কবিতা।
সেই মেৰু প্ৰান্তৰত,
য'ত তুমি আছা অনামিকা,

---

১. মহেন্দ্ৰ বৰা (সম্পা), *নতুন কবিতা*, পৃঃ ১১

২. দেবীপ্ৰসাদ বন্দোপাধ্যায় (সম্পা), *জীবনানন্দ দাশেৰ কাব্যসংগ্ৰহ*, পৃঃ ১৬৪

ৰং আছে,

জীৱনৰ ঢউ আছে,

আৰু আছে প্ৰণয়ৰ কাবেৰী জোৱাৰ।

০০০　　০০০　　০০০

সউ পাৰে চিয়াঁহী ৰঙৰ

লানি লানি দেবদাৰু বন

সেয়ে হ'ব, অনামিকা,

তুমি আৰু দেবদাৰু বন।[৩]

জীবনানন্দই নিজকে প্ৰকৃতি, পৃথিৱীৰ প্ৰশান্তি আৰু সৌষ্ঠৱৰ জগতত আবিষ্কাৰ কৰিছে। "সুচেতনা" কবিতাত তাৰ উদাহৰণ স্পষ্ট ঃ

সুচেতনা, তুমি দূৰতৰ দ্বীপ

বিকেলেৰ নক্ষত্ৰেৰ কাছে ;

সেইখানে দাৰুচিনি-বনানীৰ ফাঁকে

নিৰ্জনতা আছে।

এই পৃথিবীৰ ৰণ ৰক্ত সফলতা

সত্য ; তবু শেষ সত্য নয়।

কলকাতা একদিন কল্লোলিনী তিলোত্তমা হবে ;

তবুও তোমাৰ কাছে আমাৰ হৃদয়।[৪]

হেম বৰুৱাৰ কবিতা বিশেষভাৱে নাৰী-আশ্ৰিত। নাৰীৰ মাধ্যমেৰেই তেওঁ চিন্তা, আদৰ্শ, সমাজ সকলোকে প্ৰকাশৰ ৰূপ দিছে। চনিয়া, মমতা, সোণপাহি, ৰংদৈ, শকুন্তলা আদি নাৰী-চৰিত্ৰই সেই বাবেই তেওঁৰ কবিতাত ভিৰ কৰিছেহি। একেদৰে জীবনানন্দৰ কবিতাতো নাৰী-ভাৱনা স্পষ্ট। বনলতা, সুৰঞ্জনা আদি তাৰেই প্ৰতিভূ ।

হেম বৰুৱা দায়বদ্ধ কবি। সমাজৰ প্ৰতি দায়বদ্ধতা তেওঁৰ কবিতাৰ মূল সুৰ। তদুপৰি, তেওঁ এক নিৰ্দিষ্ট মতাদৰ্শত বিশ্বাসী। আনহাতে, জীবনানন্দ দাশে তেনে কোনো বিশেষ মতাদৰ্শ আগত লৈ কবিতা ৰচনা কৰা নাছিল। তথাপি দুই একোফাঁকি কবিতাত দুয়োগৰাকী কবিৰ মিল লক্ষ্য কৰিবলগীয়াকৈ আশ্চৰ্যজনক । তলৰ পংক্তি দুটা তাৰেই উৎকৃষ্ট উদাহৰণ মাত্ৰ ঃ

কোৰিয়াত জৰাসন্ধৰ কঙ্কালে ৰিঙিয়াই মাতে ঃ

এচিয়াৰ আকাশ আগুৰি শগুণৰ জাক

আমি জীয়াই আছোঁ যুগৰ সীমান্তত,

৩. *হেম বৰুৱাৰ কবিতা*, পৃঃ ৪-৫

৪. দেবীপ্ৰসাদ বন্দোপাধ্যায়(সম্পা), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৬৬

প্ৰাচীন নাবিকৰ জঁকা।[৫] (হেম বৰুৱা ঃ পোহৰতকৈ এন্ধাৰ ভাল)

মাঠে থেকে মাঠে মাঠে–সমস্ত দুপুৰ ভৰে এশিয়াৰ আকাশে আকাশে
শকুনেৰা চৰিতেছে; মানুষ দেখেছে হাট ঘাঁটি বস্তি–নিস্তব্ধ প্ৰান্তৰ
শকুনেৰা; যেখানে মাঠেৰ দৃঢ় নীৰবতা দাঁড়ায়েছে আকাশেৰ পাশে।[৬]

(জীবনানন্দ দাশ ঃ শকুন)

অৱশ্যে, এচিয়াৰ আকাশত শগুণ উৰাটো দুয়োগৰাকী কবিয়ে প্ৰত্যক্ষ কৰিলেও, দুয়োটা কবিতাৰ ভাবানুষংগ সম্পূৰ্ণ ভিন্ন।

আধুনিক অসমীয়া কবিতাক স্বকীয় ৰীতিৰে পৰিপুষ্টি প্ৰদান কৰা আন এগৰাকী বিশিষ্ট কবি নৱকান্ত বৰুৱাৰ সৃষ্টি-সম্ভাৰতো দেখা যায়, জীবনানন্দ দাশৰ অনবদ্য প্ৰভাৱ। এইগৰাকী অসমীয়া কবিয়ে জীবনানন্দৰ কবিতা অতি সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিছিল যেন অনুমান হয়। আঙ্গিক আৰু বিষয়বস্তু দুয়োটা দিশতে জীবনানন্দৰ সৈতে নৱকান্ত বৰুৱাৰ মিল প্ৰত্যক্ষ কৰিব পাৰি । বৰুৱাৰ "ইয়াত নদী আছিল" কবিতাৰ সৈতে জীবনানন্দৰ "মৃত্যুৰ আগে" কবিতাৰ আঙ্গিকৰ মিল তাৰেই এক উদাহৰণ মাত্ৰ ঃ

দেখিছোঁ নদীৰ ঢলে বলাৎকাৰ কৰা পথাৰক,
পলসে কবৰ দিয়া গৰ্ভৱতী শস্যৰ সন্তান
শুনিছোঁ সিন্ধুৰ বানে নিমিষতে নগৰক
আত্মসাৎ কৰি
এৰি থৈ গুচি যোৱা শ্মশানৰ প্ৰশান্তিৰ গান।[৭]

নৱকান্ত বৰুৱাৰ এই কাব্য-পংক্তিটোৰ আঙ্গিকৰ সাদৃশ্য জীবননান্দৰ নিম্নোক্ত পংক্তিটোৱে বহন কৰে ঃ

দেখেছি সবুজ পাতা অঘ্রাণেৰ অন্ধকাৰে হয়েছে হলুদ
হিজলেৰ জানালায় আলো আৰ বুলবুলি কৰিয়াছে খেলা,
ইদুৰ শীতেৰ ৰাতে ৰেশমেৰ মতো ৰোমে মাখিয়াছে খুদ,
চালেৰ ধূসৰ গন্ধে তৰঙ্গেৰা ৰূপ হয়ে ঝৰেছে দুবেলা ;

---

৫. *হেম বৰুৱাৰ কবিতা*, পৃঃ ৩৫

৬. দেবীপ্ৰসাদ বন্দোপাধ্যায় (সম্পা) পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৩৬

৭. নৱকান্ত বৰুৱা, *মোৰ আৰু পৃথিৱীৰ*, পৃঃ ২১০

নির্জন মাছের চোখে–পুকুরের পারে হাঁস সন্ধ্যার আঁধারে
পেয়েছে ঘুমের ঘ্রাণ–মেয়েলি হাতের স্পর্শ লয়ে গেছে তারে ;[৮]

বৰুৱাৰ "সন্ধ্যাৰ চিলঙ" কবিতাটিত নগৰীয়া জীৱনৰ অশ্লীল সংগীত আৰু দলিত মানৱাত্মাৰ নিঃসঙ্গতা বিয়লি বেলাৰ এক অপূৰ্ব চিত্ৰকল্পৰ মাজেৰে পৰিস্ফুট হোৱা দেখা যায়ঃ

বিষণ্ণ সন্ধিয়া নামে
অৱসন্ন কেৰাণীৰ লিবিডোৰ আসন্ন সংকেত।
নগৰীৰ দুচকুত
উজাগৰ নাৰ্চৰ স্থবিৰ জড়তা,
ৰিক্ত শাখা ঋজু নগ্ন পাইনৰ ফাঁকে ফাঁকে
সূৰ্য নাই সূৰ্যৰ আভাস।
০০০ ০০০ ০০০
তামোলৰ পিক আৰু ধোঁৱা আৰু সুহুৰিৰে
নিজকে সিঞ্চাৰে এই সন্ধ্যাৰ চিলঙে।[৯]

ইয়াত কেৰাণী জীৱনৰ অৱসাদ, নাৰ্চৰ উজাগৰী চকুৰ জড়তা , লঠঙা পাইন বন , হেৰাই যোৱা সূৰ্যৰ ৰশ্মি ইত্যাদি অনুষংগৰ মাজেৰে প্ৰকট হৈ উঠিছে–সন্ধিয়াৰ চিত্ৰকল্প । বাংলা কবি জীবনানন্দ দাশৰ কবিতাতো সন্ধিয়াৰ চিত্ৰকল্পৰ অনুৰূপ প্ৰতিধ্বনি শুনা যায় ঃ

সমস্ত দিনের শেষে শিশিরের শব্দের মতন
সন্ধ্যা আসে, ডানায় রৌদ্রের গন্ধ মুছে ফেলে চিল,
পৃথিবীর সব রং নিভে গেলে পাণ্ডুলিপি করে আয়োজন
তখন গল্পের তরে জোনাকির রঙে ঝিলমিল ।[১০]

( জীবনানন্দ দাশ ঃ বনলতা সেন )

অসমীয়া কবিতাত চল্লিশৰ দশকৰ আগলৈকে জোনাকৰ চিত্ৰকল্পই প্ৰেয়সীৰ মুখমণ্ডলৰ সৌন্দৰ্যৰ আৱেগিক উপলব্ধিকে ব্যঞ্জিত কৰিছিল। নৱকান্ত বৰুৱাৰ হাতত আশাহত যুগৰ হুমুনিয়াহ বুকুত বান্ধি ই হ'ল গৈ মৃত , শিংলগা , বেঁকা ঃ

মৰা জোন উঠি আহে কবৰৰ পৰা
০০০ ০০০ ০০০
মৰা জোন উঠি আহে , আধা জোন

৮. দেবীপ্রসাদ বন্দোপাধ্যায় (সম্পা), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৩৭

৯. নৱকান্ত বৰুৱা ,পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৯২

১০. জীবনানন্দ দাশ , *বনলতা সেন*, পৃঃ ৯

— শিংলগা বেঁকা এটি জোন ।[১১]

জোনৰ এই চিত্ৰকল্পটিয়ে বাংলা কবি জীবনানন্দ দাসৰ নিম্নোক্ত চিত্ৰকল্পটিৰ কথা মনলৈ আনে ঃ

সন্ধ্যাৰ আঁধাৰে ভিজে শিশিৰেৰ ডালে যেই পাখি দেয় ধৰা
বাঁকা চাঁদ থাকে যাৰ মাথাৰ উপৰ
শিঙেৰ মতন বাঁকা নীল চাঁদ শোনে যাৰ স্বৰ ।[১২]

আধুনিক কবিতাত বহু ব্যৱহৃত আন এক চিত্ৰকল্প হ'ল— চুলিৰ চিত্ৰকল্প। জীবনানন্দ দাশৰ কবিতাতো ই জীৱন্ত হৈ উঠিছে–বিদিশাৰ অন্ধকাৰ নিশাৰ ভয়াবহ অনুভূতিৰে ঃ

চুল তাৰ কবেকাৰ অন্ধকাৰ বিদিশাৰ নিশা
মুখ তাৰ শ্ৰাৱস্তীৰ কাৰুকাৰ্য ।[১৩]

নাইবা ক'ৰবাত তেওঁ প্ৰেয়সীৰ চুলিৰ মাজত দেখিছে 'কবেকাৰ সমুদ্ৰেৰ নুন' ।[১৪] অসমীয়া কবি নৱকান্ত বৰুৱাই আকৌ পাইছে প্ৰেয়সীৰ 'খোপাৰ আবেলি আবেলি গোন্ধ' , যি গোন্ধে বৈ আনিছে এক গভীৰ প্ৰশান্তি ঃ

দুবৰি বনত জোনাকীৰ মণি,
চুলিৰ মেঘত লাহি আঙুলিৰ বহুতো জোন
(জোৱাৰৰ বাবে সাগৰ নাছিল ।)
বৰফৰ দৰে চেঁচা পৰশতো
সি যে কি শান্তি।[১৫]

দৰ্শন , স্পৰ্শন , শ্ৰৱণ আৰু ঘ্ৰাণৰ মিশ্ৰিত অনুভূতিৰে মূৰ্ত হৈ উঠা চুলিৰ এই চিত্ৰকল্পই জীবনানন্দ দাশৰ কবিতাৰ চিত্ৰৰূপময় বৰ্ণনাসমৃদ্ধ ব্যাকুলতালৈ মনত পেলাই দিয়ে ঃ

মনে পৰে কবে এক তাৰা ভৰা ৰাতেৰ বাতাসে
০০০ ০০০ ০০০
তুমি সেই অপৰূপ সিন্ধুৰাত্ৰি মৃতদেৰ ৰোল
দেহ দিয়ে ভালোবাসে তবু আজ ভোৰেৰ কল্লোল ।[১৬]

ভাষা একোটাৰ শব্দৰাজিৰ কেতবোৰ স্বকীয় তথা সহজাত চিত্ৰধৰ্ম থাকে । এই চিত্ৰধৰ্মৰ সংৰক্ষণৰ দ্বাৰা কবিতাত জীৱন্ত ছবি আঁকিব পৰা যায় । এইবোৰৰ মাজত কোনো অন্তৰ্নিহিত

---

১১. নৱকান্ত বৰুৱা , পূৰ্বোক্ত গ্ৰন্থ (সন্ধ্যাৰ ৰেপচঁদি), পৃঃ ১২

১২. জীবনানন্দ দাশ , পূৰ্বোক্ত গ্ৰন্থ (শংখমালা) , পৃঃ ৮

১৩. প্ৰাঃ উঃ গ্ৰঃ (বনলতা সেন), পৃঃ ৯

১৪. প্ৰাঃ উঃ গ্ৰঃ (কবিতা), পৃঃ ৪৩

১৫. মহেন্দ্ৰ বৰা (সম্পা ), পূৰ্বোক্ত গ্ৰন্থ (নৱকান্ত বৰুৱা ঃ এটা প্ৰেমৰ পদ্য ), পৃঃ ১৮

১৬. জীবনানন্দ দাশ, পূৰ্বোক্ত গ্ৰন্থ (সুৰঞ্জনা), পৃঃ ৪০

ব্যঞ্জনা নাথাকিলেও, দৃশ্য নতুবা দৃশ্যান্তৰলৈ উত্তৰণৰ নিগূঢ় ৰহস্য লুকাই থাকে । শব্দৰ এনে সহজাত চিত্ৰধৰ্মৰ মাজেদি অতীতৰ ধূসৰ স্মৃতি জাপানী ছবিৰ দৰে মায়াময় হৈ উঠিছে নৰকান্ত বৰুৱাৰ কবিতাত ঃ

এয়েই চিনাকি গাঁও, কুৱঁলীৰ কাগজত
জাপানী ছবিৰ মায়া বিজুলী বাঁহৰ ।
বহুতো অতীত সনা পথাৰৰ বাটে বাটে
উশাহ উপচি পৰা চিনাকি সৌৰভ
ৰবাব ফুলৰ আৰু তোমাৰ চুলিৰ আৰু সেমেকা নৰাৰ...।[১৭]

গ্ৰাম্য জীৱনৰ পটভূমিত নিৰ্মিত এনে চিত্ৰকল্পৰ সাৰ্থক প্ৰয়োগ জীবনানন্দৰ কবিতাতো প্ৰায়ে দেখা যায়। নিম্নোক্ত কবিতাফাঁকিয়ে তাৰেই সাক্ষ্য বহন কৰে ঃ

ধান কাটা হয়ে–গেছে কবে যেন ক্ষেতে মাঠে পৰে আছে খড়
পাতা কুটো ভাঙা ডিম–সাপেৰ খোলস নীড় শীত ।
এই সব উৎৰায়ে ঐখানে মাঠেৰ ভিতৰ
ঘুমাতেছে কয়েকটি পৰিচিত লোক আজ–কেমন নিবিড়।[১৮]

আধুনিক বাংলা কবিতাত জীবনানন্দ দাশ আৰু বুদ্ধদেব বসু এই দুয়োগৰাকী কবিয়ে আকাশক বাৰান্দাৰ চিত্ৰকল্পৰূপে প্ৰয়োগ কৰি আধুনিক জীৱনৰ যান্ত্ৰিক প্ৰেৰণাহীনতাৰ স্বৰূপ প্ৰকাশ কৰিছে।[১৯] অসমীয়া কবিতাত নৰকান্ত বৰুৱায়ো এনে অভিনৱ চিত্ৰকল্প প্ৰয়োগৰ আশ্ৰয় লৈছে ঃ

এনেকৈয়ে আমি নামি যাওঁ
ওপৰত ৰুগ্ন স্বৰ্গৰ বাৰান্দা
তলত জীৱিকাৰ জীৰ্ণ ফুটপাথ।[২০]

আধুনিক নাগৰিক সভ্যতাৰ অৱক্ষয় আৰু ব্যৰ্থতাই মানুহৰ বৌদ্ধিক তথা মানসিক জগত মৰুতুল্য কৰি তুলিছে । প্ৰতীকী ভাষাৰ ব্যঞ্জনা আৰু অভিনৱ চিত্ৰকল্পৰ সংযোজনেৰে নৰকান্ত বৰুৱাই "ইয়াত নদী আছিল" কবিতাত এই অৱক্ষয়ৰ ছবি সুন্দৰকৈ অঙ্কন কৰিছে। কবিতাটিত এলিয়টৰ ভাবসঞ্চাৰী চিত্ৰকল্পেৰে সুসমৃদ্ধ "ৱেইষ্ট লেণ্ড"-ৰ প্ৰভাৱ মন কৰিবলগীয়া। গোপন ব্যাধিৰ দৰে মৰুভূমিৰ ক্ৰম প্ৰসাৰিত ভয়াবহতাৰ স্বৰূপ নিম্নোক্ত কাব্যপংক্তিটোৰে সুন্দৰকৈ বহন কৰিছে ঃ

---

১৭. নৰকান্ত বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ (উভতি অহাৰ কবিতা), পৃঃ ১৩৪

১৮. দেবীপ্ৰসাদ বন্দোপাধ্যায় (সম্পা), পূৰ্বোক্ত গ্ৰন্থ (ধান কাটা হয়ে গেছে), পৃঃ ১৬২

১৯. দীপ্তি ত্ৰিপাঠী, *আধুনিক বাংলা কাব্য পৰিচয়,* পৃঃ ৪৪

২০. নৰকান্ত বৰুৱা, পূৰ্বোক্ত গ্ৰন্থ (লিফ্‌ট), পৃঃ ১৮৮

মৰুভূমি আহে
লাহে লাহে মাহে মাহে বছৰে বছৰে
আঁহতৰ খোৰোঙত এপাহি কপৌফুল সোনকালে সৰে
গোপন ব্যাধিৰ দৰে লাহে লাহে মচি নিয়ে
প্ৰাণৰ যিমান ৰং সেউজী সোণালী
আঁকি দিয়ে তামৰঙী এখন আকাশ আৰু
ফুটছাই বৰণৰ-এখন পৃথিৱী।[২১]

সেয়ে হ'লেও, তেওঁৰ কবিতাত মৰুভূমিৰ মাজতো পানীৰ আশা আছে ঃ

উটৰ ডিঙিৰ ছাঁ, দীঘল ডিঙিৰ ছাঁ, শুই ৰ'ব
হাড় হৈ সাগৰৰ বাবে ।[২২]

উটৰ গ্ৰীবাভংগীৰ চিত্ৰকল্পৰ দ্বাৰা মৰুভূমিৰ ভয়াবহ আগ্ৰাসনৰ ব্যঞ্জনা প্ৰতীকী ৰূপত তুলি ধৰাৰ উদাহৰণ জীবনানন্দ দাশৰ কবিতাতো লক্ষ্য কৰা যায় ঃ

চাঁদ ডুবে চলে গেলে অদ্ভূত আঁধাৰে
যেন তাৰ জানালাৰ ধাৰে
উটেৰ গ্ৰীবাৰ মতো কোনো এক নিস্তব্ধতা এসে।
তবুও তো পেঁচা জাগে ;
গলিত স্থবিৰ ব্যাঙ আৰো দুই মুহূৰ্তেৰ ভিক্ষা মাগে
আৰেকটি প্ৰভাতেৰ ইশাৰায়–অনুমেয় উষ্ণ অনুৰাগে।[২৩]

আন এগৰাকী অসমীয়া কবি হোমেন বৰগোহাঞিৰ "ৰাতি" কবিতাৰ ভাববস্তুৰ সৈতে জীবনানন্দৰ *ৰূপসী বাংলা*-ৰ ৪৭ নং কাব্যাংশৰ যথেষ্ট মিল আছে ঃ

মোৰ চেতনাৰ এই অন্ধ বিশাল নদীৰ
ঘাটে ঘাটে
ফুল হৈ ফুলি ৰোৱা তেজীমলা
তোমাৰ সন্ধ্যাৰ সেই বন্ধ্যা বাসনাৰ
নিৰ্মেঘ আকুতি।[২৪]

বৰগোহাঞিৰ এই চিন্তা জীবনানন্দৰ নিম্নোক্ত পংক্তিটোৰ অনুৰূপ ঃ

---

২১. মহেন্দ্ৰ বৰা (সম্পা), পূৰ্বোক্ত গ্ৰন্থ (নৱকান্ত বৰুৱা ঃ ইয়াত নদী আছিল), পৃঃ২৮

২২. প্ৰাঃ উঃ গ্ৰঃ ,পৃঃ ২৯

২৩. দেবীপ্ৰসাদ বন্দোপাধ্যায় , পূৰ্বোক্ত গ্ৰন্থ (জীৱনানন্দ দাশ ঃ আট বছৰ আগেৰ একদিন), পৃঃ ১৯০- ১৯১

২৪. মহেন্দ্ৰ বৰা (সম্পা) পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৭৬

নদীৰ জলেৰ গন্ধে ভ'ৰে যায় ভিজে স্নিগ্ধ তীৰ
অন্ধকাৰে; পথে পথে শব্দ পাই কাহাদেৰ নৰম শাড়িৰ,
ম্লান চুল দেখা যায়; সান্ত্বনাৰ কথা নিয়ে কাৰা কাছে আসে—
ধূসৰ কড়িৰ মতো হাতগুলো—নগ্ন হাত সন্ধ্যাৰ বাতাসে
দেখা যায়; হলুদ ঘাসেৰ কাছে মৰা প্ৰজাপতিটিৰ [২৫]

নিৰ্জনতাৰ কাব্যিক ৰূপ জীবনানন্দ দাশৰ কবিতাৰ এক প্ৰধান বৈশিষ্ট্য। নিম্নোক্ত কবিতাফাঁকি তাৰেই উৎকৃষ্ট উদাহৰণ ঃ

সোনালি অগ্নিৰ মতো আকাশ জ্বলছে স্থিৰ নীল পিলসুজে;
পৃথিবীৰ শেষ ৰৌদ্ৰ খুঁজে
কেউ কি পেয়েছে কিছু কোনো দিকে ? পায় নি তো কেউ।
০০০ ০০০ ০০০
অনেক ৰক্তাক্ত সোনা লুফে নিয়ে চলে গেছে নগৰীৰ পানে
মানুষেৰা ৰক্তেৰ সন্ধানে।
০০০ ০০০ ০০০
বাদুড় যেখানে দূৰ—আৰো দূৰ আকাশ-কালোয় গিয়ে মিশে ।
সে গহনে এক দিন মানুষও নিঃশেষে
নিভে গেলে বুঝি তাৰ শেষ হিৰোশিমা শান্ত হবে।[২৬]

বৰগোহাঞিৰ "ৰাতিৰ প্ৰাৰ্থনা" কবিতাত এনে নিৰ্জনতাৰ সুৰ অতি স্পষ্ট ঃ

সমুদ্ৰৰ মৌন এই হৃদয়ৰ নীল নিজৰ্নতা ঃ
যিহেতু উদৰ তৃপ্ত, মৃত উচ্চাশাৰ কলৰৱ,
০০০ ০০০ ০০০
এই শান্তি, অন্ধকাৰ, সংগহীন ঠাণ্ডা বিচনাৰ
একান্ত-বিলীন ৰাতি, শূন্য-নীল সুদীৰ্ঘ নিশ্বাস,
০০০ ০০০ ০০০
সৰ্ব-আয়োজন শেষ অৰ্চনাত অনন্য ৰাতিৰ—
হৃদয়, উৎকৰ্ণ হোৱা শুনা সেই আৰ্ত হাহাঁকাৰ
০০০ ০০০ ০০০
প্ৰকৃতিত শান্তি নাই, মানুহ নিঃসংগ চিৰকাল—

---

২৫. দেবীপ্ৰসাদ বন্দোপাধ্যায় (সম্পা),পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৩০

২৬. প্ৰাঃ উঃ গ্ৰঃ (জীবনানন্দ দাশ ঃ সোনালি অগ্নিৰ মতো), পৃঃ ৪৮৭

ক্ষয়িত বিশ্বাস, শান্তি, অস্তিত্বৰ সমুদ্ৰ বিশাল–

কোনো এক যুৱতীৰ স্মৃতি মাথোঁ, জগায় মত্ততা।[২৭]

বৰগোহাঞিৰ "হৈমন্ত" জীবনানন্দ দাশৰ "*ৰূপসী বাংলা*"-ৰ সমপৰ্যায়ৰ।উক্ত কবিতাৰ 'দাঁড়কাক' কাব্যাংশৰ সৈতে ইয়াৰ যথেষ্ট সাদৃশ্য লক্ষ্য কৰা যায়। তদুপৰি, কবিতাটিৰ শেষৰ শাৰীকেইটাত "বনলতা সেন"-ৰো ক্ষীণ প্ৰতিধ্বনি শুনা যায় ঃ

এতিয়া সময় হ'ল

সংগিনীক মুখামুখি নিৰলে পোৱাৰ। মোৰ পিৰালিত সেয়া

এটি দুটি গধূলি গোপাল, এটি দুটি জোনাকীৰ

নিভৃত সময় এয়া, এন্ধাৰ গভীৰ কৰা, প্ৰাণৰ জ্যোতিৰ অপচয়[২৮]

একেদৰে বৰগোহাঞিৰ "শ্বাশ্বতী" কবিতাৰ গ্ৰাম্য জীৱনৰ প্ৰাত্যহিকতাৰ উম আৰু শ্বাশ্বত চুমাৰ সৈতে জীবনানন্দ দাশৰ "*ৰূপসী বাংলা*"-ৰ মিল লক্ষ্য কৰিব পাৰি। তদুপৰি, "শ্বাশ্বতী"-ৰ প্ৰতিটো পংক্তিৰ প্ৰথমটো শাৰী—"হেজাৰ বছৰ ধৰি সেই একে বাটেদিয়ে নদীৰ পাৰৰ"[২৯] বাংলা কবিগৰাকীৰ "বনলতা সেন"-ৰ প্ৰথম শাৰী—"হাজাৰ বছৰ ধৰি আমি পথ হাঁটিতেছি পৃথিবীৰ পথে"-ৰ [৩০] প্ৰতিধ্বনি শুনা যায়।

অন্য এগৰাকী লব্ধ প্ৰতিষ্ঠিত অসমীয়া কবি বীৰেশ্বৰ বৰুৱাৰ কাব্য নিৰ্মিতিতো জীবনানন্দ দাশৰ প্ৰভাৱ স্পষ্ট । বৰুৱাৰ "মুখামুখি" কবিতাটিলৈ লক্ষ্য কৰিলেই তাৰ প্ৰমাণ ওলায়।[৩১] উক্ত কবিতাটিৰ মাজেৰে যি নিঃসঙ্গতা, যি একাকীত্বৰ ছবি অঙ্কন কৰা হৈছে, জীবনানন্দৰ কবিতাত সেই নিঃসঙ্গতা, সেই একাকীত্ব বাৰে বাৰে উপলব্ধ হয়। তদুপৰি, চহৰীয়া জীৱনৰ অভ্যন্তৰত প্ৰৱেশ কৰি জীবনানন্দৰ দৰে তেৰোঁ দেখিছিল ঃ

নাৰীৰ জঠৰ প্ৰাণ আত্মগ্লানি আৰু অবাঞ্ছিত সন্তানৰ সম্ভাৱনাৰে ক্লিষ্ট
ধোঁৱা ধোঁৱা উদাস দৃষ্টি, কণ্ঠস্বৰ খেয়ালী মনৰ কামনাৰে কৃত্ৰিম ।
প্ৰস্ফুট যৌৱন প্ৰগল্‌ভা নায়িকাৰ প্ৰেমালাপ কামনা-কাতৰ ৰাতিৰ স্নায়ুত
হেজাৰ হেজাৰ বিগত-যৌৱনা বেশ্যাৰ ঈৰ্ষাৰ ফাগুন জাগে।[৩২]

ইয়াৰ উপৰি গ্ৰাম্য প্ৰকৃতিৰ প্ৰতি জীবনানন্দৰ যি সজাগ-সচেতন দৃষ্টি বীৰেশ্বৰ বৰুৱাৰ কবিতাতো

---

২৭. মহেন্দ্ৰ বৰা (সম্পা), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৭৮-৭৯

২৮. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ৮১

২৯. প্ৰা.ঃ উঃ গ্ৰঃ, পৃঃ ৮২-৮৩

৩০ দেবীপ্ৰসাদ বন্দোপাধ্যাপায় (সম্পা), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৪৫

৩১. মহেন্দ্ৰ বৰা (সম্পা), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৮৫

৩২. প্ৰাঃ উঃ গ্ৰঃ (বীৰেশ্বৰ বৰুৱা ঃ জন্মৰ আগৰ প্ৰাৰ্থনা) পৃঃ ৮৬

লক্ষ্য কৰা যায়। উদাহৰণ স্বৰূপে বৰুৱাৰ ঃ

এতিয়া চোৱাৰ পাল জীৱনৰ প্ৰান্তৰে প্ৰান্তৰে
ঘাঁহৰ সেউজী আভা; ধানৰ সোণালী ৰং,
হালধীয়া পখী যেন সৰিয়হ ফুলবোৰ,
ফাগুনৰ উতলা বাসনা;
বৰ্ষাৰ ক্লান্তিৰ সুৰ, ডাউকীৰ কলৰৱ, সন্ধ্যাৰ আবিৰ
আৰু বন-গোলাপৰ ডালে ডালে কেতেকীৰ
ফুল হৈ ফুলা স্নেহবোৰ।[৩৩]

—এই কাব্যাংশৰ সৈতে জীবনানন্দৰ নিম্নোক্ত কাব্যাংশ দুটি তুলনা কৰি চাব পাৰি ঃ

পৃথিবীৰ কোনো পথে.; নৰম ধানেৰ গন্ধ—কলমীৰ ঘ্ৰাণ,
হাঁসেৰ পালক, শৰ পুকুৰেৰ জল, চাঁদা-সৰপুঁটিদেৰ
মৃদু ঘ্ৰাণ, কিশোৰীৰ চালধোয়া ভিজে হাত—শীত হাতখান,
কিশোৰেৰ পায়ে দলা মুথাঘাস—লাল লাল বটেৰ ফলেৰ
ব্যথিত গন্ধেৰ ক্লান্ত নীৰবতা—এৰই মাঝে বাংলাৰ প্ৰাণ;[৩৪]
০০০ ০০০ ০০০
একদিন পৃথিবীৰ পথে আমি ফলিয়াছি;আমাৰ শৰীৰ
নৰম ঘাঁসেৰ পথে হাঁটিয়াছে; বসিয়াছে ঘাসে,
দেখিয়াছে নক্ষত্ৰেৰা জোনাকী পোকাৰ মতো কৌতুকেৰ মতন আকাশে
খেলা কৰে; নদীৰ জলেৰ গন্ধে ভ'ৰে যায় ভিজে স্নিগ্ধ তীৰ
অন্ধকাৰে; পথে পথে শব্দ পাই কাহাদেৰ নৰম শাড়িৰ,
ম্লান চুল দেখা যায়; সান্ত্বনাৰ কথা নিয়ে কাৰা কাছে আসে—
ধূসৰ কড়িৰ মতো হাতগুলো—নগ্ন হাত সন্ধ্যাৰ বাতাসে—
দেখা যায়, হলুদ ঘাসেৰ কাছে মৰা প্ৰজাপতিটিৰ।[৩৫]

জীবনানন্দৰ কবিতাত অংকিত নিঃসঙ্গতা, মৃত্যু-চেতনা আৰু গ্ৰাম্য জীৱনৰ অপৰূপ চিত্ৰ হোমেন বৰগোহাঞিৰ কবিতাতো নিতান্তই সুলভ ঃ

হেজাৰ বছৰ ধৰি সেই একে বাটেদিয়ে নদীৰ পাৰৰ,
বিচাৰি গোপন কোণ তৰু-ছাঁয়া সুশীতল শ্যামল বনৰ—
ব্যথাত মলিন মুখ, অলস খোজেৰে আহে নিঃসংগ কিশোৰ,

৩৩. প্ৰাঃ উঃ গ্ৰঃ (বীৰেশ্বৰ বৰুৱা ঃ প্ৰত্যাৱৰ্তনৰ গান), পৃঃ ৮৮

৩৪. দেবীপ্ৰসাদ বন্দোপাধ্যায় (সম্পা), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩০৯

৩৫. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ৩৩০

শুনিবলে’ নিৰলাত আপোন মনৰ তাৰ বিষাদৰ সুৰ;
চেতনাত নামে তাৰ সপোন কুঁৱলী সনা অনন্ত গধূলি–
হৃদয়ৰ অন্ধকাৰ দুগুণে বঢ়াই জ্বলে স্মৃতিৰ দীপালি,
অনেক জন্মৰ আৰু ক্ষণে ক্ষণে অপৰূপ সহস্ৰ মৃত্যুৰ;
নিৰুপায় যন্ত্ৰণাত কান্দি মৰে হিয়া তাৰ আসংগ আতুৰ।[৩৬]

স্বল্পসংখ্যক কবিতাৰে আধুনিক অসমীয়া কবিতাত এক নিগাজী আসন দখল কৰা প্ৰফুল্ল ভূঞাৰ কবিতাতো দেখা যায়–বাংলা কবিগৰাকীৰ প্ৰত্যক্ষ প্ৰভাৱ। ভূঞাৰ “তুলনা” কবিতাৰ নিম্নোক্ত শাৰীকেইটাৰ মাজত অনুভূত সভ্যতাৰ ক্ষয়িষ্ণু ছবি জীৱনানন্দৰ কবিতাৰ মাজতো বাৰে বাৰে উপলব্ধ হয় ঃ

তুলনা নহ’ল যাৰ কাৰো সতে পৃথিৱীৰ
তাৰ বাবে আজি মই আকাশৰ ইমান কাষত
সৰ্বাঙ্গত অভিশাপ লৈ
যশোধৰা কবিতাৰ অশ্ৰু সাগৰৰ।
আদিম নাৰীৰ প্ৰেম অথবা কামনা
কাক বোলে তুমি আঁকিছিলা শিল আৰু আখৰৰ গাত,
আন্ধাৰৰ আৱিষ্কাৰ হ’ল
মানুহৰ উপনিৱেশত।[৩৭]

এই ছবি জীৱনানন্দই এনেদৰে অঙ্কন কৰিছে ঃ

তবুও নক্ষত্ৰ নদী সূৰ্য নাৰী সোনাৰ ফসল মিথ্যা নয়।
মানুষেৰ কাছ থেকে মানবেৰ হৃদয়েৰ বিবৰ্ণতা ভয়
শেষ হবে, তৃতীয় চতুৰ্থ–আৰো সব ।
আন্তৰ্জাতিক গ’ড়ে ভেঙে গ’ড়ে দীপ্তিমান কৃষিজাত জাতক মানব।[৩৮]

ভূঞাৰ উপৰি উক্ত কবিতাৰ প্ৰথম স্তৱকটোৰ ঃ

আজিওতো অন্ধকাৰ শেষ হোৱা নাই,
নক্ষত্ৰৰ সেই অন্ধকাৰ মনৰ অৰণ্য জুৰি
এতিয়াও আছে। এটি পখী
উৰি যদি আহে তাৰ পৰা
আমি পাম পৰিচয় উপনিৱেশৰ।[৩৯]

---

৩৬. মহেন্দ্ৰ বৰা (সম্পা),পূৰ্বোক্ত গ্ৰন্থ (হোমেন বৰগোহাঞি ঃ শাশ্বতী), পৃঃ ৮৩

৩৭. প্ৰাঃ উঃ গ্ৰঃ (প্ৰফুল্ল ভূঞা ঃ তুলনা), পৃঃ ১১২-১১৩

৩৮. দেৱীপ্ৰসাদ বন্দোপাধ্যায় (সম্পা), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৫৪

৩৯. মহেন্দ্ৰ বৰা (সম্পা), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১২

এই শাৰীকেইটাত জীবনানন্দৰ "সূৰ্যতামসী"-ৰ নিম্নোক্ত শাৰীকেইটাৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায় ঃ

কোথাও পাখিৰ শব্দ শুনি;
কোনো দিকে সমুদ্ৰেৰ সুৰ;
কোথাও ভোৰেৰ বেলা ৰয়ে গেছে—তবে।
অগণন মানুষেৰ মৃত্যু হ'লে—অন্ধকাৰে জীবিত আৰু মৃতেৰ হৃদয়
বিস্মিতেৰ মতো চেয়ে আছে;
এ কোন সিন্ধুৰ সুৰ.;
মৰণেৰ—জীবনেৰ ?[৪০]

কবি-সমালোচক মহেন্দ্ৰ বৰাই যথাৰ্থ মন্তব্যকে কৰিছে যে প্ৰফুল্ল ভূঞাৰ "...কবিতাত আছে জীবনানন্দৰ বৰ্ণবহুল বৰ্ণনা, বৰ্ণনাবহুল চিত্ৰ আৰু চিত্ৰবহুল কবিতা।"[৪১]

*ৰামধেনু* যুগত আত্মপ্ৰতিষ্ঠা লাভ কৰা আন এগৰাকী কবি বীৰেন বৰগোহাঞিৰ কবিতাতো জীবনানন্দই বাৰে বাৰে ভূমুকি মৰা পৰিলক্ষিত হয়। এইগৰাকী কবিৰ "মনচুন"কবিতাটিত জীবনানন্দৰ "বনলতা সেন"-ৰ ৰিঙণি অতিশয় স্পষ্ট। বিশেষকৈ কবিতাটিৰ শেষৰ শাৰীকেইটাত—যথা ঃ

শাৰী শাৰী জোনাকীয়ে পোহৰৰ পেন্সিলেৰে,
দিব পোহৰাই, আকাশ বহল হৈ বিয়পি পৰিব,
একাষত থিয় হৈ তোমাৰ কাষতে মই
জীৱনৰ সাধু ক'ম। তুমি বুজি পাবা।[৪২]

বাংলা কবিগৰাকীৰ উল্লিখিত কবিতাটিৰ ঃ

তখন গল্পেৰ তৰে জোনাকিৰ ৰঙে ঝিলমিল
সব পাখি ঘৰে আসে—সব নদী ফুৰায় এ—জীবনেৰ সব লেন দেন;
থাকে শুধু অন্ধকাৰ মুখোমুখি বসিবাৰ বনলতা সেন।

—শাৰীকেইটাৰ প্ৰত্যক্ষ প্ৰভাৱ অনুভূত হয়।

বীৰেন বৰগোহাঞিৰ দৰে মাণিক গগৈৰ "কোৰাচ "কবিতাতো শুনা যায়, জীবনানন্দ দাশৰ "বনলতা সেন "-ৰ স্পষ্ট অনুৰণন ঃ

সুজাতা, আকাশী স্বপ্নৰ সেই সিঁচি দিবা প্ৰাণ-জন্ম বীজ।
গুহাৰ নিহিত গান উতলা সিন্ধুৰ ঢউ সময়ৰ ৰক্তস্ৰোতে
লৈ যাব, ৰৈ যাব হেমন্তৰ কোমল আকাশ;

---

৪০. দেবীপ্ৰসাদ বন্দোপাধ্যায় (সম্পা), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৫৪

৪১. মহেন্দ্ৰ বৰা (সম্পা), পূৰ্বোক্ত গ্ৰন্থ (অৱতাৰণিকা), পৃঃ ১৪

৪২. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ১২৫

ooo ooo ooo

সুজাতা, তুমি তাৰ সৌৰস্বপ্ন বিদিশাৰ গম্ভীৰ গহীন নিশাৰ।[৪৩]

জীৱনানন্দৰ *ৰূপসী বাংলা*-ক বাংলাৰ গ্ৰাম্য প্ৰকৃতিৰ এক বাঙ্ময় চিত্ৰ বুলিলে বোধহয় অত্যুক্তি কৰা নহয়। কবিৰ উপলব্ধিত "এৰা প্ৰত্যেকে আলাদা-আলাদা স্বতন্ত্ৰ সত্তাৰ মত নয় কেউ, অপৰপক্ষে সাৰ্বিক বোধে একশৰীৰী, গ্ৰামবাংলাৰ আলুলায়িত প্ৰতিবেশপ্ৰসৃতিৰ মতো ব্যষ্টিগত হয়েও পৰিপূৰকেৰ মত পৰস্পৰনিৰ্ভৰ"।[৪৪] প্ৰকৃতপক্ষে *ৰূপসী বাংলা*-ৰ ধ্যানমগ্ন ঐশ্বৰ্যৰ বুকুত লুকাই আছে–বাংলাৰ অবিকল ৰূপ-ৰস-গন্ধ-বৰ্ণ , হাঁহি-অশ্ৰু তথা সমগ্ৰ বাংলাৰ অন্তৰাত্মা। জীৱনানন্দ দাশৰ দৰে গ্ৰাম্য প্ৰকৃতিৰ ৰূপ, গ্ৰাম্য জীৱনৰ নিৰিবিলি পৰিৱেশৰ প্ৰতি আকৰ্ষণ অসমীয়া কবিৰ কবিতাতো সততে লক্ষ্য কৰা যায়। এই ক্ষেত্ৰত কবি সুশীল শৰ্মাৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ "আমাৰ গাঁও" কবিতাত জিলিকি উঠিছে গ্ৰাম্য জীৱনৰ নিৰিবিলিৰ এক আলোক-উজ্জ্বল বৰ্ণময় চিত্ৰ ঃ

এয়েই চিনাকি বাট, চিনাকি গাঁৱৰ বাট, গছে-বনে আবেলিৰ ভিৰ
বাঁহবাৰী শাৰী শাৰী, আঁহত বাটৰ লাণি, অ'ত ত'ত চিলনীৰ নীড়;
ইয়াত এখন চুবা, সিফালে এখন পাৰা, মাজে মাজে শ্যামল পথাৰ
বিৰিণাই বাট ভেটে, দুবৰিয়ে ঠেঁহ পাতে, ইয়াত ইমান পৰে নামিছে ভাগৰ।

বহুতো এৰিলোঁ আলি, শুকান নৰাৰ হাবি, আন্ধৰুৱা গৰু-বাট বুলি
এতিয়া ইয়াত আছে, চিনাকি ঘৰৰ শাৰী, বাটচ'ৰা নিজান পদূলি;
নাৰিকল নিম-তিতা, বকুল বনৰ ৰুণ, চুপি চাপি জোনৰ জোকাৰ
জোনাকীৰ জিকিমিকি, ভেকুলীৰ ৰাৱ আৰু সৰু সৰু আঁক আছে গাড়ীৰ চকাৰ।[৪৫]

অনুৰূপভাৱে জীৱনানন্দ দাশৰ নিম্নোক্ত কাব্য-পংক্তিটোৰ মাজতো পোৱা যায় বাংলাৰ প্ৰকৃতিৰ অপৰূপ চিত্ৰ ঃ

বাংলাৰ মুখ আমি দেখিয়াছি, তাই আমি পৃথিবীৰ ৰূপ
খুঁজিতে যাই না আৰ; অন্ধকাৰে জেগে উঠে ডুমুৰে গাছে
চেয়ে দেখি ছাতাৰ মতন বড় পাতাটিৰ নীচে বসে আছে
ভোৰেৰ দয়েলপাখি–চাৰি দিকে চেয়ে দেখি পল্লবেৰ স্তূপ
জাম-বট-কাঁঠালেৰে-হিজলেৰ-অশথেৰ কৰে আছে চুপ;
ফণীমনসাৰ ঝোপে শটিবনে তাহাদেৰ ছায়া পড়িয়াছে;

---

৪৩. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ১২৯

৪৪. দেবীপ্ৰসাদ বন্দোপাধ্যায় (সম্পা), পূৰ্বোক্ত গ্ৰন্থ (অশোকানন্দ দাশ উল্লিখিত, ভূমিকা, *ৰূপসী বাংলা*), পৃঃ ৩০৬

৪৫. মহেন্দ্ৰ বৰা (সম্পা), পূৰ্বোক্ত গ্ৰন্থ , পৃঃ ১৩২-১৩৩

মধুকৰ ডিঙা থেকে না জানি সে কবে চাঁদ চম্পাৰ কাছে

এমনই হিজল-বট-তমালেৰ নীল ছায়া বাংলাৰ অপৰূপ ৰূপ; [৪৬]

দুয়োটা কবিতাত বৰ্ণিত প্ৰকৃতি-ৰূপ ভিন্ন হ'লেও, ৰচনাশৈলীৰ দিশত দুয়োৰে মিল লক্ষ্য কৰিবলগীয়া।

নিষ্ঠাবান কবিয়ে নিজৰ সৃষ্টিৰ সদায়েই নিৰ্মোহ সমালোচনা কৰে আৰু তাৰ মাজেৰেই বিচাৰি লয় উত্তৰণৰ পথ। অসমীয়া কাব্য-জগতৰ অন্য এক পুৰোধা কবি নীলমণি ফুকনৰ কবিতাত এনে উত্তৰণ সততে লক্ষ্য কৰা যায়। কবিয়ে নিজে স্বীকাৰ কৰা মতে পঞ্চাশৰ দশকত তেওঁৰ প্ৰিয় কবি আছিল জীবনানন্দ। তেওঁৰ "স্বপ্ন বাসবদত্তা" কবিতাত বাংলা কবিগৰাকীৰ "বনলতা সেন"-ৰ পোনপটীয়া প্ৰভাৱ আছে। ফুকনৰ ভাষাত ঃ

> 'বনলতা সেন'ৰ 'সবুজ ঘাসেৰ দেশ যখন সে চোখে দেখে দাৰুচিনি দ্বীপেৰ ভিতৰ....পাখীৰ নীড়েৰ মত চোখ তুলে...' এই শাৰী দুটা পঢ়িয়েই কিছু গম ধৰিব পাৰিছিলোঁ কবিতাৰ ঋতু সলনিৰ মৰ্ম আৰু আধুনিকতাৰ অভিধা। জীবনানন্দ পঢ়িয়েই প্ৰথমে কবিতাৰ আপাত-সৰল ৰূপ, কথিত আৰু গাঁৱলীয়া ভাষাৰ কাব্যিক সম্ভাৱনাৰ সন্ধেদ পাইছিলোঁ। বিশেষকৈ তেওঁৰ কবিতাই মোৰ নিসৰ্গ চেতনাক কৰি তুলিছিল তীক্ষ্ণ, সতেজ আৰু অধিক সংবেদনশীল। বিশ্বাস কৰিবলৈ লৈছিলোঁ, উপমাই কবিতা।[৪৭]

এই কথাৰ পৰা সহজেই বুজিব পাৰি যে ফুকনৰ কাব্য জীৱনৰ প্ৰথমছোৱা জীবনানন্দৰ কবিতাৰ দ্বাৰা প্ৰভাৱিত। পিছলৈ জাপানী কবিতা, আমেৰিকীয় মানসচিত্ৰবাদ আৰু ইউৰোপীয় প্ৰতীকী কাব্যাদৰ্শই তেওঁক প্ৰভাৱিত কৰে।

লোক-জীৱনৰ পৰা বুটলি অনা শব্দ-চয়নে অকল কবিৰ জনপ্ৰিয়তাকে নবঢ়ায়, ইয়াৰ দ্বাৰা তেওঁৰ প্ৰকাশভঙ্গীও মৰ্মস্পৰ্শী হৈ উঠে। এই বিষয়ে T.S. Eliot- ৰ ধাৰণা এনে ধৰণৰ ঃ

> I will find the most conscious expression of their deepest feelings in the poetry of their own language rather than in any other art or in the poetry of other languages.[৪৮]

বাংলা কবি জীবনানন্দ দাশ আছিল এই দিশত সিদ্ধহস্ত। তেওঁ সাধাৰণজনৰ মুখৰ ভাষাক যি ধৰণে কাব্যোপযোগী কৰি তুলিছে সেয়া সমসাময়িক আন কবিৰ ভাষাত বিৰল বুলিব পাৰি। তদুপৰি, এনে ভাষাৰ মাধ্যমেৰে তেওঁ সামগ্ৰিকভাৱে লোক-জীৱনটোকে কবিতাৰ মাজলৈ টানি আনিছে। একেদৰে, নীলমণি ফুকনেও তেওঁৰ কবিতাত ঘাইকৈ লোক-সংস্কৃতিৰ পৰা আহৰিত সমলক বিশেষভাৱে ঠাই দিছে আৰু ই তেওঁৰ কবিতাৰ ভাব আৰু প্ৰকাশভঙ্গীৰ গাম্ভীৰ্য যথেষ্ট গাঢ়তৰ কৰি তুলিছে।

---

৪৬. দেবীপ্ৰসাদ বন্দোপাধ্যায় (সম্পা), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩০৭-৩০৮

৪৭. হীৰেন গোহাঁই (সম্পা), *সাগৰ তলিৰ শঙ্খ* (নীলমণি ফুকন, মোৰ কবিতা ঃ নেপথ্যৰ কথা), পৃঃ ১২৫

৪৮. T.S. Eliot, *The Social Function of the Poetry*, p. 20

আধুনিক বাংলা কবিকুলৰ ভিতৰত জীবনানন্দ নীলমণি ফুকনৰ আটাইতকৈ প্ৰিয় কবি। ফুকনে নিজেই স্বীকাৰ কৰিছে ঃ

> জীবনানন্দৰ কবিতাৰ চিত্ৰধৰ্মী চৰিত্ৰই, তেওঁৰ নিসৰ্গ আৰু মৃত্যু চেতনাই বিষণ্ণ মগ্ন নিৰ্জন এখন আধ্যাত্মিক জগতলৈ মোক লৈ গৈছিল, য'ত এক প্ৰশান্তিময় বিস্তীৰ্ণ নিৰ্জন সেউজীয়াত পৃথিৱীৰ সকলো কান্দোন আৰ্তি-আৰ্তনাদ মাৰ গৈছিল; মাৰ গৈছিল আনন্দ কল্লোল হ'বলৈ, চৰাইৰ মাত, হৰিণাৰ চিয়ঁৰ, ঢেঁকীয়া হিজল গছ, নগ্ন নিৰ্জন হাত, আঘোণৰ গোন্ধ আৰু ৰ'দ, 'সোণালী ডানাৰ চিল' আৰু 'সাতটি তাৰাৰ তিমিৰ' হ'বলৈ, এটা বোধ হ'বলৈ।[৪৯]

এই স্বীকাৰোক্তিয়ে প্ৰমাণ কৰে যে ফুকনৰ কাব্যকৃতিত জীবনানন্দ দাশৰ অপৰিসীম প্ৰভাৱ আছে। কিন্তু, সেয়ে হ'লেও, ফুকন প্ৰতিভাসম্পন্ন কবি। প্ৰিয় কবিগৰাকীৰ ভাব-চিন্তা, কাব্যদেহ নিৰ্মাণৰ কৌশল আটাইখিনিকে সম্পূৰ্ণ নিজৰ কৰি লৈ নিজৰ পৰিৱেশৰ পৰা আৱশ্যকীয় সমল বুটলি তেওঁ কবিতা ৰচনা কৰিছে। গতিকে তেওঁৰ কবিতাত কোনো কবিৰেই প্ৰত্যক্ষ প্ৰভাৱ বিচাৰি উলিয়াবলৈ টান। এই প্ৰভাৱ "তলসুঁতীয়া চৰিত্ৰৰ, পৰোক্ষ, প্ৰেৰণামূলক'।[৫০] ফুকনৰ"এটি হৰিণা পোৱালি" কবিতাটিৰ সৈতে জীবনানন্দৰ "হৰিণেৰা" কবিতাৰ তুলনা এটি দাঙি ধৰিলেই কথাষাৰ স্পষ্ট হ'ব ঃ

শাল তাল হিজল আৰু মল্লিকা ফুলেৰে ভৰা
এই অৰণ্যত এতিয়া চম্পক ফুলৰ ৰাতি
মই আৰু এটি হৰিণা পোৱালি
ফুটুকা ফুটুকী।
কি এক মৌন মদিৰ নিৰ্জনতা আহি ক্ষন্তেকলে'
মোক বোবা কৰি গ'ল, কথা ক'লে নুশুনা মাতেৰে
কৃজনে কৃজনে, কথা হ'ল হৰিণাৰে; কিয় জানো অস্ফুট
মৃদু মৃদু গুঞ্জন খেলি গ'ল মুগ্ধ এই ৰাতিৰ নিয়ঁৰে নিয়ঁৰে
নিওলিথিক কোনো এক প্ৰগল্‌ভা গাভৰুৰ দৰে শুই গ'ল
অৰণ্যৰ দুবাহুত বাহু মেলি, শ্ৰুবাৰতী ! এতিয়া
চম্পক ফুলৰ ৰাতি
মাথোঁ মই আৰু এটি হৰিণা পোৱালি
ফুটুকাফুটুকী।[৫১]

---

৪৯. হীৰেন গোঁহাই (সম্পা), পূৰ্বোক্ত গ্ৰন্থ, (নীলমণি ফুকনৰ জীৱন আৰু কবিতা ঃ এটা সাক্ষাৎকাৰ), পৃঃ ১৯৩

৫০. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ১৯১

৫১. মহেন্দ্ৰ বৰা (সম্পা), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১৯

এই কাব্য পংক্তিটোৰ মাজেৰে প্ৰকাশিত আৰণ্যক প্ৰেমৰ ছবি জীৱনানন্দৰ নিম্নোক্ত কাব্য পংক্তিটোৰ মাজত পোৱা যায় ঃ

স্বপ্নের ভিতরে বুঝি–ফাল্গুনের জ্যোৎস্নার ভিতরে
দেখিলাম পলাশের বনে খেলা করে

হরিণেরা; রূপালি চাঁদের হাত শিশিরে পাতায়;
বাতাস ঝাড়িছে ডানা–মুক্তা ঝরে যায়

পল্লবের ফাঁকে ফাঁকে–বনে বনে–হরিণের চোখে;
হরিণেরা খেলা করে হাওয়া আর মুক্তার আলোকে।

হীরের প্রদীপ জ্বেলে শেফালিকা, বোস যেন হাসে
হিজল ডালের পিছে অগণন বনের আকাশে–
বিলুপ্ত ধূসর কোন পৃথিবীর শেফালিকা, আহা
ফাল্গুনের জোৎস্নায় হরিণেরা জানে শুধু তাহা।[৫২]

শব্দ-চয়ন কিংবা পংক্তি মিল নাথাকিলেও ফুকনৰ 'নিওলিথিক কোনো এক প্ৰগল্‌ভা গাভৰুৰ দৰে.... শ্ৰুবাৰতী' জীৱনানন্দৰ 'বিলুপ্ত ধূসৰ কোন পৃথিবীৰ শেফালিকা' -তকৈ ভিন্ন নহয়। প্ৰকৃতিৰ মাজেৰে আদিম আৰণ্যক প্ৰেমৰ সন্ধানে দুয়োটা কবিতাক দিছে স্বকীয় গাম্ভীৰ্য।

অসমৰ নৈসৰ্গিক জগত* আৰু বৰিশালৰ গ্ৰাম্য জীৱনৰ অভিজ্ঞতাৰে পৰিপুষ্ট শৈশৱে জীৱনানন্দ দাশক সৃষ্টিৰ প্ৰেৰণা যোগাইছিল। তেওঁৰ *ৰূপসী বাংলা*-ৰ সৰহভাগ কবিতাত এনে স্মৃতি বিজড়িত ঘটনাৰ পৰা আহৰিত চিত্ৰৰ পয়োভৰ আৰু লোক কথাৰ প্ৰতি আকৰ্ষণ প্ৰত্যক্ষ কৰা যায় ঃ যথা–

(ক) ...বউও তো উঠানে নাই — প'ড়ে আছে একখানা ঢেঁকি ;
ধান কে কুটিবে বলো — কত দিন সে তো আৰু কোটে নাকো ধান,
০০০ ০০০ ০০০
তবুও সে আসে নাকো; আজ এ — দুপুরে এসে খই ভাজিবে কি ?
হে চিল, সোনালি চিল, ৰাঙা ৰাজকন্যা আৰ পাবে না কি প্ৰাণ ?[৫৩]

---

৫২. দেৱীপ্ৰসাদ বন্দোপাধ্যায় (সম্পা), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৫৪

*জীৱনানন্দ দাশে ফৰেষ্টাৰৰ চাকৰি কৰা খুড়াকৰ লগত বেছ কিছুদিন অসমৰ অৰণ্যত বাস কৰিছিল —দ্ৰষ্টব্য ঃ সুব্ৰত ৰুদ্ৰ (সম্পা), *জীৱনানন্দ দাশ ঃ জীৱন আৰ সৃষ্টি* (নৰেশ গুহঃ হেমন্তেৰ কবি জীৱনানন্দ দাশ), পৃঃ ২৪৩

৫৩ . প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ৩১৯

(খ) পাড়াগাঁৰ দু পহৰ ভালোবাসি–ৰৌদ্রে যেন গন্ধ লেগে আছে
স্বপনেৰ–কোন্ গল্প, কী কাহিনী, কী স্বপ্ন যে বাঁধিয়াছে ঘৰ
আমাৰ হৃদয়ে আহা, কেউ তাহা জানে নাকো– [৫৪]

(গ) ডাইনীৰ মতো হাত তুলে তুলে ভাঁট আশশ্যাওড়াৰ বন
বাতাসে কী কথা কয় বুঝি নাকো–বুঝি নাকো চিল কেন কাঁদে;
পৃথিবীৰ কোনো পথে দেখি নাই আমি হায় এমন বিজন
শাদা পথ–সোঁদা পথ–বাঁশেৰ ঘোমটা মুখে বিধবাৰ ছাঁদে
চলে গেছে–শ্মশানেৰ পাৰে বুঝি–সন্ধ্যা আসে সহসা কখন,
সজিনাৰ ডালে পেঁচা কাঁদে নিম–নিম–নিম–কার্তিকেৰ চাঁদে।[৫৫]

একেদৰে, নীলমণি ফুকনৰ কবিতাতো দেখা যায়, শৈশৱৰ স্মৃতি বিজড়িত 'গাঁৱৰ গোন্ধোৱা মাটি', 'যুৰীয়া শিমলু', 'সাৰেং চৰাইৰ মাত', 'হালধিবটা ৰাতি', 'বৰকাঁহৰ ৰিঙণি', 'আখলৰ লাওখোলা' আদিৰ অপূৰ্ব চিত্ৰ। ইয়াৰ বাহিৰেও লোক-সাহিত্যৰ পৰা আহৰিত সমলেও তেওঁৰ কবিতাত যথেষ্ট ভিৰ কৰিছে–ঠিক জীবনানন্দ দাশৰ দৰে। এই সম্পৰ্কে ফুকনে নিজেই লিখিছে ঃ

> নিচেই ল'ৰালি কালতেই প্ৰথম আইতাৰ পৰাই পাইছিলোঁ সাহিত্যৰ (অৱশ্যে মৌখিক) হৃদয়ৰ সংবাদ। চকুলো টুকি টুকি শুনিছিলোঁ আইতাৰ মুখত– তেজীমলা আৰু কমলা কুঁৱৰীৰ সাধু। দুয়োটা সাধুৰে একো অংশ আইতাই সুৰ দি বিনাইছিল। ..... আইতায়েই যেন মোৰ হৃদয়-তন্ত্ৰীত বান্ধি দিছিল সেই এক দুখৰ সুৰ। আৰু গাঁৱৰ বিয়া সবাহত,– বিশেষকৈ বিয়ানাম (যোৰা নাম বাদে) আৰু আইনামৰ গহীন মৌন সুৰৰ নিয়ৰ পাই মুকলি হৈছিল মোৰ আবেগ।[৫৬]

গতিকে গ্ৰাম্য জীৱন তথা লোক-সাহিত্যৰ প্ৰভাৱ জীবনানন্দৰ কবিতাত যিমান দেখা যায়, নীলমণি ফুকনৰ কবিতাত তাতকৈ কম দেখা নাযায়। ফুকনৰ কবিতাত এয়া জীবনানন্দৰ পোনপটীয়া প্ৰভাৱ বুলিব নোৱাৰি যদিও অৱশেষ বিচাৰত দুয়োজনা কবিৰ কাব্য-চিন্তা তথা তাৰ উৎস-সন্ধান এক ঐক্যসূত্ৰত আবদ্ধ বুলিব পাৰি।

এনেদৰে বিচাৰ কৰিলে দেখা যায়, নীলমণি ফুকনৰ কবিতাত,– বিশেষকৈ আগবয়সত লিখা কবিতাসমূহত জীবনানন্দ দাশৰ অপৰিসীম প্ৰভাৱ আছে। অৱশ্যে এই প্ৰভাৱ পৰোক্ষ, প্ৰেৰণামূলক। অসমীয়া কবিগৰাকীয়ে নিজৰ সৃষ্টি-প্ৰতিভা, অভিজ্ঞতা তথা অভিজ্ঞান অনুসাৰে তাত স্বকীয়ত্বৰ ৰহন চৰাইছে। নিসৰ্গ চেতনা, মৃত্যু চেতনা আৰু ঐতিহ্য-প্ৰীতি দুয়োগৰাকী কবিৰ মাজত বিদ্যমান। কিন্তু তেনে চেতনাক দুয়োজনা কবিয়ে নিজস্ব ৰীতিৰে, নিজস্ব প্ৰতিভাৰে ভাঙিছে-গঢ়িছে।

---

৫৪. প্ৰাঃ উঃ গ্ৰঃ

৫৫. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ৩১৮

৫৬. হীৰেন গোহাঁই (সম্পা), পূৰ্বোক্ত গ্ৰন্থ (নীলমণি ফুকন, মোৰ কবিতা ঃ নেপথ্যৰ কথা), পৃঃ ১২৪

সংস্কৃত-সাহিত্যত হেমন্ত ঋতুক বিশেষ মূল্য দিয়া হৈছে। মহাকবি কালিদাসে *ঋতুসংহাৰ* কাব্যৰ দৃশ্যলীলাত হেমন্ত কালক "হিমযুক্তঃ কাল এষঃ সুখং বঃ" আখ্যা দিছে। অৰ্থাৎ এই ঋতু হৈছে সুখৰ প্ৰতীক। বাংলা সাহিত্যত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে এই ঋতুৰ লক্ষ্মীমূৰ্তিৰূপ প্ৰত্যক্ষ কৰিছে ঃ

আমৰা বেঁধেছি কাশেৰ গুচ্ছ, আমৰা
গেঁথেছি শেফালি মালা।
নবীন ধানেৰ মঞ্জৰী দিয়ে
সাজিয়ে এনেছি ডালা।
এসো গো শাৰদীলক্ষ্মী, তোমাৰ
শুভ্ৰ মেঘেৰ ৰথে,
এসো নিৰ্মল নীল পথে,
এসো ধৌত শ্যামল আলো-ঝলমল
বনগিৰি পৰ্বতে।
এসো মুকুটে পৰিয়া শ্বেত শতদল
শীতল-শিশিৰ-ঢালা।[৫৭]

জীবনানন্দ দাশৰ কবিতাতো হেমন্ত ঋতুৱে বিশেষ প্ৰাধান্য লাভ কৰা দেখা যায়। কোনো কোনো আলোচকে তেওঁক হেমন্তৰ কবি বুলিবলৈকো কুণ্ঠাবোধ কৰা নাই।[৫৮] অৱশ্যে সংস্কৃত সাহিত্যৰ দৰে তেওঁ এই ঋতুক সুখৰ ঋতু বোলা নাই ; কিংবা ৰবীন্দ্ৰনাথৰ দৰে 'শাৰদলক্ষ্মী'-ও আখ্যা দিয়া নাই। তেওঁৰ দৃষ্টিত হেমন্ত হৈ পৰিছে ৰিক্ততাৰ প্ৰতীক। ৰবীন্দ্ৰ বিৰোধিতা ইয়াৰ উৎস হোৱাটো অসম্ভৱ নহয়। বিশেষকৈ *ঝড়া পালক*-ৰ পৰা *সাতটি তাৰাৰ তিমিৰ* পৰ্যন্ত হেমন্তই তেওঁৰ কবিতাত ৰিক্ততাৰ চিহ্নহে বহন কৰিছে।

সাধাৰণভাৱে চাবলৈ গ'লে, বাংলা কাব্য-জগত বৰ্ষাৰ স্তুতি আৰু বসন্তৰ বন্দনাৰে মুখৰিত। জীবনানন্দৰ কবিতাত কিন্তু এই দুয়োটা ঋতুৱেই অনুপস্থিত। তাৰ সলনি তেওঁৰ কবিতাত পোৱা যায়--গোন্ধ, শস্য, আলস্য-পূৰ্ণতা-বিষাদৰ কাৰুণ্যভৰা লাৱণ্যময়ী ঋতু হেমন্তৰ ছবি।[৫৯]

জীবনানন্দ দাশৰ কবিতাত হেমন্ত ঋতুৱে বিভিন্ন ৰূপ লৈ ধৰা দিছে। কেতিয়াবা ই হৈছে শস্য, তৃপ্তি আৰু বিৰতিৰ ঋতু; কেতিয়াবা হৈছে মৃত্যুৰ শূন্যতা কিংবা সভ্যতাৰ সংকটৰ প্ৰতীক। কিন্তু, সেয়ে হলেও, অন্তিম পৰ্বৰ কবিতাসমূহত ই হৈ পৰিছে সভ্যতাৰ সমস্ত ঐশ্বৰ্যৰ, সমৃদ্ধিৰ, সম্পদৰ প্ৰতীক।

---

৫৭. ৰবীন্দ্ৰনাথ ঠাকুৰ, *গীতাঞ্জলি* (১১), পৃঃ ২৫

৫৮. এই প্ৰসঙ্গত সুব্ৰত ৰুদ্ৰ (সম্পা), *জীৱনানন্দ ঃ জীৱন আৰু সৃষ্টি* গ্ৰন্থত সন্নিৱিষ্ট নৰেশ গুহৰ "হেমন্তেৰ কবি জীবনানন্দ দাশ" শীৰ্ষক প্ৰবন্ধ দ্ৰষ্টব্য, পৃঃ ২৪২-২৪৮

৫৯. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ২৪৫

অর্থাৎ, একে-সময়তে ই হৈ পৰিছে জীৱন আৰু মৃত্যু, সভ্যতা আৰু সংকট, পূৰ্ণতা আৰু বিনষ্টিৰ একান্ত প্ৰতীক।[৬০]

কবিৰ *ঝড়া পালক* কাব্য-সংকলনটিৰ "আলেয়া" কবিতাত হেমন্ত শীতলতাৰ, ৰিক্ততাৰ, নিৰ্জনতাৰ, পৰিত্যক্ত কালৰ প্ৰতীক ঃ

হেমন্তেৰ হিম পথ ধৰি,
পউষ-আকাশতলে দহি দহি দহি
–ছুটিতেছ বিহ্বল বিৰহী
কত শত যুগজন্ম বহি ![৬১]

আনহাতে "পিৰামিড" কবিতাত ই হৈছে বিচ্ছেদৰ প্ৰতীক ঃ

–মোদেৰ জীবনে যবে জাগে পাতা-ঝৰা
হেমন্তেৰ বিদায় কুহেলি,
০০০ ০০০ ০০০
–অতীতেৰ হিমগৰ্ভ কবৰেৰ পাশে
ভূলে যাই দুই ফোটা অশ্রু ঢেলে দিতে![৬২]

আনহাতে, "হেমন্ত" কবিতাটিত এই ঋতু হৈ পৰিছে সমস্ত ক্লান্তি বিনাশকাৰী, পাপ হৰণকাৰী মানুহৰ অপাৰ চেষ্টাত গঢ় লৈ উঠা সভ্যতাৰ মূৰ্ত প্ৰতীক ঃ

আজ ৰাতে মনে হয়
সব কৰ্মক্লান্তি অবশেষে কোনো এক অৰ্থ শুষে গেছে।
আমাদেৰ সব পাপ–যদি জীব কোনো পাপ কৰে থাকে পৰস্পৰ
কিংবা দূৰ নক্ষত্ৰেৰ গুল্ম গ্যাস, জীবাণুৰ কাছে–
গিয়েছে ক্ষয়িত হয়ে।
০০০ ০০০ ০০০
অনন্য যোদ্ধাৰ মতো এসেছে সে কত বাৰ
দিনেৰ ওপাৰে সন্ধ্যা–ঋতুৰ ভিতৰে প্লাবী হেমন্তকে
দৃষ্ট প্ৰত্যঙ্গেৰ মতো এই স্ফীত পৃথিবীতে
ছুৰিৰ ফলাৰ মতো টেনে নিয়ে।
বেবিলন থেকে বিলম্বিত এসপ্লানেডে
বিদীৰ্ণ চীনেৰ থেকে এই শীৰ্ণ এককড়িপুৰে
মানুষেৰ অৰুন্তুদ চেষ্টাৰ ভিতৰে।[৬৩]

---

৬০. প্ৰাঃ উঃ গ্ৰঃ

৬১. দেবীপ্ৰসাদ বন্দোপাধ্যায় (সম্পা), পূৰ্বোক্ত গ্ৰন্থ পৃঃ ২৯

৬২. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ৫৩

৬৩ প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ৪৫১

সেইদৰে “নাব্বিকী” কবিতাত হেমন্ত হৈ পৰিছে পৃথিৱীৰ ভাণ্ডাৰৰ দুৰ্লভ ৰত্ন ঃ

হেমন্ত ফুৰায়া গেছে পৃথিবীৰ ভাঁড়াৰেৰ থেকে।[৬৪]

অসমীয়া কবি হীৰেন ভট্টাচাৰ্যয়ো জীবনানন্দ দাশৰ দৰে হেমন্তৰ বিচ্ছেদৰ প্ৰতীকী ৰূপ অঙ্কন কৰিছে ঃ

জানো, মোৰ অনুভূতিৰ সোণৰ দুৱাৰ খুলি
কোনোবা কৰুণ গধূলি উৰি যাব হেমন্তৰ বুলবুলি।[৬৫]

কেতিয়াবা আকৌ ই হৈ পৰিছে বিষাদৰ ঋতু ঃ

হেমন্তৰ হিমাৰ্ত বতাহ কঁপে
সন্ধ্যাৰ দোল্‌নাত,
সুমথিৰা বনৰ যেন সৌ মৌ-মাখিজাক।

মোৰ ইচ্ছা আৰু অপেক্ষাৰ মাজত ৰিব-ৰিব হেমন্ত !

হেমন্ত বৰ বিষাদৰ ঋতু
বন্দনাত কঁপে গৰ্ভিণী ধানৰ মৃদুগন্ধী সৰল বুকু![৬৬]

কাব্য-শিল্পৰ প্ৰধান বাহন হৈছে ভাষা। শব্দৰ মাজত নিহিত হৈ থকা অৰ্থব্যঞ্জনাৰ সহায়ত

কাব্য-শিল্পৰ প্ৰধান বাহন হৈছে ভাষা। শব্দৰ মাজত নিহিত হৈ থকা অৰ্থব্যঞ্জনাৰ সহায়ত কাব্যশিল্পই প্ৰাণ পায়। এই ক্ষেত্ৰত জীবনানন্দ দাশ আছিল ৰাসায়নিক শিল্পী। দুটা হাইড্ৰোজেন আৰু এটা অক্সিজেনৰ মৌল বিদ্যুৎস্পৰ্শৰ সহায়ত যিদৰে পানীলৈ ৰূপান্তৰিত হয়, তেনেদৰে কবিয়েও শব্দৰ পিছত শব্দ বহুৱাই সেই শব্দৰ অপূৰ্ব নিৰ্মাণক্ষম প্ৰজ্ঞাৰ বিদ্যুৎস্পৰ্শেৰে নতুন নতুন অৰ্থ-দ্যোতনাৰ সৃষ্টি কৰে। উদাহৰণ হিচাপে জীবনানন্দৰ “দেখেছি মাঠেৰ পাৰে নৰম নদীৰ নাৰী চড়াতেছে ফুল কুয়াশাৰ” কাব্য পংক্তিটোকে ল’ব পাৰি। ইয়াত ‘নৰম’, ‘নদী’, ‘নাৰী’, ‘ফুল’, আৰু ‘কুয়াশা’– এই পাঁচটা শব্দই নিজস্ব সত্তা হেৰুৱাই এক ৰাসায়নিক মিশ্ৰণৰ মাজত একীভূত হৈ এনে এক অৰ্থময়তাৰ সৃষ্টি কৰিছে, যিটো উল্লিখিত শব্দকেইটাৰ এটাটো পাবলৈ নাই। শব্দৰ সতে শব্দৰ এনে যৌগিক মিশ্ৰণৰ মাজেৰে জীবনানন্দই যি নতুন কবিভাষাৰ জন্ম দিছে, সি পাঠকৰ উপলব্ধিৰ জগতক চাৰুতা আৰু সূক্ষ্মতাৰ ন দিগন্তলৈ লৈ যায়। অসমীয়া কবিতাত সহজ শব্দৰ ব্যৱহাৰেৰে এনে কবিভাষাৰ উদ্ভাৱনত কবি হীৰেন ভট্টাচাৰ্যক একক আৰু অনন্য বুলিব পাৰি । জীবনানন্দৰ দৰে ভট্টাচাৰ্যয়ো শব্দৰ এনে অৰ্থময়তাৰ সৃষ্টিৰে পাঠকৰ উপলব্ধিক নতুন আয়তন দিবলৈ সক্ষম হয় ঃ

---

৬৪. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ২৫৭

৬৫ হীৰেন ভট্টাচাৰ্য, *সুগন্ধি পখিলা* (জোনাকী মন-১৮), পৃঃ ৯৮

৬৬. প্ৰাঃ উঃ গ্ৰঃ, পৃঃ ৬৯

রাধিকা সুন্দৰী মোৰ, পিছ দুৱাৰ থাকক খোলা।
ডাল ভাঙি আনা ফুল, আজি ৰাতি উৎকণ্ঠ কদমতল।
গাঢ় অন্ধকাৰত বন্দী সুপ্ৰাচীন যমুনাৰ মোহন জল।[৬৭]

উদাহৰণটোত ব্যৱহৃত 'ৰাধিকা', 'ফুল', 'কদমতল', 'সুপ্ৰাচীন যমুনাৰ মোহন জল'— এই শব্দ বা শব্দগুচ্ছই সিহঁতৰ স্বাভাৱিক বাচ্যাৰ্থ হেৰুৱাই ভৰ বাৰিষাৰ ব্যঞ্জিত অৰ্থহে পৰিগ্ৰহ কৰিছে।

এনেদৰে আধুনিক অসমীয়া কবিকুলৰ কাব্য-চিন্তাত জীবনানন্দ দাশৰ জীৱন-দৰ্শন, বোধ, ঐতিহ্য-চেতনা, প্ৰকৃতিৰ ৰূপাঙ্কন, প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগৰ প্ৰভাৱ লক্ষ্য কৰা যায় যদিও, প্ৰতিজন কবিয়ে তাক স্বকীয় সৃষ্টি-প্ৰতিভাৰে চৌপাশৰ পৰিৱেশ তথা নিজস্ব অভিজ্ঞতাৰ সমাহাৰ ঘটাই নিজ নিজ সৃষ্টিক অনবদ্য ৰূপ প্ৰদান কৰিবলৈ সমৰ্থ হৈছে। এক কথাত ক'বলৈ গ'লে, অসমীয়া কবিৰ ওপৰত জীৱনানন্দ দাশৰ প্ৰভাৱ পৰোক্ষ তথা অনুপ্ৰেৰণামূলকহে।

---

৬৭. হীৰেন ভট্টাচাৰ্য, *সুগন্ধি পখিলা* (পদ্যাংশ), পৃঃ ১৩৯

# পঞ্চম অধ্যায়

## উপসংহাৰ

প্ৰথম মহাযুদ্ধৰ সময়ৰ পৰা সমগ্ৰ বিশ্ব জুৰি আৰম্ভ হোৱা দ্ৰুত পৰিৱৰ্তনৰ মাজতে কবিতাৰ জগতত আধুনিক চিন্তাই গজালি মেলে। কবিতা ইয়াৰ প্ৰথম ফচল। মূলতঃ ইউৰোপত আৰম্ভ হোৱা এই চিন্তা-বিপ্লৱে ভাৰতীয় সাহিত্যকো স্পৰ্শ কৰে। বিংশ শতিকাৰ পৰিৱৰ্তিত আৰ্থ-সামাজিক আৰু মানসিক পৰিৱেশে ভাৰতীয় সাহিত্যৰ অন্তৰ্গত বাংলা আৰু অসমীয়া কবিৰ চিন্তাতো নতুন মূল্যবোধ, নতুন উপলব্ধিৰ জন্ম দিয়ে। ফলস্বৰূপে, আন আন ভাৰতীয় কবিতাৰ দৰে অসমীয়া আৰু বাংলা কবিতাও আন্তৰ্জাতিক ৰীতিৰ অংশীদাৰ হৈ পৰে।

সাহিত্যৰ জগতত এখন দেশৰ একোটা যুগৰ সাহিত্যই আন এখন দেশৰ সাহিত্যত প্ৰভাৱ পেলোৱাটো নতুন কথা নহয়। ই দোষণীয়ও নহয়। বৰং প্ৰকৃত প্ৰতিভাশালী, সৃষ্টিশীল লেখকৰ হাতত পৰিলে আপোন দেশৰ ঐতিহ্যৰ স্পৰ্শত ই অধিক সৌষ্ঠৱপূৰ্ণ হৈ পৰাহে পৰিলক্ষিত হয়। বিশেষকৈ যেতিয়া সেই দেশ ভৌগোলিক দিশৰ পৰাও নিকটাত্মীয় হয়। এনে আত্মীয়তাই কবিসকলৰ মাজত ব্যক্তিগত সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে উপযুক্ত অধ্যয়নৰ স্পৃহাও বৃদ্ধি কৰে। এনে দৃষ্টিৰে প্ৰত্যক্ষ কৰিলে এটা সত্য স্পষ্ট হৈ পৰে, যে আমাৰ অসমীয়া কবিৰ সতে বাংলা কবিৰ সম্পৰ্ক অতি নিবিড়। ইয়াৰ মূলত প্ৰধানকৈ দুটা কাৰণ বৰ্তমান ঃ প্ৰথমটো হ'ল— ৰাজনৈতিক আৰু দ্বিতীয়টো হ'ল— ভাষিক, অৰ্থাৎ ভাষা- সাহিত্য-সংস্কৃতি সম্পৰ্কীয়।

আধুনিক চিন্তা-চৰ্চাই ভাৰতীয় মানসক স্পৰ্শ কৰাৰ মূলতে হ'ল— ৰাজনৈতিকভাৱে ভাৰতবৰ্ষত বৃটিছৰ আধিপত্য বিস্তাৰ। অসম আৰু বংগদেশ দুয়ো ঠাইতে ঔপনিৱেশিক শাসন-শোষণে ৰাজনৈতিক জীৱনৰ লগতে ভাষিক তথা সাংস্কৃতিক জীৱনকো প্ৰভাৱিত কৰে। ৰাজনৈতিকভাৱে অসমতকৈ আগতে বংগদেশ বৃটিছৰ অধীনলৈ যায়। ইয়াৰ ফলত, পাশ্চাত্য চিন্তাৰ বীজ বংগদেশৰ মাটিত আগতীয়াকৈ অংকুৰিত হয়। তদুপৰি, সেই সময়ত অসমত উচ্চ শিক্ষাৰ যথোপযুক্ত সুবিধা নথকাৰ হেতু বিদ্যানুৰাগী অসমীয়া যুৱকসকল কলিকতামুখী হ'বলগীয়াত পৰে। ইয়াতে দুয়ো দেশৰ মাজত ভাষা-সাহিত্য-সংস্কৃতিৰ বিনিময়ৰ লগে লগে কিছু পৰিমাণে পাৰিবাৰিক সম্পৰ্কও নিকপকপীয়া হয়। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ইয়াৰ প্ৰকৃষ্ট উদাহৰণ।

অসমীয়া আধুনিক কবিতাৰ ঐতিহাসিক প্ৰেক্ষাপটৰ বিচাৰ-বিশ্লেষণৰ ফলত এটা কথা স্পষ্ট হৈছে, যে আধুনিকতাৰ প্ৰৱাহে অসমীয়া কবিতাক দুটা দিশৰ পৰা পৰিপুষ্ট কৰিছে ঃ ইয়াৰে প্ৰথমটো বংগদেশৰ মাজেৰে সৰকি অহা আৰু দ্বিতীয়টো, পাশ্চাত্যৰ পৰা পোনে পোনে অহা। অসম আৰু বংগদেশৰ মাজত সামাজিক বাতাৱৰণৰ প্ৰভেদ নোহোৱা নহয়। অসমৰ সমাজ-গাঁথনিৰ সতে বংগদেশৰ

সমাজ গাঁথনি-একে নহয়। দুয়ো দেশৰে কবিতাৰ ঐতিহাসিক পটভূমি সম্পৰ্কীয় বিচাৰত এটা কথা স্পষ্ট হৈছে যে বংগভূমিৰ কবিসকলৰ কবিতাত জাতীয়তাবাদী চেতনাৰ চোক অসমতকৈ তীব্ৰতৰ। ইয়াৰ মূলতে যে বাংলা কবিৰ সচেতনতা আৰু দক্ষতা, সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। অসমীয়া কবিয়ে আপোন দেশৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ সতে সংগতি ৰাখিহে কাব্য-চৰ্চা কৰিছে। সেয়েহে, বাংলা কবিৰ প্ৰভাৱক সাধ্যানুযায়ী দেশীয় ৰূপত সজাইছে। ইয়াতে অসমীয়া কবিৰ দক্ষতা প্ৰকাশ পাইছে।

জীবনানন্দ দাশ বংগদেশৰ কল্লোলোত্তৰ যুগৰ আটাইতকৈ প্ৰতিভাবান কবি। এওঁৰ কবিতাই ধৰি ৰাখিছে– *ৰূপসী বাংলা*-ৰ স্বাস্থ্যোজ্জ্বল ছবি আৰু তাৰ প্ৰতি কবিৰ সুতীব্ৰ আকৰ্ষণ। যি সময়ত সমগ্ৰ বংগদেশত ৰবীন্দ্ৰনাথ ঠাকুৰৰ জয়জয়কাৰ ধ্বনিত হৈছিল, সেই সময়তে জীবনানন্দৰ কাব্য-প্ৰতিভাৰো বিকাশ ঘটিছিল। কিন্তু ৰবীন্দ্ৰ-প্ৰতিভাৰ প্ৰচ্ছায়াই আগুৰি থকাৰ বাবেই জীবনানন্দৰ সুকীয়া চিন্তা আৰু প্ৰকাশভংগীয়ে স্বীকৃতি লাভ কৰাত কিছু বিলম্ব ঘটে।

অসমীয়া আধুনিক কাব্য-আন্দোলনৰ অন্যতম পুৰোধা হেম বৰুৱাৰ পৰা আৰম্ভ কৰি ভালেমান কবিয়ে জীবনানন্দক অনুসৰণ কৰিছে। ইয়াৰ মূলতে যে বাংলা কবিগৰাকীৰ প্ৰতিভাৰ বিশালতা আৰু কাব্য-নিৰ্মাণৰ ক্ষেত্ৰত থকা দক্ষতা, তাক অকপটে স্বীকাৰ কৰিব লাগিব।

কবি হেম বৰুৱাৰ কবিতাত আন আন বাংলা কবিৰ প্ৰভাৱ নথকা নহয়; কিন্তু, ইয়াৰ মাজত জীবনানন্দ অধিক উজ্জ্বল হৈ আছে। সমাজ-চেতনা, ইতিহাস-চেতনা, যুগ-চেতনাৰ দিশৰ পৰা প্ৰত্যক্ষ কৰিলে দেখা যায়, যে হেম বৰুৱাই বহুল পৰিমাণে জীবনানন্দকে অনুসৰণ কৰিছে। বিশেষকৈ সমগ্ৰ এচিয়া জুৰি বিশ্বযুদ্ধই সৃষ্টি কৰা বিভীষিকাৰ চিত্ৰ অংকনত জীবনানন্দৰ ছাপ সুস্পষ্ট। তদুপৰি, নাৰী-ভাবনাৰ দিশতো হেম বৰুৱাক জীবনানন্দই ভালেখিনি প্ৰভাৱিত কৰিছে। জীবনানন্দৰ দৰে গদ্যগন্ধী ছন্দৰ ব্যৱহাৰো হেম বৰুৱাৰ কবিতাৰ এক উল্লেখনীয় দিশ।

আধুনিক অসমীয়া কাব্য-জগতৰ আন এক উজ্জ্বল তাৰকা— নৱকান্ত বৰুৱা। কবি-গৰাকীৰ সতে কলিকতা মহানগৰীৰ সম্পৰ্ক যিমান মধুৰ, বাংলা সাহিত্য-জগতৰ সতে থকা সম্পৰ্কও সিমানেই গধুৰ। তেওঁৰ কাব্য-জগতৰ এমূৰে ৰবীন্দ্ৰনাথ আৰু আনমূৰে এলিয়ট বুলি স্বীকাৰ কৰিছে যদিও, জীবনানন্দৰ কাব্যৰ প্ৰভাৱ তেওঁ একোপধ্যেও এৰাই যাব পৰা নাই। জীবনানন্দ দাশৰ দৰে নৱকান্ত বৰুৱায়ো প্ৰচুৰ ইংৰাজী সাহিত্য অধ্যয়ন কৰিছিল। দুয়োৰে বৃত্তিগত জীৱনৰো মিল মন কৰিবলগীয়া। স্পষ্টভাৱে প্ৰকাশ নকৰিলেও নৱকান্ত বৰুৱা কেতিয়াবা সচেতনভৱে আৰু কেতিয়াবা অসচেতনভাৱে জীবনানন্দ দাশৰ কবিতাৰ প্ৰকাশভংগী, প্ৰকৃতি-চেতনা, প্ৰতীক আৰু চিত্ৰকল্প ব্যৱহাৰৰ নৈপুণ্যৰ দ্বাৰা প্ৰভাৱিত হৈছে। বিশেষকৈ ফিউচাৰিজিমৰ ধাৰণাক জীবনানন্দই যেনেদৰে গ্ৰহণ কৰিছে, তাৰ অনুৰূপ প্ৰকাশ নৱকান্ত বৰুৱাৰ কবিতাতো সুস্পষ্ট হৈ আছে। ফিউচাৰিজিমৰ মূল তত্ত্ব হ'ল– গতি (moticn) আৰু বেগ (speed)। এওঁলোকে গতিৰ দুৰ্দান্ত ৰূপক নিজৰ সৃষ্টিৰ মাধ্যমেৰে প্ৰকাশ কৰিবৰ চেষ্টা কৰে। জীবনানন্দই তেওঁৰ কবিতাত এই ফিউচাৰিষ্ট গতিবাদক আধুনিক ৰূপ দিছে। তেওঁৰ কবিতাৰ 'উৰন্ত মশাৰি'-ৰ চিত্ৰকল্প ইয়াৰ উত্তম উদাহৰণ। তদনুৰূপ নৱকান্ত বৰুৱাৰ কবিতাত ব্যৱহৃত 'শাওণৰ কপিলিৰ দৰে ফুলি উঠা আঠুৰা'-ৰ চিত্ৰকল্প মন কৰিবলগীয়া। দুয়োগৰাকী কবিৰ

কবিতাতে এই গতিবাদে যুগধৰ্মকে প্ৰতিনিধিত্ব কৰিছে। জীৱনানন্দ দাশৰ কবিতাত ইন্দ্ৰিয় ঘনত্ব আৰু চিত্ৰ দুয়োটা ওতঃপ্ৰোতভাৱে জড়িত হৈ থকাৰ দৰে নৱকান্ত বৰুৱাৰ ভালেমান কবিতাত এনে বৈশিষ্ট্য উজ্জ্বল হৈ আছে।

কবি হোমেন বৰগোহাঞিৰ কবিতাৰ সংখ্যা সৰহ নহয়। তেওঁৰ কিছু সংখ্যক কবিতাত যে জীৱনানন্দৰ প্ৰভাৱ সুস্পষ্ট হৈ আছে, তাক অস্বীকাৰ কৰিব নোৱাৰি। তেওঁৰ কবিতাত জীৱনানন্দৰ দৰে সততে প্ৰেমৰ শৰীৰী ৰূপ উপলব্ধ হয়। দুই এটা কবিতা অতি সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিলে জীৱনানন্দৰ কবিতাৰ হুবহু ভাবানুবাদ বুলিলেও অত্যুক্তি কৰা নহ'ব। তেনেদৰে, কবিতাৰ মাজত হতাশা, নিঃসংগতা, স্মৃতি, প্ৰেৰণা ইত্যাদিৰ দিশতো দুয়োগৰাকী কবিৰে চিন্তা আৰু পৰ্যবেক্ষণ শক্তি যথেষ্ট ওচৰ চপা।

ছবি এখন সম্পূৰ্ণ কৰিবৰ বাবে ইম্প্ৰেচনিষ্টসকলে চিত্ৰশিল্পৰ ক্ষেত্ৰত বিভিন্ন ৰঙৰ সমাহাৰ ঘটাই এক নতুন আংগিকৰ সৃষ্টি কৰিছিল। জীৱনানন্দৰ কবিতাও তেনে বৰ্ণনাৰে চিত্ৰৰূপময়। অসমীয়া আধুনিক কবিসকলৰ ভিতৰত নীলমণি ফুকনৰ কবিতাত ইয়াৰ প্ৰভাৱ দৰ্শনীয়ভাৱে স্পষ্ট হৈ আছে। বহু অসংলগ্ন ছবিৰ মাজেৰে জটিলতাৰ সৃষ্টি কৰিলেও, জীৱনানন্দৰ কবিতাৰ দৰে এইগৰাকী অসমীয়া কবিৰ কবিতায়ো অৱশেষত বৈ আনে এক গুঞ্জন ধ্বনিৰ অনুৰণন। ইয়াৰ ফলত, কোনো এটা খণ্ডৰ পৰিৱৰ্তে সমস্ত কাব্যাংশ মিলি সৃষ্টি হয়— এক সামগ্ৰিক আৱেদনৰ। ইয়েই বোধৰ জগতত আলোড়ন তোলে। তদুপৰি, জীৱনানন্দৰ দৰে নীলমণি ফুকনৰ কবিতাতো মৃত্যু-চেতনা অতি উজ্জ্বল। ফুকনৰ কবিতাত অংকিত শ্মশানৰ চিত্ৰৰ মাজেৰে বহুবাৰ উপলব্ধ হৈছে— জীৱনৰ নিঃসংগতা। তাৎপৰ্যপূৰ্ণভাৱে দুয়োগৰাকী কবিৰ কবিতাতে আছে— আপোন দেশৰ গ্ৰাম্য জীৱনৰ প্ৰতি থকা গভীৰ অনুৰাগৰ সৰল প্ৰকাশ। লোক-জীৱনৰ বুকুৰ পৰা কৰ্ষিত শব্দৰ সফল প্ৰয়োগৰ আৰ্হিও নীলমণি ফুকনে অতি সচেতনভাৱে জীৱনানন্দৰ পৰাই গ্ৰহণ কৰিছে। স্পষ্টভাৱে ক'বলৈ গ'লে, জীৱনানন্দ দাশৰ কাব্যৰ অধ্যয়নলব্ধ অভিজ্ঞতা নীলমণি ফুকনৰ কাব্য-চিন্তাৰ উত্তৰণৰ অন্যতম পথ-প্ৰদৰ্শক। ফুকনদেৱে এই কথা অতি সততাৰে স্বীকাৰো কৰিছে।

আন এগৰাকী অসমীয়া আধুনিক কবি হীৰেন ভট্টাচাৰ্যৰ কবিতাতো জীৱনানন্দৰ স্পৰ্শ আছে। ঋতুৰ প্ৰতীকৰ প্ৰয়োগৰ ক্ষেত্ৰত— বিশেষকৈ হেমন্ত ঋতুক ৰিক্ততাৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰোঁতে অসমীয়া কবিগৰাকী বাংলা কবিৰ একেবাৰে ওচৰচাপি গৈছে। প্ৰচলিত কবি-প্ৰসিদ্ধি অনুসৰণ নকৰাকৈ জীৱনানন্দ দাশে পূৰ্ব প্ৰচলিত গ্ৰাম্য, দেশজ অথবা ইংৰাজী শব্দৰ সহযোগত এক নিজস্ব শব্দ-ভাণ্ডাৰ সৃষ্টি কৰি লৈছিল। জীৱনানন্দসৃষ্ট এনে শব্দ-ভাণ্ডাৰ বাংলা ভাষাৰ এক বিশিষ্ট সম্পদৰূপে স্বীকৃত হৈছে। আধুনিক অসমীয়া কবি হীৰেন ভট্টাচাৰ্যয়ো তেনে আৰ্হিৰে এক সুকীয়া শব্দ-ভাণ্ডাৰ তৈয়াৰ কৰি লৈছে। শব্দ-ব্যৱহাৰৰ ক্ষেত্ৰত দুয়োগৰাকী কবিৰ মাজত কিছু সাদৃশ্য লক্ষ্যণীয়ভাৱে পৰিদৃষ্ট হৈছে। উল্লিখিত কবিকেইগৰাকীৰ দৰেই বীৰেশ্বৰ বৰুৱা, বীৰেন বৰগোহাঞি, মাণিক গগৈ, সুশীল শৰ্মা, প্ৰফুল্ল ভূঞাৰ কবিতাৰ বিষয়বস্তু আৰু আংগিক উভয় দিশতে জীৱনানন্দৰ স্পৰ্শ অতি

উজ্জ্বল হৈ আছে। ইয়াৰ মূলতে হৈছে অন্যান্য ভাৰতীয় কবিৰ দৰে বাংলা কবিগৰাকীৰ সৃষ্টিকৰ্মৰ প্ৰতি থকা অসমীয়া কবিকেইগৰাকীৰ গভীৰ আকৰ্ষণ। এই আকৰ্ষণৰ মূল কেন্দ্ৰ যে ৰবীন্দ্ৰনাথ ঠাকুৰ সি অনস্বীকাৰ্য। ৰবীন্দ্ৰনাথে বাংলা কবিতাক বিশ্বৰ দৰবাৰত থিয় কৰোৱাৰ লগে লগে সমগ্ৰ ভাৰতীয় কবিৰ চকু বাংলা কাব্যৰ দিশলৈ ঢাল ল'লে। অসমীয়া কবিও ইয়াৰ ব্যতিক্ৰম নহ'ল। ইয়াতে অসমীয়া কবি-মানসত জীবনানন্দ উজ্জ্বল হৈ উঠিল। জীবনানন্দৰ জীৱন-দৰ্শন, ঐতিহ্য-চেতনা, প্ৰকৃতিৰ ৰূপায়ণ, চিত্ৰকল্প, প্ৰতীকৰ অৱতাৰণা আদিৰ দ্বাৰা প্ৰভাৱিত হ'লেও, ইবোৰে যে কোনো এগৰাকী অসমীয়া কবিকে গ্ৰাস কৰিব পৰা নাই, সেয়া অনস্বীকাৰ্য। আলোচ্য প্ৰতিগৰাকী অসমীয়া কবিৰে স্বকীয় প্ৰতিভা আৰু ব্যক্তিত্বই অসমীয়া আধুনিক কবিতাক আপোন দেশৰ মাটি-পানী-বায়ুৰ স্পৰ্শেৰে আলোক-উজ্জ্বল কৰি ৰাখিছে। ইয়াতে নিহিত হৈ আছে অসমীয়া আধুনিক কবি আৰু কবিতাৰ বিশেষত্ব।

উক্ত দহগৰাকী কবিৰ উপৰিও আৰু ভালেমান কবিৰ কবিতাত জীবনানন্দ দাশৰ স্পৰ্শ উজ্জ্বল হৈ আছে। গৱেষণা-পত্ৰখনিৰ চমু পৰিসৰত সকলোকে সামৰি ল'ব পৰা হোৱা নাই। অসমৰ সমাজ-জীৱনৰ, —বিশেষকৈ জীবনানন্দ দাশে তেওঁৰ ফৰেষ্টাৰ খুৰাকৰ সতে উজনি অসমত কটোৱা সময়ৰ অভিজ্ঞতাৰে ৰচনা কৰা কবিতাকেইটিয়ে অদূৰ ভৱিষ্যতে নতুন তথ্যৰ সন্ধান দিব বুলি ভবাৰ যথেষ্ট থল আছে। সেয়েহে, প্ৰণালীবদ্ধভাৱে বিস্তৃত পৰিসৰত জীবনানন্দ দাশৰ কবিতা সম্পৰ্কীয় অধ্যয়নৰ একান্ত প্ৰয়োজন।

# গ্ৰন্থপঞ্জী

## ১. অসমীয়া


অতুল চন্দ্ৰ হাজৰিকা (সম্পা) : *বেজবৰুৱা গ্ৰন্থাৱলী* (১ম খণ্ড), সাহিত্য প্ৰকাশ, ১৯৮৮

ইমদাদ উল্লাহ : *কবিতাৰ সবিশেষ,* অসম সাহিত্য সভা, ১৯৮৩

কৰবী ডেকা হাজৰিকা : *আধুনিক অসমীয়া কবিতা,* ষ্টুডেন্টছ ষ্ট'ৰছ, গুৱাহাটী, ১৯৯২

খগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা (সম্পা) : *হেম বৰুৱাৰ কবিতা,* লয়াৰ্ছ বুক ষ্টল,গুৱাহাটী, ১৯৯৪

চন্দ্ৰ কটকী : *আধুনিক অসমীয়া কবিতা,* অসম সাহিত্য সভা, ১৯৮৯

চন্দ্ৰপ্ৰসাদ শইকীয়া (সম্পা) : *পদ্মনাথ গোহাঞিবৰুৱা,* অসম প্ৰকাশন পৰিষদ, ১৯৭১

.................................. (সম্পা) : *কৃষ্ণ শৰ্মাৰ ডায়েৰী,* অসম প্ৰকাশন পৰিষদ, ১৯৭২

.................................. (সম্পা) : *গোহাঞিবৰুৱা ৰচনাৱলী,* অসম প্ৰকাশন পৰিষদ, ১৯৮৭

ডিম্বেশ্বৰ নেওগ : *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*, শুৰনী প্ৰকাশ, গুৱাহাটী, ১৯৯৩

নন্দ তালুকদাৰ : *সম্বাদপত্ৰৰ ৰ'দ কাঁচলিত অসমীয়া সাহিত্য,* বৰুৱা এজেঞ্চি, গুৱাহাটী, ১৯৭৫

নৱকান্ত বৰুৱা : *হে অৰণ্য হে মহানগৰ*, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৯০

.................................. : *মোৰ আৰু পৃথিৱীৰ*, পকেট বুক চেন্টাৰ, গুৱাহাটী, ১৯৯০

নিৰ্মলপ্ৰভা বৰদলৈ : *কবিতাৰ কথা*, অসম বুক ডিপো, গুৱাহাটী, ১৯৮৯

প্ৰকাশ গোস্বামী (সম্পা) : *অসমীয়া প্ৰবন্ধ চয়ন*, অসম সাহিত্য সভা, ১৯৮৬

প্ৰফুল্ল চন্দ্ৰ বৰা : *জীৱন কবিতা আৰু নৱকান্ত,* ভাৰতী বুক ষ্টল, গোলাঘাট, ১৯৯০

প্ৰফুল্লদত্ত গোস্বামী (সম্পা) : *বাৰ মাহৰ তেৰ গীত,* সাহিত্য অকাদেমি, নতুন দিল্লী, ১৯৬২

.................................. (সম্পা) : *কমলাকান্ত ভট্টাচাৰ্য ৰচনাৱলী*, অসম প্ৰকাশন পৰিষদ, ১৯৮২

বিৰিঞ্চি কুমাৰ বৰুৱা (সম্পা) : *অৰুনোদইৰ ধলফাট,* অসম সাহিত্য সভা, ১৯৯২

বীৰেশ্বৰ বৰুৱা : *নিৰ্বাচিত কবিতা,* বৰুৱা এজেঞ্চি, গুৱাহাটী, ১৯৮৭

বেণুধৰ শৰ্মা (সম্পা) : *পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী,* অসম প্ৰকাশন পৰিষদ, ১৯৭২

ভবানন্দ দত্ত : *অসমীয়া কবিতাৰ কাহিনী,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৬৯

মহেন্দ্ৰ বৰা (সম্পা ) : *নতুন কবিতা* , বনলতা, ডিব্ৰুগড়, ১৯৮৭

মহেশ্বৰ নেওগ (সম্পা) : *সঞ্চয়ন,* সাহিত্য অকাদেমি, নতুন দিল্লী, ১৯৭৮

.................................... : *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* চন্দ্ৰ প্ৰকাশ, টিহু, ১৯৮৭

.................................... (পুনঃ সম্পা) : অৰুনোদই, অসম প্ৰকাশন পৰিষদ, ১৯৮৩

লক্ষ্মী দেবী : *অসমৰ বুৰঞ্জী,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৬৫

লীলা গগৈ : *মণিৰাম দেৱানৰ গীত,* শ্ৰীভূমি পাবলিচিং কোম্পানী, কলিকতা, ১৯৮৯

শশী শৰ্মা : *সাহিত্যত বিৱৰ্তন,* সমন্বয় গ্ৰন্থালয়, নলবাৰী, ১৯৮৪

সত্যেন্দ্ৰনাথ শৰ্মা : *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* প্ৰতিমা দেবী, ৰিহাবাৰী, ১৯৯১

.................................... (সম্পা) : *জ্যোতিপ্ৰসাদ ৰচনাৱলী,* অসম প্ৰকাশন পৰিষদ, ১৯৮৬

হীৰেন গোহাঁই : *বিশ্বায়তন,* জাৰ্ণাল এম্পৰিয়াম, নলবাৰী, ১৯৮৩

.................................... : *সাহিত্য আৰু চেতনা,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৯১

.................................... (সম্পা) : *সাগৰ তলিৰ শঙ্খ,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৯৪

হীৰেন ভট্টাচাৰ্য : *সুগন্ধি পখিলা,* চুনি ভট্টাচাৰ্য, নগাওঁ, গুৱাহাটী, ১৯৯১

হেম বৰুৱা : *আধুনিক সাহিত্য,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৯২

: *সাহিত্য আৰু সাহিত্য,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৯৫

হোমেন বৰগোহাঞি (সম্পা) : *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড), আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, গুৱাহাটী, ১৯৯৩


## ২. বাংলা


অশোক কুমাৰ মিশ্ৰ : *আধুনিক বাংলা কবিতাৰ ৰূপৰেখা,* এস ব্যানাৰ্জী এণ্ড কোং, কলকাতা, ১৯৯১

অশ্ৰুকুমাৰ সিকদাৰ : *আধুনিক কবিতাৰ দিগবলয়,* অৰুণা প্ৰকাশনী, কলকাতা, ১৯৯১

জীবনানন্দ দাশ : *কবিতাৰ কথা,* সিগনেট প্ৰেস, কলকাতা, ১৯৮৯

জীবেন্দ্ৰ সিংহ ৰায় : *আধুনিক কবিতাৰ মানচিত্ৰ,* দে'জ পাবলিশিং, কলকাতা, ১৯৮৮

দীপ্তি ত্রিপাঠী : *আধুনিক বাংলা কাব্য পৰিচয়*, দে'জ পাবলিশিং, কলকাতা, ১৯৮৮

দেবীপ্রসাদ বন্দোপাধ্যায় (সম্পা) : *জীবনানন্দ দাশেৰ কাব্যসংগ্ৰহ*, ভাৰবি, কলকাতা, ১৯৯৬

নাৰায়ণ গঙ্গোপাধ্যায় (সম্পা) : *জীবনানন্দ দাশেৰ কাব্যগ্ৰন্থ*, বেঙ্গল পাবলিশার্স প্রাইভেট লিমিটেড, ১৯৯১

বুদ্ধদেব বসু : *প্ৰবন্ধ সংকলন*, দে'জ পাবলিশিং, কলকাতা, ১৯৮১

———— : *সাহিত্য চৰ্চা*, সিগনেট প্ৰেস, কলকাতা, ১৯৮৬

ৰবীন্দ্ৰনাথ ঠাকুৰ : *সাহিত্যেৰ পথে*, বিশ্বভাৰতী, কলকাতা, ১৯৬৮

সুব্ৰত ৰুদ্ৰ (সম্পা) : *জীবনানন্দ : জীবন আৰ সৃষ্টি*, নাথ পাবলিশিং, কলকাতা, ১৯৯৯

## ৩. ইংৰাজী

Alan Bold (ed) : *The Penguin Book of Socialist Verse*, Penguin, 1970

Birinchi Kumar Baruah : *History of Assamese Literature*, Sahitya Academy, New Delhi, 1978

Christopher Caudwell : *Futher Studies in A Dying Culture*, Peoples Publishing House, New Delhi, 1990

G.S. Fraser : *The Modern Writer And His World*, Rupa and Co. India, 1961

K.M. George (ed) : *Modern Indian Literature*, Sahitya Academy, 1992

K.N. Dutt : *Landmarks of the Freedom Struggle in Assam*, LBS, Gauhati, 1958

Maurice Winternitz : *History of Indian Literature* (Vol. 1), MBD, New Delhi, 1985

Nagen Saikia : *Background of Modern Assamese Literature*, Omsons Publicatoin, New Delhi, 1988.